CONTENTS

DP1152

DECEMBER, SESSION

No. 3

Dated, Dispur the 21ST Dec, 2011

		Page
1.	Questions and Answers	1-160
2.	Voting on Supplementary Demands for Grants for 2011-2012	161-227
3.	Adjournment	228
4.	Annexure-I to XXIX	229-1134

* * * * *

DEBATES OF THE
ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 21st December, 2011.

The House met at 9-00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 41, Hon'ble Member, Sri Kamalshing Narzary.

বিষয় ঃ শীতলীকৰণ গৃহৰ সংখ্যা।

শ্ৰীকমলসিং নাৰ্জাৰীয়ে সুধিছে ঃ

* ৪১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কৃষকসকলে উৎপাদন কৰা বহুবিধ সামগ্ৰী শীতলীকৰণ গৃহৰ অভাৱত গেলি-পচি যোৱাৰ পৰিণতিত অতি কম মূল্যত বিক্ৰী কৰিবলগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? (সবিশেষ তথ্যসহ দিব)

(খ) যদি অৱগত হয়, এই সমস্যা সমাধানৰ স্বাৰ্থত ৰাজ্যখনৰ সৰ্বাধিক কৃষিজাত সামগ্ৰী বিশেষকৈ শাক-পাচলি উৎপাদন হোৱা এলেকাত

শীতলীকৰণ গৃহ স্থাপনৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

(উত্তৰ সবিশেষ তথ্যসহ দিব)

(গ) অসমত বর্তমানে কৃষকসকলক সামগ্রী জমা ৰাখিব পৰাকৈ কিমানটা শীতলীকৰণ গৃহ আছে আৰু এইকেইটা কোন কোন স্থানত আছে? উক্ত শীতলীকৰণ গৃহবোৰ কিদৰে ব্যৱহৃত হৈছে?

(ঘ) ৰাজ্যখনৰ ভিতৰতে সর্বাধিক কৃষিজাত শাক-পাচলি উৎপাদিত এলেকা হিচাপে চিহ্নিত এলেকাবোৰৰ প্রতিখন গাঁও পঞ্চায়ত নাইবা সমপর্য্যায়ৰ এলেকাত চৰকাৰী খৰচত একোখনকৈ শীতলীকৰণ গৃহ (Cold storage) নির্মাণৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

শ্রী নীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) অধিক শাক-পাচলি উৎপাদন হোৱা অঞ্চলসমূহত শীতল গৃহ স্থাপনৰ বিষয়টোত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ইতিমধ্যে এনে কিছুমান অঞ্চলত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত শীতল ভৰাল স্থাপন কৰা হৈছে। (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰা হ'ল) (See Annexure – I)

(গ) ৰাজহুৱা খণ্ডৰ ৩টা আৰু ব্যক্তিগত খণ্ডৰ ২৩ টাকে ধৰি অসমত বর্তমান মুঠ ২৬ টা শীতল গৃহ আছে।

শীতল গৃহ থকা স্থানসমূহৰ নাম তলত উল্লেখ কৰা হ'ল ঃ

ৰাজহুৱা খণ্ড ঃ

১) শিঙিমাৰী

২) বৰ্ণিহাট

৩) গোসাইগাঁও

<u>ব্যক্তিগত খণ্ড ঃ</u>

৪) শিলচৰ

৫) শিলচৰ

৬) চাংসাৰী

৭) গুৱাহাটী

৮) গুৱাহাটী

৯) পাটগাঁও, আজাৰা

১০) পাটগাঁও, আজাৰা

১১) তেজপুৰ

১২) জিনজিয়া

১৩) তিনিচুকীয়া

১৪) তিনিচুকীয়া

১৫) মাকুম ৰোড, তিনিচুকীয়া

১৬) লাইপুলি, তিনিচুকীয়া

১৭) বদৰপুৰ ঘাট

১৮) হাইলাকান্দি

১৯) দেৰগাঁও

২০) যোৰহাট

২১) যোৰহাট

২২) নগাঁও

২৩) নগাঁও

২৪) বাপুজী নগৰ, গোৱালপাৰা

২৫) বৰপেটা

২৬) কাজলগাঁও, চিৰাং

ৰাজহুৱা খণ্ডৰ শীতলগৃহ সমূহ সোনকালে নষ্ট হৈ যোৱা ফল-মূল আৰু শাক-পাচলিসমূহ মজুত কৰি ৰখাৰ কামত ব্যৱহৃত হৈ আছে।

ব্যক্তিগত খণ্ডৰ শীতলগৃহসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিতং তথ্য বিভাগৰ হাতত নাই।

(ঘ) প্ৰতিখন গাঁও পঞ্চায়ত নাইবা সমপৰ্যায়ৰ এলেকাত চৰকাৰী খৰচত শীতল ভঁৰাল স্থাপনৰ প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ হাতত নাই। ব্যক্তিগত খণ্ডত এনে ভঁৰাল স্থাপনৰ বাবে আগ্ৰহী উদ্যোগীক উদ্যান শস্যৰ প্ৰযুক্তি অভিযানৰ অধীনত ৰাজসাহায্যৰ জৰিয়তে শীতল ভঁৰাল স্থাপনৰ বাবে উৎসাহিত কৰাৰ ব্যৱস্থা আছে।

শ্ৰীকমলসিং নাৰ্জাৰী ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে ৰাজহুৱা খণ্ডৰ ৩টা আৰু ব্যক্তিগত খণ্ডৰ ২৩ টা মুঠ ২৬ টা শীতলগৃহ অসমত আছে। এই সম্পৰ্কত দ্বাদশ বিধানসভাত এই প্ৰশ্ন উত্থাপন কৰিছিলো বিজনীত এটা শীতলগৃহ লাগে বুলি আৰু তেতিয়াই আমাৰ তেতিয়াৰ মন্ত্ৰী বাইদেৱে বিজনীত

এটা শীতল গৃহ দিব বুলি কৈছিল। কিন্তু আজিলৈ বিজনীত শীতল গৃহ নহ'ল। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো মন্ত্রী মহোদয়াৰ আশ্বাস কি হ'ল? আৰু বিজনী বুলি নহয় বিটিচি এৰিয়াত দৰং ওদালগুৰীকে আদি কৰি বহুত ঠাইত প্রচুৰ পৰিমাণৰ শাক-পাচলি উৎপাদন হয় বিশেষকৈ কবি, মূলা, বিলাহী আৰু অন্যান্য শাক-পাচলি কিন্তু তাৰ কাৰণে কৃষকে বজাৰত উচিত মূল্য নাপায় ফলত পেলনী যাবলগীয়া অৱস্থা হয়। গতিকে সেই বিলাক ঠাইত শীতল গৃহৰ আৱশ্যক। কিন্তু উত্তৰত মন্ত্রী মহোদয়ে ৰাজহুৱা খণ্ডৰ ৩টা আৰু ব্যক্তিগত খণ্ডৰ ২৩টা শীতলগৃহহে আছে বুলি কৈছে। মই তেজপুৰলৈ যাওতে দেখিছো দলগাঁও অঞ্চলত প্রচুৰ পৰিমাণৰ শাক-পাচলি উৎপাদন হয। তাত বজাৰো আছে, কিন্তু বজাৰবিলাকত কৃষকে উচিত মূল্য নাপায়। কৃষিয়ে হৈছে ৰাজ্যখনৰ অর্থনীতিৰ বুনিয়াদ। কিন্তু সেই কৃষকে উৎপাদিত বস্তুৰ উচিত মূল্য নাপায়। তাতে আকৌ মুক্ত অর্থনীতিৰ অচিলা লৈ বিদেশী শাক-পাচলি বাহিৰৰ বেপাৰীয়ে অসমত বজাৰ দখল কৰিবলৈ ওলাইছে। গতিকে যিবিলাক ঠাইত প্রচুৰ পৰিমাণৰ শাক-পাচলি উৎপাদন হয় সেই ঠাইবিলাকত বিষেশকৈ বিজনী, ওদালগুৰীত শীতল গৃহ নির্মাণৰ ব্যৱস্থা সোনকালে কৰিব নে?

* **শ্রী নীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীকমলসিং নার্জাৰীয়ে এটা গুৰুত্বপূর্ণ বিষয় সদনত উত্থাপন কৰিছে। আমিও শীতল গৃহ নির্মাণৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি আছো। বিজনীৰ শীতল গৃহটো কি কাৰণত আজিও

হোৱা নাই মই অৱগত নহয়, নিশ্চয় খৱৰ লম। এইবাৰ আৰ আই ডি এফ আঁচনিত ৫০ কোটি টকা শীতলগৃহৰ কাৰণে কৃষি বিভাগক দিয়া হৈছে বুলি কৈছে আমিও আঢ়ৈ কোটি টকাৰ প্ৰস্তাৱ দিছিলো কিন্তু বিত্ত বিভাগৰ বোধকৰো টকা নথকা কাৰণে পৰিপূৰক দাবী নাহিল, আমি চিপি আৰত এনইচি প্ৰস্তাৱ দিছো। গতিকে শীতল গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিম। হাউলী বৰপেটাত বিলাহী, তিঁয়হ ইত্যাদি পানীৰ দৰত বিক্ৰী হৈছে বুলি আমি গম পাইছো তাত শীতলগৃহ থকা হ'লে বস্তুবিলাক লাহে লাহে বিক্ৰী কৰিব পাৰিলেহেঁতেন। ইয়াত কৃষকসকলে উচিত মূল্য পোৱা নাই বুলি আমি জানো। কিন্তু অসমত চৰকাৰী খণ্ডৰ শীতল গৃহ চলাব নোৱাৰে, ব্যক্তিগত খণ্ডৰ যিবিলাক শীতল গৃহ আছে সেইবিলাকো ভালকৈ চলা নাই লাভ নোহোৱাৰ কাৰণে। এই বিষয়টো আমি বিষয়াসকলক চাৰ্ভে কৰিব দিছো। বিজনীত এটা শীতল গৃহ দিম বুলি মই মাননীয় সদস্যগৰাকীক আশ্বাস দিলো।

* **শ্ৰীকেশৱ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে শীতল গৃহ নিৰ্মাণৰ ক্ষেত্ৰত বিধানসভাত যি উত্তৰ দাঙি ধৰিলে তাত আমি সন্তুষ্ট হ'ব পৰা নাই। আজি অসমৰ কৃষকে তেওঁলোকৰ উৎপাদিত শাক-পাচলিৰ ওপৰত উচিত মূল্য নোপোৱাটো দুৰ্ভাগ্যৰ কথা। মন্ত্ৰী মহোদয়ে যিবিলাক ঠাইত প্ৰচুৰ পৰিমাণৰ শাক-পাচলি উৎপাদন হয় সেইবিলাক ঠাই চিহ্নিত কৰি তাত চৰকাৰীভাৱে শীতলগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। আৰু ব্যক্তিগত খণ্ডত যিসকল লোকে

* Speech not corrected

শীতলিকৰণ গৃহ নির্মাণ কৰিব বিচাৰে তেওঁলোকক চৰকাৰে চাবিচিডি দি উৎসাহিত কৰিব লাগে। লগতে কলিয়াবৰত চুলুং যিটো অঞ্চল, তাত এখন বিৰাট বজাৰ আছে। চামগুৰী অঞ্চলৰ পৰা সকলো বস্তু তাত সৰবৰাহ হয়। সেইদিনা মীন মন্ত্রী গৈ এখন মীন বজাৰৰ আধাৰশীলা স্থাপন কৰি আহিছে। এই বজাৰলৈ উত্তৰ-পূৱ অঞ্চলৰ বহুত বয়-বস্তু আৰু শাক-পাচলি আহে। গতিকে তাত এটা শীতলিকৰণ গৃহ নির্মাণ কৰিব লাগে।

* **শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক কেশৱ মহন্ত ডাঙৰীয়াৰ পৰামর্শবলী আমি গ্রহণ কৰিলো। আমি শীতলিকৰণ গৃহ ঠায়ে ঠায়ে নির্মাণ কৰিবলৈ চেষ্টা চলাই আছো। শিঙিমাৰীত এটা শীতলীকৰণ গৃহ আছে আপোনালোকে জানে শিঙিমাৰীত আটাইতকৈ বেছি কবি, মূলা, বিলাহী, বেঙেনা আদি শাক-পাচলি প্রচুৰ পৰিমাণৰ হয়। কিন্তু সেই গৃহটো ভালকৈ চলা নাই। আমি শীতলীকৰণ গৃহ নির্মাণৰ কাৰণে যি প্রচেষ্টা লৈছো সেইটো আগতে অৱগত কৰিছো। আমি এই বিষয়ে প্রায়ে আলোচনা কৰি থাকো আৰু আজিও তাৰ সভা আছে। বৰপেটা, হাউলী আদিৰ পৰাও তাত শীতলীকৰণ গৃহ নোহোৱা পর্য্যন্ত শিঙিমাৰীত আনি ৰাখি থব পাৰে। তেতিয়াও কৃষকসকল লাভবান হ'ব। ইতিমধ্যে আমি শাক-পাচলি সৰবৰাহ কৰিবৰ কাৰণে সৰু সৰু গাড়ী বা ভেন দিয়াৰ ব্যৱস্থা কৰিছো। আশা কৰিছো অহা বছৰলৈ অসুবিধা নহ'ব। আৰু কম দামত বস্তু বিক্রী কৰিব নালাগিব।

---

* Speech not corrected

* **Shri Sirajuddin Ajmal :** Mr. Speaker Sir, Out of the total population 80 per cent are farmers. It is very commendable. There are various problems - one of them being the middlemen. This has to be removed and for it is proper law should be enacted and proper price paid for it. Sir, I would like remind this august House the incident of Bechimari where many people were killed. So, I would like to request Hon'ble Minister for establishing vegetable market and food processing unit and get maximum price out of it.

*শ্রীনীলমণি সেন ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আজমল ডাঙৰীয়াই এটা গুৰুত্বপূর্ণ পৰামর্শ দিছে, ভাল পৰামর্শ দিছে। আমিও বিচাৰিছো অহা দুবছৰৰ ভিতৰত আমাৰ ৰাজ্যখনৰ লগতে উত্তৰ পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰ খুৰাব পৰাকৈ কৃষি সামগ্রীৰ মজুতকৰণ বজাৰৰ ব্যৱস্থা গ্রহণ কৰিম। শাক-পাচলিৰ ক্ষেত্রত কথাটো হৈছে শাক-পাচলি বিলাক অলপ দিনৰ কাৰণে হয় আৰু নাইকীয়া হয়। সেইদৰে বিলাহী প্রচুৰ উৎপাদন হয় আৰু অলপ দিনতে নাইকীয়া হয়। এনে কিছুমান সামগ্রী আমি মজুতকৰণৰ বাবে চিন্তা কৰিছো। এতিয়া খাৰুপেটীয়াৰ পৰা শাক-পাচলি অন্য ৰাজ্যলৈ যোৱাটো আৰম্ভ হৈছে। এই শাক-পাচলিবিলাক এটা

* Speech not corrected

পদ্ধতিগতভাৱে চৰকাৰী এজেঞ্চীৰ জৰিয়তে অন্য ৰাজ্যলৈ পঠাব পাৰি নেকি?

আমি চিন্তা-চর্চা কৰি আছো। বেচিমাৰীৰ যিটো ঘটনাৰ কথা উল্লেখ কৰিছে, সেইটো এটা দুখজনক ঘটনা আৰু এই ঘটনাৰ কাৰণে আমাৰ চৰকাৰ দোষী নহয়। আপোনালোকে ৰাজনীতি কৰিবৰ কাৰণে হুলস্থূল কৰিছে। মৰাপাটৰ মূল্য ভাৰত চৰকাৰে নিৰূপণ কৰি দিয়ে। ভাৰত চৰকাৰে প্ৰতি কুইণ্টল মৰাপাটৰ মূল্য ১৬৭৫ টকা নিৰূপণ কৰি দিছে। আমাৰ কৃষকসকলে আগৰ বছৰত ৩২০০ ৩৩০০ টকাত মৰাপাট বিক্ৰী কৰিছিল। পিছত ভাৰত চৰকাৰৰ মৰাপাট নিগমক ২১ শ, ২২ শ, ২৫ শ টকাত মৰাপাট বিক্ৰী হৈছিল। এইটো কথা হয়, মৰাপাটৰ বজাৰখনত কিছুমান দালাল আছে, তেওঁলোকে মৰাপাটবিলাক কম দামত ক্ৰয় কৰি পশ্চিমবঙ্গৰ মৰাপাট মিলবিলাকত বিক্ৰী কৰে। এই বছৰ দেখা গৈছে, বেচিমাৰী অঞ্চলত যিবিলাক মৰাপাট উৎপাদন হৈছে, সেই মৰাপাটৰ কোৱালিটি ভাল নহয়। সেই কাৰণে কম দামত বিক্ৰী কৰিবলগীয়া হৈছে, তাৰ বাবে আপোনালোকে আমাৰ চৰকাৰক গালি পাৰিছে। আমাৰ চৰকাৰক গালি পৰাৰ কোনো যুক্তি নাই। আমাৰ চৰকাৰে কৃষকসকলক উচিত মূল্য পোৱাৰ বাবে সদায় চেষ্টা কৰি আহিছে।

*শ্ৰীজয়ন্ত মল্ল বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নলবাৰী জিলাখন এখন কৃষি প্ৰধান জিলা আৰু আমাৰ বৰ্তমান কৃষি মন্ত্ৰীগৰাকীৰ গৃহ জিলা নলবাৰী। আমি নলবাৰীত এটা শীতলিকৰণ গৃহ নিৰ্মাণৰ বাবে

* Speech not corrected

লেণ্ড এডভাইচৰী কমিটিত ১৫ বিঘা মাটিৰ প্ৰস্তাৱ দিছিলো। কিন্তু বিভাগীয়ভাৱে কামটো আগবঢ়া দেখা নাই। আমাৰ মন্ত্ৰী মহোদয়ে নিজৰ গৃহজিলাত এটা শীতলিকৰণ গৃহ স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিছো। এই বছৰ আমাৰ নলবাৰী জিলাত বহুত আলু উৎপাদন হ'ব। আমাৰ যুৱকসকলে নিজকে কৃষি কাৰ্য্যত আত্মনিয়োগ কৰিছে। গতিকে যদি এটা শীতলিকৰণ গৃহ নাথাকে তেওঁলোকৰ অৱস্থা বেয়া হ'ব। ইয়াৰ বাবে আমাৰ মাটি আৱণ্টনদি থৈছে। গতিকে মন্ত্ৰী মহোদয়ক এই বিষয়টো গুৰুত্বসহকাৰে লৈ ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো। আগতেও আমাৰ নলবাৰী জিলাৰ পৰাই এজন কৃষি মন্ত্ৰী আছিল যদিও এই ক্ষেত্ৰত আমাৰ জিলাখনৰ কোনো উন্নতিসাধন নহ'ল।

*শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বিভাগীয়ভাৱে সিদ্ধান্ত গ্ৰহণ কৰিছে যে, আমাৰ শীতলিকৰণ গৃহৰ ক্ষেত্ৰত 'পাব্লিক চেক্টৰত' কৰাত কৈ 'প্ৰাইভেট চেক্টৰত' পি, পি, পি, মেথডত কৰিব লাগে। আমাৰ হাউলীত এটা শীতলিকৰণ গৃহ আছে, সেইটোৰ অৱস্থা একেবাৰে বেয়া, ভাঙি-চিঙি গৈছে। চৰকাৰীভাৱে কৰিলে মেনটেইনেঞ্চ ভাল নহয়। সেই কাৰণে প্ৰাইভেট চেক্টৰত কৰাৰ বাবে আমি চিন্তা কৰিছো। মই এজন ব্যক্তিগত শীতলিকৰণ গৃহৰ মালিকৰ লগত কথা পাতিছিলো, তেওঁ কৈছিল যে বছৰত তেওঁ ১ কোটি বা ২ কোটি লাভ হয়। মই সেই কাৰণে মাননীয় সদস্যজনক অনুৰোধ কৰিছো, যদি

* Speech not corrected

কোনো স্থানীয় যুৱক আগবাঢ়ি আহে, আমি চৰকাৰৰ ফালৰ পৰা ৩০ শতাংশ / ৩৫ শতাংশ চাৱচিদি দিম। ব্যক্তিগত খণ্ডত শীতলিকৰণ গৃহ হ'লে বেছি ভাল কৈ চলিব।

মাননীয় অধ্যক্ষ ঃ প্ৰথম প্ৰশ্নটোতে আজি ২০ মিনিট সময় ল'লে। মই আপোনালোকক অনুৰোধ কৰিছো আপোনালোকে যিবিলাক প্ৰশ্ন কৰে সেইবিলাক যাতে চুটি হয় আৰু উত্তৰটোও চুটি হ'ব লাগে। তেতিয়া আমাৰ প্ৰশ্নোত্তৰ কালত বেছি উত্তৰ পাম।

Mr. Speaker : Now, Starred Question No. 42 Hon'ble Member, Shri Monilal Gowala.

Sub : Posting of D.S.O at Karimganj and release of fund.

Shri Monilal Gowala asked :

* 42. Will the Minister of Social Welfare be pleased to state:

(a) Whether the Govt. is aware of the fact that the Karimganj District Social Welfare Office has been almost defunct as there is no regular D.S.O.?

(b) If so, whether the Govt. is aware of the fact that Welfare Funds viz (a) Mukhya Mantrir Jibonjyoti (b) Health care & (c) N.F.B.S. are not adequately sanctioned released and distributed in absence of a regular D.S.O?

(c) If so, would the Govt. provide posting of D.S.O and release the funds and also take steps to disburse it among the selected beneficiaries?

(d) If so, by when?

Sri Akon Bora (Minister, Social Welfare Department) replied :

(a) Yes, Govt. is aware of the fact that there was no regular District Social Welfare Officer in Karimganj District. The Govt. has recently posted Smti Manjuri Borthakur, as District Social Welfare Officer Karimganj.

(b) Govt. is aware, that funds have sanctioned and released under (a) Mukhya Mantrir Jiban Jyoti Bima Achoni (b) Health Care. As per Information received from P&RD Department for implementation of NFBS, fund has been released to the Chief Executive Officer, Karimganj Zilla Parishad during 2010-11 & 2011-12.Fund released Rs 96.80 Lakhs and Rs. 11.00 lakhs respectively to the Chief Executive Officer, Karimganj Zila Parishad (Annexure- "x").

(c) Since, the Govt has posted one new regular District Social Welfare Officer in Karimganj District, the fund pending disbursement will be disbursed very shortly.

(d) As stated in (C) above.

* **Shri Monilal Goala :** Mr. speaker sir, I thank Hon'ble Minister, social welfare for posting one regular District Social Welfare Officer at Karimganj and also congratulate him for releasing fund to the district. Now, may I request Hon'ble Minister to sanction some additional fund for ICDS centre. will he kindly consider it ?

শ্রীঅকণ বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রীগোৱালা দেৱে যিখিনি কথা কৈছে তাৰ আমি ব্যৱস্থা গ্রহণ কৰিছো। বর্তমান আমি জিলা সমাজ কল্যাণ বিষয়াৰ নিযুক্তি কৰিমগঞ্জত দিছো, তেখেতে কার্য্যভাৰ লোৱাৰ লগে লগে আমি আমাৰ যিমান পেন্ডিং কাম আছে সকলো বিলাক কৰিম। আমাৰ তাত নতুন চেণ্টাৰৰ কাৰণে স্কোপ আছে। তাত যদি নতুন প্রজেক্ট কৰিব লগা হয়, তেতিয়া ৰিকমেণ্ডেচেন দিব লাগিব। ভাৰত চৰকাৰৰ পৰা অনুমোদন পালে আমি ব্যৱস্থা গ্রহণ কৰিব পাৰিম।

* Speech not corrected

* **শ্রীৰাণা গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিবলৈ বিচাৰিছো এইটো আমাৰ বিধায়কসকলে জনাটো উচিত কিয়নো আমি তেতিয়া কাম কৰাত সুবিধা হ'ব মই মাত্র জানিবৰ কাৰণেহে সুধিছো। আমাৰ যিবিলাক অঙ্গনবাদী চেণ্টাৰ আছে তাৰ যিবিলাক এছ এন পি আঁচনি আছে তাৰ পৰা আমাৰ যথেষ্ট উপকাৰ হৈছে, বিশেষকৈ দুখীয়া ছাত্র-ছাত্রীসকল উপকৃত হৈছে। দুখীয়া পৰিয়াল এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। এই ক্ষেত্রত চেক দিয়াৰ ব্যৱস্থা আছে আৰু এই দুখীয়া পৰিয়ালক খাদ্য যোগাৰৰ ক্ষেত্রত কি ব্যৱস্থা আছে।

শ্রীঅকণ বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রীৰাণা গোস্বামী ডাঙৰীয়াই যি কৈছে সেই ক্ষেত্রত কৈছো যে বর্তমান আমাৰ টকা চেকৰ্ দ্বাৰা তদাৰক কমিতিক দিয়া হয় বেংকৰ জৰিয়তে। যিমান সোনকালে পাৰো আমি টকা ৰিলিজ কৰাৰ ব্যৱস্থা কৰিম। মাননীয় সদস্যই এই প্রশ্নটো কৰি ভালেই কৰিলে কিয়নো মইও জনাবলৈ পাই ভাল পাইছো এই ক্ষেত্রত চুপ্রিম কোর্টৰ নির্দেশ নহ'লে আমাৰ দিব পৰা ব্যৱস্থা নাই। আমি এই ক্ষেত্রত অসুবিধা পাইছো। আমাৰ ১২৬ টা সমষ্টি আছে। তাত বহুটো দুখীয়া মানুহ আছে। তেওঁলোকৰ ল'ৰা-ছোৱালীবিলাকক আমাৰ চেণ্টাৰবিলাকৰ মাধ্যমেৰে কোটি টকাৰ পুটিন আহাৰ যোগান ধৰা হয়। এই টকাবিলাক আমি মেনেজিং কমিটিৰ দ্বাৰা দিয়াৰ ব্যৱস্থা আছে। তেতিয়া ল'ৰা-ছোৱালীবিলাকৰ যথেষ্ট উপকাৰ হয়। আমাৰ বিধায়কসকলৰ নিজা সমষ্টিত সমাজ কল্যাণ চেণ্টাৰ আছে সেই আঁচনিৰ দ্বাৰা ৰাজনৈতিক মুনাফা লাভ কৰে। তেওঁলোকে

আমাৰ যিবিলাক আঁচনি আছে সেইবিলাক ৰূপায়ণ কৰিছে নে নাই তাত চকু দিব লাগে। তেতিয়া ভাল ধৰণে সফল ৰূপায়ণ হ'ব। আমাৰ সমস্যাবিলাক সমাধান হ'ব।

মাননীয় অধ্যক্ষ ঃ মই আগতে কৈছো প্ৰশ্নবিলাকৰ লগতে উত্তৰবিলাকো চমু হ'ব লাগে। প্ৰশ্নৰ লগত উত্তৰৰ সম্পৰ্ক থাকিব লাগে।

*** শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে আমাৰ কৰিমগঞ্জ জিলাৰ ৭টা আই চি ডি এচ ত ১ কোটি ৯৬ লাখ টকা এতিয়াও আছে। ইয়াত ৪ কোটি ৩ লাখ টকা আছিল এইটো কিয় এতিয়াও ব্যৱহাৰ হোৱা নাই মই মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো।

*** শ্ৰীঅকণ বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত আমাৰ বিষয়া জইন কৰাৰ লগে লগে কাম আৰম্ভ হ'ব। কৰিমগঞ্জৰ উপায়ুক্তৰ হাতত টকাবিলাক জমা হৈ আছে। আমি আমাৰ আঁচনিবিলাকৰ বিপৰীতে টকাবিলাক ৰিলিজ কৰিব পৰা যাব।

*** শ্ৰীসুশান্ত বৰগোঁহাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে আমাৰ বিষয়াবিলাক চাচপেঞ্চন হৈ থকাৰ কাৰণে কাম বিলাক হোৱা নাই। দ্বিতীয়তে, জানিবলৈ বিচাৰিছো যে অঙ্গনবাদী চেণ্টাৰসমূহত বিষয়া দিব পৰা নাই। কিয়নো ২০১০ চনত ইণ্টাৰভিউ লোৱা লোকসকলৰ এতিয়াও নিযুক্তি হোৱা নাই। ইয়াৰ কিবা ব্যৱস্থা কৰিব নেকি?

---

* Speech not corrected

শ্রীঅকণ বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চি ডি পি ও সকলক ট্রেন্সফাৰ কৰিলে কেতিয়াবা তেওঁলোকে পলম কৈ জইন কৰে। তেওঁলোকে জইন কৰিলে কামৰ অসুবিধা নহ'ব। আৰু নিযুক্তিৰ ক্ষেত্রত কোৰ্টকেছ চলি আছে। ৪২ হেজাৰ কেছৰ ভিতৰত ৩০০ মুকলি কৰি দিছে আৰু ৩০০ পেন্ডিং হৈ আছে। কেছটো নিস্পত্তি হ'লেতো পিছত ব্যৱস্থা গ্রহণ কৰিম।

Mr. Speaker : Now, Starred Question No. 43, Hon'ble Member, Shri Prabin Hazarika.

বিষয় ঃ অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ।

শ্রীপ্রবীণ হাজৰিকাই সুধিছে ঃ

* ৪৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তর্গত Sakomatha I.C.D.S Project & Biswanath I.C.D.S. Project আৰু Sootea I.C.D.S Project ৰ অঙ্গনবাদী কেন্দ্রৰ কিমানটা গৃহ নির্মাণ হ'ল আৰু কিমান গৃহ নির্মাণ কৰিবলৈ বাকী আছে?

(খ) গৃহ নির্মাণৰ ক্ষেত্রত ভূমি নোহোৱা কেন্দ্রসমূহে বহুতো অসুবিধাৰ সন্মুখীন হৈছে বিষয়টো চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্রহণ কৰিবনে?

(গ) বহু অঙ্গনবাদী কেন্দ্রসমূহৰ কমিটিসমূহক নজনোৱাকৈ শিশু খাদ্যৰ ধন হৰলুকী হোৱা দেখা গৈছে বিষয়টো তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) নতুনকৈ কেন্দ্র স্থাপনৰ ক্ষেত্রত যদি ব্যৱস্থা আছে তেন্তে বাদ পৰি থকা অঞ্চলসমূহত অঙ্গনবাদী নতুন কেন্দ্র দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তর্গত চাকুমাখা ICDS Project ত ৭৫ টা বিশ্বনাথ ICDS Project ত ১৫৬ টা আৰু চতিয়া ত ৩০ টা অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ সম্পূর্ণ কৰা হৈছে।

উক্ত প্রকল্পসমূহত ক্রমান্নয়ে ১৪০ টা, ৬৮টা আৰু ২৩১ টা অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ কৰিবলৈ বাকী আছে।

(খ) চৰকাৰ অৱগত নহয়।

(গ) Management কমিটিসমূহে নজনাকৈ Bank ৰ পৰা ধন উলিয়াই ব্যৱহাৰ কৰাৰ তথ্য চৰকাৰৰ হাতত নাই।

(ঘ) নতুন কেন্দ্র স্থাপন সম্পর্কে চৰকাৰৰ ফালৰ পৰা এখন নির্দেশনাৱলী জাৰি কৰা হৈছে।

শ্রীপ্রবীণ হাজৰিকা ঃ অধ্যক্ষ মহোদয়, মই অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণৰ বাবে মন্ত্রী মহোদয়ক প্রশ্ন কৰিছিলো আৰু মন্ত্রী মহোদয়ে উত্তৰো দিছে। ঘৰসমূহ পর্য্যায়ক্রমে নির্মাণ কৰাৰ বাবে মন্ত্রী মহোদয়ে আশ্বাস দিছে। কিন্তু দেখা গৈছে যে অঙ্গনবাদী কেন্দ্রৰ ঘৰবোৰ নির্মাণ নোহোৱাৰ ফলত কেন্দ্রসমূহ য'তে-ততে চলাই থকা হৈছে। গতিকে মন্ত্রী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে এই ঘৰবোৰ নির্মাণ কেতিয়া হ'ব? এই কথাটো জনালে ভাল হয়। ইয়াৰোপৰি যিবোৰ ঘৰ নির্মাণ কৰা হৈছে সেইবোৰ কেন্দ্রীয় চৰকাৰৰ নীতি-নিয়ম অনুসৰি নির্মাণ কৰা হোৱা নাই। ঘৰবোৰ নির্মাণৰ ক্ষেত্রত কোনোবা এজন ঠিকাদাৰে কামটো লৈ অইন এজনক দিছে, সেইজনে আকৌ

আন এজনক দিছে, এনেকুৱাকৈ চাৰি বা পাঁচ নং জনে সেই ঘৰটো নিৰ্মাণ কৰিছে। এনেদৰে ঘৰ নিৰ্মাণ কৰাৰ ফলত তাৰ কোৱালিটি একেবাৰে বেয়া হৈছে। কেৱল ৰঙা ৰং সানি ঘৰটো ভাল দেখা কৰিছে। যদি কামটো জিলা ভিত্তিত দিয়া হয় তেতিয়াহ'লে কামটো ভাল হ'ব। আমি দেখিবলৈ পাইছো যে এই ঘৰবোৰ ইমান নিম্ন কোৱালিটিৰ হৈছে যে, শিশু তাত ল'ৰা-ছোৱালী পঢ়াৰ বাবে বিজ্ঞান সন্মত নহয়। ঘৰৰ মজিয়াবিলাক একেবাৰে সেমেকা। মন্ত্ৰী মহোদয়ে আমাৰ সকলো বিধায়ককে দায়িত্ব দিছে। তৃতীয়তে, অঙ্গনবাদী কেন্দ্ৰৰ স্থাপন কৰিবলৈ আমাক মাটি-বাৰী লাগিব। গ্ৰামাঞ্চলৰ বাবে মাটি পোৱা হৈছে, কিন্তু চহৰাঞ্চলৰ বাবে মাটি পোৱা দিগ্‌দাৰি হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয় অৱগত হয় নে নহয়?

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্ন কৰক। আপোনাৰ মূল প্ৰশ্নটো কি?

শ্ৰীপ্ৰবীণ হাজৰিকা ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য, ৰাণা গোস্বামীয়ে শিশু খাদ্যৰ ওপৰত যিটো প্ৰশ্ন কৰিছিল সেইটোৰ অনুৰূপ প্ৰশ্ন মোৰো আছিল।

শ্ৰীঅকণ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে আমাক যি হিচাপে আমাৰ ঘৰ চেংচন দিছে সেইমতে বনাবলৈ হ'লে আমাৰ বহু বছৰ লাগিব। আমাৰ অসমত ৬৫ হাজাৰ অঙ্গনবাদী কেন্দ্ৰ আছে। ইয়াৰ ভিতৰত আমি প্ৰায় ২৮ হাজাৰ কেন্দ্ৰ বনাবলৈ সক্ষম হৈছো। ভাৰত চৰকাৰে আমাক একেলগে ঘৰবিলাক চেংচন নিদিয়ে। এই ঘৰবিলাকৰ নিৰ্মাণ ২০০৫-০৬ চনৰ প্লেন এণ্ড এষ্টিমেট মতে

বনোৱা হৈছে। ২০০৫-০৬ চনৰ প্লেন অণ্ড এষ্টিমেট মতে এটা ঘৰৰ নির্মাণ ব্যয় ১ লাখ ৭৫ হাজাৰ নির্দ্ধাৰণ কৰা হৈছিল। কিন্তু আজি ২০১১ চনত এইটো বহু সলনি হ'ব। যাৰ কাৰণে ঘৰৰ কোৱালিটি বেয়া হোৱাটো স্বাভাৱিক। আমি ভাৱত চৰকাৰক প্ৰেচাৰ দি আছো, কিন্তু তেওঁলোকে আমাক সেই একেই আধাৰতে ঘৰ চেংচন দি আছে। কেন্দ্ৰ খোলাৰ ক্ষেত্ৰত যদি কৰবাত ঘৰ নাই তেতিয়াহ'লে স্কুল কেম্পাচ, ক্লাৱ, মহিলা সমিতিৰ অফিচ আদিত কেন্দ্ৰ খোলাৰ বাবে আমি নির্দেশ দিছো। অধ্যক্ষ মহোদয়, ঘৰৰ কোৱালিটি বেয়া হোৱা সম্পৰ্কত ক'ব বিচাৰিছো যে আজিৰ দিনত ১ লাখ ৭৫ হাজাৰত এটা ভাল ঘৰ কৰিব নোৱাৰে। সেই কাৰণে আমি ভাৰত চৰকাৰক অনুৰোধ কৰিছো এইটো বঢ়াই ৬ লাখ কৰিব লাগে। তেতিয়াহ'লে নিশ্চয় কোৱালিটি ভাল হ'ব।

মাননীয় অধ্যক্ষ ঃ মোৰ শিৱসাগৰ সমষ্টিতো এটা ঘৰ নির্মাণ কৰাৰ বাবে এজন ঠিকাদাৰে কামটো লয় যদিও শেষত গৈ গৈ পাচ নং ঠিকাদাৰজনেহে কামটো কৰা দেখা যায়।

শ্ৰীঅকণ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কেন্দ্ৰীয়ভাৱে এই কামবোৰ দিয়া হয়। যদি কোনোবা ঠিকাদাৰে লোকেল মানুহ কাৰোবাৰ অনুৰোধত কামটো দি দিয়ে সেইটো আমি ক'ব নোৱাৰো। যদি আমি স্পেচিফিক কিবা কমপ্লেইন পাওঁ তেতিয়াহ'লে সেই ঠিকাদাৰজনক আমি কামৰ পৰা বৰ্খাস্ত কৰিম।

* **শ্রীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৃহনির্মাণৰ ক্ষেত্ৰত মোৰ ক'বলগীয়া নাই। আমাৰ অসমৰ বহুত জেগাত চি, ডি, পি, ও বিলাকৰ অফিছ নাই। প্ৰায়ে মিটিং আদিত গ'লে তেওঁলোকে কৈ থাকে আমাক এটা অফিছ বনাই দিয়ক। আমাৰ বিহপুৰীয়া, নাৰায়নপুৰতো নাই। এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰো যে যি বিলাক ঠাইত চি, ডি, পি, ও ৰ অফিছ নাই সেইবিলাক ঠাইত কার্য্যালয়ৰ ব্যৱস্থা কৰিব নেকি, আৰু কিমান দিনৰ ভিতৰত কৰিব?

শ্রীঅকণ বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন উত্থাপন কৰিছে, অকল তেখেতৰ সমষ্টিতে নহয়, আমাৰ কোনো জিলাতে চি, ডি, পি, ও ৰ কার্য্যালয় নাই। কাৰণ ভাৰত চৰকাৰে ঘৰৰ কাৰণে টকা নিদিয়ে। তেখেতসকলে নির্দেশনা দিছে যে ভাড়া ঘৰতে অফিছ চলাই থাকিব লাগে। ৭০০শ টকা আৰবানৰ বাবে আৰু ৫০০ শ টকা ৰুৰেলৰ বাবে, এই আধাৰতে চলি আহিছে। আমি ডিমান্ড দিছো টকাটো বঢ়াই দিবলৈ। যদি আমাক টকাটো বঢ়াই দিয়ে, তেন্তে আমি ব্যৱস্থা ল'ব পাৰিম।

* **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে তেখেতে ঘৰ বনোৱাৰ ক্ষেত্ৰত বিধায়কসকলৰ পৰা সহাৰি বিচাৰিছিল। এই বিষয়ত তেখেতে এখন পত্ৰও প্ৰেৰণ কৰিছিল। কিন্তু চি, ডি, পি, ও সকলৰ তালৈ গ'লে আমি এই বিষয়ত সহাৰি নাপাওঁ। এই নির্দেশ মন্ত্ৰী মহোদয়ে তেওঁলোকক দিছে নে নাই। মিটিং পাতিলেও আমি নিমন্ত্ৰণ নাপাওঁ

---

* Speech not corrected

আৰু এটা কথা। শিশু খাদ্যৰ বাবে আই, ছি, ডি, এছ ব্লকবিলাকত পইচা দিয়া হয়। ৫৬ হাজাৰকৈ। কিন্তু কিছুমান কেন্দ্রত ৮০ জন শিশু থাকে, কিছুমানত ৪জন থাকে। গতিকে এই ক্ষেত্রত মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা গ্রহণ কৰিব নেকি?

শ্রীঅকণ বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, পদ্ম হাজৰিকাই ঠিকেই কৈছে। আমাৰ চি, ডি, পি, ও সকললৈ কাঢ়া নির্দেশ দিয়া আছে। ভিজিলেন্স কমিটিৰ মিটিং বহুৱাবলৈ। বিধায়কসকল নিজে যিহেতু তাৰ চেয়াৰমেন। গতিকে তেওঁলোকে নিজে মেম্বাৰ চেক্রেটাৰীক মাতি বাধ্য কৰাব লাগে। আৰু যদি এই বিষয়ত কিবা কমপ্লেইন থাকে স্পেচিফিক আমাক জনালে আমি এই ক্ষেত্রত ব্যৱস্থা লম।

* **শ্রীজয়ন্ত মল্ল বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰত চৰকাৰৰ আই, এ, ৱাই ঘৰবিলাক বনাবৰ বাবে ৪৮ হাজাৰ ৫০০ শ টকা দিয়ে আৰু সেই পইচাতে ভাল ঘৰ হৈ যায়। কিন্তু আমাৰ ১ লাখ ৫০ হাজাৰ টকাত ঘৰ নোহোৱাৰ কোনো কাৰণ নাই। ইয়াৰ পৰা এজন ঠিকাদাৰে অর্ডাৰ লৈ যাব, তেওঁ এজনক দিব। এনেকৈ ৫ জনমানে কামটো কৰিব। এটা ঘৰতে ৫ জনে কাম কৰিলে ঘৰৰ কোৱালিটি বেয়া হ'বই। উপায়ুক্তক ডাইৰেক্টলি পইচাটো দি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চি, ডি, পি, ও ই গমেই নাপায় ক'ত ঘৰ হ'ব। গতিকে মন্ত্রী

* Speech not corrected

মহোদয়ে এইটো চাব লাগে।

* **শ্রীঅকণ বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ কথাটো বিবেচনা কৰি চোৱা হ'ব।

Mr. Speaker : Now, Starred Question No. 44, Hon'ble Member, Shri Moinuddin Ahmed.

বিষয় ঃ সমবায় সমিতিৰ কর্মচাৰীৰ সংখ্যা।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

* ৪৪। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ অন্তর্গত সমবায় সমিতিসমূহত কিমান সংখ্যক কর্মচাৰী কর্মৰত হৈ আছে? সমবায় ভিত্তিত পদবী, নাম, ঠিকনা, নিযুক্তিৰ তাৰিখ বিতংভাৱে জনাবনে?

(খ) সমবায় সমিতিসমূহত কর্মৰত ভাৰপ্রাপ্ত সম্পাদক সকলৰ নিযুক্তিৰ ক্ষেত্রত চৰকাৰৰ কি নীতি-নির্দেশনা আছে? অৱসৰপ্রাপ্তৰ কিবা বয়সৰ সীমা আছেনে? যদি আছে কিমান?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ অন্তর্গত গাঁও পঞ্চায়ত সমবায় সমিতিসমূহত মুঠ ১৯ জন কর্মচাৰী কর্মৰত হৈ আছে।

<u>বিতং তথ্য তলত উল্লেখ কৰা হ'লঃ</u>

১) জলেশ্বৰ সমবায় সমিতি লিঃ

* Speech not corrected

নাম	পদবী	নিযুক্তির তারিখ-চন	ঠিকনা
১) আব্দুর নুর	ভারপ্রাপ্ত সম্পাদক	০১-১১-২০০১	গো ঃ জলেশ্বর
২) আব্দুল মালেক	সহকারী সম্পাদক	২০-১১-১৯৯২	গো ঃ জলেশ্বর
৩) চুলতান মামুদ মোল্যা	ঋণ সহকারী	২৭-০২-২০০৬	গো ঃ জলেশ্বর
৪) ফইজল হক	বিক্রিদার	২৭-০২-১৯৯৯	গো ঃ জলেশ্বর
৫) আনোয়ার হুছেইন	চকিদার	০৮-০২-২০০৬	গো ঃ জলেশ্বর

২) গুৰিয়াধাপ সমবায় সমিতি লিঃ

নাম	পদবী	নিযুক্তিৰ তাৰিখ-চন	ঠিকনা
১) জয়নাল আবেদিন	ভাৰপ্রাপ্ত সম্পাদক	০৮-০৪-১৯৯২	পো ঃ গুৰিয়াধাপ
২) নুৰজামান হক	বিক্রিদাৰ	১০-০২-১৯৯৬	পো ঃ গুৰিয়াধাপ
৩) বিৰাজ আলী জোদ্দাৰ	ঋণ সহকাৰী	০৪-০৬-১৯৮৯	পো ঃ গুৰিয়াধাপ
৪) সুৰজ চন্দ্র বর্মণ	পিয়ন	০২-০৫-১৯৮৬	পো ঃ গুৰিয়াধাপ

৩) জয়ৰামকুছি সমবায় সমিতি লিঃ

নাম	পদবী	নিযুক্তিৰ তাৰিখ-চন	ঠিকনা
১) অমৰেন্দ্র ৰাভা	ভাৰপ্রাপ্ত সম্পাদক	০১-০৪-২০১০	সৰকো বাজাৰ
২) সুপ্রীয়া ৰাভা	কার্য্যলয় সহকাৰী	০১-০৪-২০০৯	পানীচালী
৩) গুনৰাম কোচ	পিয়ন	১১-০৫-১৯৮৭	চকেয়াবাৰা
৪) মনোৰঞ্জন হাজং	বিক্রিদাৰ	০১-০১-২০০৯	পানীচালি
৫) চাহানুৰ হুছেইন	ঋণ সহকাৰী	২০১১	গৌৰ নগৰ

৪) টাকিমাৰী সমবায় সমিতি লিঃ

নাম	পদবী	নিযুক্তিৰ তাৰিখ-চন	ঠিকনা
১) অমৰ আলী	ভাৰপ্রাপ্ত সম্পাদক	০৮-০১-২০১০	টাকিমাৰী
২) চুৰমান আলী	পিয়ন	০১-০৭-১৯৭৫	টাকিমাৰী
৩) মইনুদ্দিন ইছলাম	বিক্রিদাৰ	১১-১১-২০১০	টাকিমাৰী
৪) ৰেজাউল ইছলাম	চকিদাৰ	১১-১১-২০১০	টাকিমাৰী
৫) চাহিদুল ইছলাম	স্কেলমেন	১৮-১১-২০১০	টাকিমাৰী

(খ) অসম সমবায় সমিতিসমূহৰ বিধি, 1953 ৰ অনুচ্ছেদ 35 (IV), (V) অনুযায়ী সমবায় সমিতিসমূহত কর্মৰত ভাৰপ্রাপ্ত সম্পাদক আৰু অন্যান্য কর্মচাৰীৰ নিযুক্তি আৰু অৱসৰৰ বয়সৰ ক্ষেত্রত সমিতিখনৰ কার্য্যকৰী কমিটিৰ (Managing Committee) কর্তৃত্ব আছে।

* **শ্রীমইন উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জলেশ্বৰ সমষ্টিৰ অন্তর্গত সমবায় সমিতিসমূহত কিমান সংখ্যক কর্মচাৰী কর্মৰত হৈ আছে। এই কর্মচাৰী সকলৰ অৱসৰৰ দিন ধার্য্য কৰা হোৱা নাই। এই বিষয় চৰকাৰে জনাব নেকি? সমবায় সমিতি সমূহত কর্মৰত ভাৰপ্রাপ্ত সম্পাদক সকলৰ নিযুক্তিৰ ক্ষেত্রত চৰকাৰৰ কি নীতি-নির্দেশনা আছে? অৱসৰ প্রাপ্তিৰ কিবা সময়সীমা আছে নেকি? যদি আছে, আমাক জনাবনে?

* **শ্রীছিদ্দেক আহমেদ ঃ** জলেশ্বৰ সমষ্টিৰ অন্তর্গত গাঁওপঞ্চায়ত সমবায় সমিতি সমূহত মুঠ ১৯ জন কর্মচাৰী কর্মৰত হৈ আছে। অসম সমবায় সমিতিসমূহৰ বিধি, ১৯৫৩ ৰ অনুচ্ছেদ ৩৫ অনুযায়ী সমবায় সমিতিসমূহত কর্মৰত ভাৰপ্রাপ্ত সম্পাদক আৰু অন্যান্য কর্মচাৰী নিযুক্তি আৰু অৱসৰৰ বয়সৰ ক্ষেত্রত সমবায় সমিতিবোৰৰ কার্য্যকৰী কমিটিয়ে নিযুক্তি দিয়ে।

Mr. Speaker : Now, Starred Question No. 45, Hon'ble Member, Shri Jahan Uddin.

---

* Speech not corrected

বিষয় ঃ বজাৰ নিয়ন্ত্রণ সমিতি।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

* ৪৫। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বজাৰ নিয়ন্ত্রণ সমিতিসমূহৰ অন্তর্গত কেইখন তালাচী চকী (বৈধ) আছে? (জিলাভিত্তিত পৃথকে তালিকা দিব)

(খ) নীতি-নির্দেশনা অনুসৰি উক্ত গোটসমূহ ক'ত স্থাপন কৰিব লাগে? (নীতি-নির্দেশনাৰ ক'পিসমূহ সদনত দাখিল কৰিব)

(গ) কিহৰ ভিত্তিত, কি কি সামগ্রীৰ ওপৰত, কিমান হাৰত কৰ সংগ্রহ কৰা হয়? (প্রতি সামগ্রীৰ ওপৰত ধার্য্যিত কৰৰ ওপৰত চৰকাৰে জাৰি কৰা অধিসূচনা/নির্দেশনাসমূহৰ ক'পি দাখিল কৰিব)

(ঘ) বিত্তীয় ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বর্ষত গৌৰীপুৰ বজাৰ নিয়ন্ত্রণ সমিতিয়ে স্থাপিত তালাচী চকীৰ জৰিয়তে কিমান ৰাজহ সংগ্রহ কৰিছিল? (বিতং তথ্য দাখিল কৰিব)

(ঙ) ২০০৯ চনত ছাগলীয়াস্থিত তালাচী চকী সন্দর্ভত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়দানৰ প্রতিলিপিখন দিবনে?

(চ) গৌৰীপুৰ বজাৰ সমিতিৰ জৰিয়তে বিত্তীয় ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বর্ষত ৰূপায়ণ কৰা আঁচনিসমূহৰ বিতং তথ্য সদনত দাখিল কৰিবনে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত নিয়ন্ত্রিত বজাৰ সমিতিৰ অধীনত মুঠ ২৪খন তালাচী চকী আছে। লগতে অসম ৰাজ্যিক কৃষি সামগ্রী বিপণন পৰিষদৰ নিয়ন্ত্রণত২খন তালাচী চকী আছে। (জিলা ভিত্তিত এখন তালিকা (ক) সংলগ্ন কৰা হ'ল) (See Annexure – II)

(খ) অসম কৃষি বিপণন আইন, ১৯৭২ ধাৰা 21 A (1) মর্মে নিয়ন্ত্রিত বজাৰ সমিতিসমূহে নিজ নিজ ঘোষিত এলেকাত প্রয়োজন সাপেক্ষে বিপণন পৰিষদৰ পৰা অনুমতি লৈ তালাচী চকী স্থাপন কৰা ব্যৱস্থা আছে। আনহাতে, উক্ত আইনৰ ধাৰাত 21 A (2) মর্মে বিপণন পৰিষদেও চৰকাৰৰ অনুমতি লৈ প্রয়োজন সাপেক্ষে ঘোষিত এলেকাত সমূহ নিয়ন্ত্রিত বজাৰ সমিতিৰ হৈ কম্পোজিত (Composite) তালাচী চকী তথা কোনো এখন নির্দিষ্ট নিয়ন্ত্রিত বজাৰ সমিতিৰ বাবেও তালাচী চকী স্থাপনৰ ব্যৱস্থা কৰিব পাৰে। (তালাচী চকীৰ তালিকা (খ) আৰু (গ) সংলগ্ন কৰা হ'ল)।

(গ) অসম কৃষি বিপণন আইন ১৯৭২ ৰ ধাৰা 2 (1) (i) ৰ কৃষিজাত সামগ্রীৰ তালিকা (Schedule) ত অন্তর্ভূক্ত সকলো সামগ্রীৰ ওপৰত উক্ত আইনৰ 21 ধাৰা মর্মে শতকৰা ২ টকা হাৰত বজাৰ সমিতিসমূহে উপকৰ সংগ্রহ কৰাৰ ব্যৱস্থা আছে যদিও বর্তমানলৈ শতকৰা ১ টকা হাৰতে উপকৰ সংগ্রহ কৰি থকা হৈছে।

(ঘ) বিত্তীয় ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত গৌৰীপুৰ (ধুবুৰী জিলা) বজাৰ নিয়ন্ত্ৰণ সমিতিৰ তালাচী চকীত ক্ৰমে ২৬,২৬২৬৮.০০, ২৩,৫২,৮৭৩.০০ আৰু ২২,৩৫,৫১৭.০০ টকা উপকৰ সংগ্ৰহ কৰা হয়। সংলগ্ন (ঘ)

(ঙ) ২০০৯ চনত ছাগলীয়াস্থিত তালাচী চকীৰ বাবে মহামাণ্য গুৱাহাটী উচ্চ ন্যায়ালয়ে পৃথককৈ কোনো ৰায়দান কৰা বুলি বিপনন পৰিষদ জ্ঞাত নহয়।

(চ) গৌৰীপুৰ (ধুবুৰী জিলা) নিয়ন্ত্ৰিত বজাৰ সমিতিৰ জৰিয়তে বিত্তীয় বৰ্ষত ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত ৰূপায়ণ কৰা আঁচনি সমূহৰ বিতং তথ্য সংলগ্ন কৰা হ'ল। সংলগ্ন (ঙ) (See Annexure – IV)

* **শ্ৰীজাহান উদ্দিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত গৌৰীপুৰ বজাৰ নিয়ন্ত্ৰণ সমিতিয়ে স্থাপিত তালাচী চকীৰ জৰিয়তে ক্ৰমে ২৬ কোটি, ২৩ কোটি, আৰু ২২ কোটি সংগ্ৰহ হোৱা বুলি কোৱা হৈছে। আচৰিত কথা বিলাসীপাৰাত যিখিনি কৰ্মচাৰী আছে তেওঁলোকে ধুবুৰী জিলাৰ তালাচী চকীসমূহত দৌৰি ফুৰে, সেই হিচাবে ১ কোটি হ'ব লাগিছিল। আজি যিসকল ব্যৱসায় আছে তেওঁলোকৰ পৰা মাহেকত পইচা লয় কিন্তু বস্তু নাহে।

---

* Speech not corrected

২০০৯ চনত ছাগলীয়াস্থিত তালাচী চকী সন্দর্ভত মহামান্য উচ্চ ন্যায়ালয়ে দিয়া ৰায় দানৰ প্ৰতিলিপি আৰু গৌৰীপুৰ বজাৰ সমিতিৰ জৰিয়তে বিত্তীয় ২০০৭-০৮,২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষৰ ৰূপায়ণৰ আঁচনিসমূহৰ বিষয়ে জনাবনে?

* **শ্ৰীনীলমণি সেন ডেকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্ৰী জাহান উদ্দিন ডাঙৰীয়াই কোৱা কথাটো বিচাৰ কৰি চোৱা হ'ব আৰু যদি তেখেতৰ হাতত কিবা তথ্য আছে তেন্তে মোৰ চেম্বাৰত হওক বা মোৰ হাতত দিলেও হ'ব। মাৰ্কেট কি কাৰণে কমি আছে আমি চাম। ২০০১ চনৰ হাইকোৰ্টৰ জাজ্‌মেণ্ট আমাৰ হাতত আছে।

* **শ্ৰীকমল সিং নাৰ্জাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বজাৰ নিয়ন্ত্ৰণ ক্ষেত্ৰত আমাৰ সমবায় সমিতিসমূহৰ কাৰ্য্যত বিজুতি আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিজনীৰখন চেপাৰেটেলি গঠন কৰি দিবৰ কাৰণে মই অনুৰোধ জনাইছো।

* **শ্ৰীনীলমণি সেন ডেকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, কমল সিং নাৰ্জাৰী ডাঙৰীয়াৰ কথাটো গুৰুত্ব সহকাৰে লোৱা হৈছে, আৰু বিজনীৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰীবনেন্দ্ৰ মুছাহাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাত যিখিনি মাৰকেটিং আছে সেইখিনি যাতে ফলদায়ক হয় তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

---

* Speech not corrected

* **শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ কথাটো বিবেচনা কৰি চোৱা হ'ব।

* **শ্রীদুর্লভ চমুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটকাকৈ লৈ আছে এটা হ'ব লাগে।

* **শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০০ চনত এটকাৰ সলনি দুটকা আইন সংশোধন কৰা হৈছে। আমি চার্চিড দিব লাগে, সেই ব্যৱস্থা আমি কৰিম। মাননীয় অধ্যক্ষ মহোদয়, এটকা বা দুটকাৰ কথা নাই।

(Starred Question Nos.46 to 60 could not be taken up for disposal as the questions Hour was over. However, the said question deemed to have been laid on the table of the House with replies hereto.)

বিষয় ঃ বাণিজ্যিক বাহনৰ কৰ।

শ্রীনৰ কুমাৰ দলেই সুধিছে ঃ

* ৪৬। মাননীয় পৰিবহণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত পঞ্জীয়ন কৰা বাণিজ্যিক বাহনৰ ক্ষেত্রত ৰাজ্য চৰকাৰে আৰোপ কৰা কৰ গাঠনি কেনেকুৱা?

(খ) তিনিচকীয়া বাহনৰ বাবে নতুন কৰ গাঠনি ধার্য্য কৰা হৈছে নেকি? যদি হৈছে, বিতংভাৱে জনাব?

(গ) অন্যান্য বাণিজ্যিক বাহন আৰু তিনিচকীয়া বাহনৰ ক্ষেত্রত এনে পৃথক ব্যৱস্থাৰ কাৰণ কি?

---

* Speech not corrected

(ঘ) অন্যান্য বাণিজ্যিক বাহনৰ বাবে এবছৰৰ কৰ আদায়ৰ ব্যৱস্থাৰ বিপৰীতে তিনিচকীয়া বাহনৰ ক্ষেত্ৰত একেলগে ১০ বছৰৰ কৰ আদায় বাধ্যতামূলক কৰাৰ দৰে বৈষম্যমূলক নীতি কিয় গ্ৰহণ কৰা হৈছে?

(ঙ) এই নীতি সংশোধন কৰি সকলো বাণিজ্যিক বাহনৰ বাবে পূৰ্বৰ লেখীয়াকৈ একে কৰ গাঠনি ধাৰ্য্য কৰা হ'ব নেকি?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত পঞ্জীয়ন কৰা বাণিজ্যিক বাহনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে যোৱা চেপ্তেম্বৰ মাহৰ পৰা অসম মটৰ পৰিবহন আইন অনুসৰি নতুন কৰ গাঁঠনি প্ৰযোজ্য কৰিছে। তাৰ সবিশেষ সংশ্লিষ্ট অসম ৰাজপত্ৰত ঘোষণা কৰা অনুসৰি লগত গাঁঠি দিয়া হ'ল। (তালিকা "ক") (See Annexure – V)

(খ) তিনিচকীয়া বাহনৰ বাবে নতুন কৰৰ নিৰিখ ধাৰ্য্য কৰা হৈছে। নতুন কৰৰ নিৰিখ সংলগ্ন কৰি দিয়া হ'ল। (তালিকা "খ") (See Annexure – VI)

(গ) সকলো কৰ, ৰাজহ আদায়ৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্দ্ধাৰণ কৰা হয়। যি ব্যৱস্থা বা নিৰিখ বা ম্যাদৰ প্ৰতি লক্ষ্য ৰাখি সৰ্বোচ্চ কৰ সংগৃহীত হ'ব পাৰে, সেই অনুসাৰেহে কৰৰ অনুচ্ছেদ ধাৰ্য্য কৰা হয়। বাণিজ্যিক আৰু তিনিচকীয়া বাহনৰ ক্ষেত্ৰত পূৰ্বৰ কৰ আদায়ৰ অভিজ্ঞতা আৰু উভয় পক্ষৰ সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে এটা ব্যৱস্থা কৰা হৈছে।

(ঘ) (গ) ত উল্লেখিত অনুসৰি।

(ঙ) বিভিন্ন সস্থাৰ পৰা প্ৰতিবেদন পোৱাৰ পিছত তিনিচকীয়া বাহনৰ বাবে কৰ জমা দিয়াৰ ব্যৱস্থা সংশোধন কৰিব পাৰি নেকি পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে।

বিষয় ঃ অঙ্গনবাদী কেন্দ্ৰৰ সংখ্যা।

শ্ৰীমনোৰঞ্জন দাসে সুধিছে ঃ

* ৪৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পাটাছাৰকুছি সমষ্টিৰ বজালী উন্নয়ন খণ্ড আৰু টিহু মৌজাৰ ICDP ৰ অধীনত কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে? আৰু প্ৰত্যেক অঙ্গনবাদী কেন্দ্ৰৰ বিপৰীতে অঙ্গনবাদী কৰ্মী নিযুক্তি দিয়া হৈছে নেকি?

(খ) এই অঙ্গনবাদী কেন্দ্ৰবিলাকৰ সহায়িকা হিচাবে চৰকাৰে কিমান জনী কামত নিয়োগ কৰাৰ সিদ্ধান্ত লৈছে? ইয়াৰ ভিতৰত ইতিমধ্যে কিমান জনীক নিযুক্তি দিয়া হৈছে।

(গ) অঙ্গনবাদী কৰ্মী সহায়িকা সেই নিৰ্দিষ্ট কেন্দ্ৰটোৰ বাসিন্দা হ'ব লাগে নেকি? যদি হয়, তেনেহ'লে কোন কোন স্থানীয় কৰ্মী সহায়িকাক নিযুক্তি দিয়া হৈছে? তেওঁলোকৰ নাম ঠিকনা জনাবনে?

(ঘ) প্ৰতিটো অঙ্গনবাদী কেন্দ্ৰৰ বিপৰীতে ০ ৰ পৰা ৩ বছৰ, ৩ বছৰৰ পৰা ৬ বছৰলৈ কিমান সংখ্যক শিশু আছে? তেওঁলোকৰ সম্পূৰ্ণ ঠিকনাসহ তালিকা জনাবনে?

(ঙ) অঙ্গনবাদী কেন্দ্ৰসমূহৰ কৰ্মীয়ে নিজৰ ব্যক্তিগত ঘৰত তেওঁলোকৰ কাৰ্য্যসূচী ৰূপায়ণ কৰিব পাৰে নেকি? যদি পাৰে কেনেকৈ?

(চ) প্রতি অঙ্গনবাদী কেন্দ্রৰ বিপৰীতে সর্বনিম্ন কিমান শিশু থাকিব লাগে? ইয়াৰ কিবা নিয়ম আছে নেকি?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পাটাছাৰকুছি সমষ্টিৰ অন্তর্গত বজালী সংহত শিশু উন্নয়ণ প্রকল্পত ৪১৪ টা অঙ্গনবাদী কেন্দ্র ২২৭ টা মিনি অঙ্গনবাদী কেন্দ্র আৰু টিহু সংহত শিশু উন্নয়ন প্রকল্পত ৪৫ টা অঙ্গনবাদী কেন্দ্রৰ অনুমোদন হৈছে। ইয়াৰে বজালী প্রকল্পৰ ৩৬৫ টা অঙ্গনবাদী কেন্দ্রত অঙ্গনবাদী কর্মী আৰু ২১০ টা মিনি অঙ্গনবাদী কেন্দ্রত অঙ্গনবাদী কর্মী নিযুক্তি দিয়া হৈছে। আনহাতে, টিহু প্রকল্পত ৪৪ টা কেন্দ্রত অঙ্গনবাদী কর্মী নিযুক্তি দিয়া হৈছে।

(খ) বজালী প্রকল্পত ৪১৪ গৰাকী সহায়িকা নিযোগ কৰা সিদ্ধান্ত লোৱা হৈছে যদিও ইতিমধ্যে এই প্রকল্পত ৩৬৫ গৰাকীক সহায়িকা হিচাবে নিযুক্তি দিয়া হৈছে। আনহাতে, টিহু প্রকল্পত ৪৫ গৰাকীক সহায়িকা হিচাবে নিযুক্তি দিয়া হৈছে।

(গ) হয়, হ'ব লাগে। অঙ্গনবাদী কর্মী সহায়িকা আৰু মিনি অঙ্গনবাদী কেন্দ্রৰ কর্মীৰ নাম ঠিকনাৰ তালিকা প্রকল্প ভিত্তিত সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) প্রতি কেন্দ্রৰ বিপৰতে থকা শিশুৰ সংখ্যাৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(ঙ) অনুমোদন সাপেক্ষে ৰাজহুৱা স্থানৰ অভাৱত কর্মীয়ে নিজৰ ঘৰত সাময়িকভাৱে চলাব পাৰে।

(চ) প্ৰতি কেন্দ্ৰ এলেকাৰ বিভাগীয় জৰীপ অনুসৰি ০-৬ বছৰৰ সকলো শিশুৱে সুবিধা গ্ৰহণ কৰিব পাৰে।

বিষয় ঃ কৃষক কল্যাণ আঁচনি।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

* ৪৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোন কোন আঁচনিৰ অধীনত কিমান ৰেহাই মূল্যত কৃষকসকলক ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু পাৱাৰ পাম্প বিতৰণ কৰা হয়? চলিত বছৰত বিভিন্ন আঁচনিৰ অধীনত নগাঁও আৰু মৰিগাঁও জিলাত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ লাভ কৰা হিতাধিকাৰী সকলৰ নামৰ তালিকা সদনত দাখিল কৰিবনে?

(খ) কৃষি বিভাগৰ প্ৰতিটো আঁচনিৰ বিপৰীতে সংশ্লিষ্ট আঁচনি ৰূপায়ণৰ বাবে প্ৰস্তুত কৰা বিভাগীয় নীতি-নিৰ্দেশনা বা গাইডলাইনৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে?

(গ) ধান আৰু মৰাপাটৰ বৰ্তমান বজাৰ মূল্য অসমৰ কোন ঠাইত কিমান? (বিতংকৈ জনাব)

(ঘ) কৃষকৰ উৎপাদিত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঙ) RKVY আঁচনিসমূহ ৰূপায়ণৰ সবিশেষ গাইডলাইন সদনত দাখিল কৰিবনে?

শ্রী নীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিভিন্ন আঁচনিৰ অধীনত কৃষকসকলক বিতৰণ কৰা ট্রেক্টৰ, পাৱাৰ টিলাৰ আৰু পাৱাৰ পাম্প আদিৰ কৃষকক আৱণ্টন দিয়া ৰেহাই মূল্য আঁচনিৰ বিপৰীতে তলত উল্লেখ কৰা হ'ল।

ক্রঃনং	আঁচনিৰ নাম		ৰেহাই মূল্য
১)	এগ্রিকালচাৰ মেকানাইজেচন আঁচনি ট্রেক্টৰ বিতৰণ কৃষি যান্ত্রিকীকৰণ আঁচনি	৫০%	(সর্বোচ্চ Rotovator ২,৬৩,৮৫৪/- টকা Harrow ২,৫০,১৬৭)
২)	অসম বিকাশ যোজনা আঁচনিত পাৱাৰ টিলাৰ বিতৰণ	৭৫%	(সর্বোচ্চ ১,১২,৫০০)
৩)	ক্ষুদ্র আৰু উপায়ন্ত খেতিয়কলৈ পাৱাৰ টিলাৰ বিতৰণ	৭৫%	(সর্বোচ্চ ১,১২,৫০০)
৪)	মহিলা কল্যাণ আঁচনিৰ অধীনত ট্রেক্টৰ বিতৰণ	৭৫%	(সর্বোচ্চ Harrow ৩,৭৫,২৫০/- টকা Rotovator ৩,৯৫,৭৮৬/-
৫)	এ, এ, চি, পি আঁচনিত ট্রেক্টৰ বিতৰণ (অসম কৃষি সামর্থ্যবৰ্দ্ধন আঁচনি)	৩০%	৩০% A Tractor Brand

৬) এ, এ, চি, পি আঁচনিত
পাৱাৰ পাম্প বিতৰণ (অসম কৃষি সামর্থ্যবদ্ধন আঁচনি) ৫০% of Brand of Pump

৭) আৰ, কে, ভি, বাই, আঁচনিত
(ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা) ৫০% of Brand of P/Tiller
পাৱাৰ টিলাৰ বিতৰণ)

৮) আৰ, কে, ভি, বাই, আঁচনিত
(ৰাষ্ট্রীয় বিকাশ যোজনা) ৬০% (সর্বোচ্চ ১৭,১০০/-)
S.T.W. (Electrical)

৯) আৰ, কে, ভি, বাই, আঁচনিত
(ৰাষ্ট্রীয় বিকাশ যোজনা) ৬০% (সর্বোচ্চ ২০,৪০০/-)
S.T.W. (Dicocl)

১০) আৰ, কে, ভি, আই, আঁচনিত
LLP (Disel) ৬০% (সর্বোচ্চ ১৫,০০০/-)
LLP (Electrical) ১২,৬০০/-)

চলিত বছৰত নগাঁও জিলা আৰু মৰিগাঁও জিলাত বিভিন্ন আঁচনিত ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ লাভ কৰা হিতাধিকাৰী সকলৰ নামৰ তালিকা See Annexure – (A)তNowgong (B) ত (Morigaon) সংলগ্ন কৰি দিয়া হ'ল।

(খ) প্রতিটো আঁচনিৰ বিপৰীতে সংশ্লিষ্ট আঁচনি ৰূপায়ণৰ বাবে প্ৰস্তুত কৰা বিভাগীয় নীতি-নিয়মৰ নির্দেশনা বা Guidelineৰ প্রতিলিপি Annexur - 2-3 (i)...viii) দাখিল কৰা হ'ল।

(গ) ধান আৰু মৰাপাটৰ বর্তমান স্থানীয় বজাৰ মূল্য তলত উল্লেখ কৰা হ'ল—

(নৱেম্বৰ ২০১১ মতে) বজাৰৰ নাম	মূল্য প্রতি কুইণ্টলত ধান উন্নত	সাধাৰণ	মৰাপাট (W-5)
১) বকো	৯০০/-	৬৫০	১৮৫০/-
২) ৰঙিয়া	৮৫০/-	৬৫০	১৮৫০/-
৩) মঙ্গলদৈ	৮৫০/-	৬৫০	১৭৫০/-
৪) নলবাৰী	৭৫০/-	৬৫০	১৫০০/-
৫) হাউলী	৮৫০/-	৭৫০	১৪৫০/-
৬) টিহু	৯৫০/-	৮৫০	—
৭) ধেমাজী	৮২৫/-	—	—
৮) ধুবুৰী	৮৫০/-	৭৫০	—
৯) গোৱালপাৰা	৯৫০/-	৭০০	১৭৫০/-

(নৱেম্বৰ ২০১১ মতে) বজাৰৰ নাম	মূল্য প্ৰতি কুইণ্টলত ধান উন্নত	সাধাৰণ	মৰাপাট (W-5)
১০) মৰিগাঁও	৭০০/-(শালি)	৬২৫ (বৰো)	১৭৫০/-
১১) যোৰহাট	৯৫০/-	৭৫০	—
১২) ডিব্ৰুগড়	১০০০/-	৯০০	—
১৩) তেজপুৰ	৭০০/-	৬০০	—
১৪) বঙ্গাইগাঁও	৯০০/-	৮২৫/-	—
১৫) লক্ষীমপুৰ	৬৫০/-	৫০০/-	—
১৬) কৰিমগঞ্জ	৮০০/-	৭০০/-	—
১৭) শিলচৰ	৮৫০/-	৭০০/-	—
১৮) শিৱসাগৰ	৭৮০/-	৬০০/-	—
১৯) নগাঁৰ	১০০০/-	৯০০/-	—

(ঘ) উৎপাদিত সামগ্ৰীৰ বৰ্তমান চলি থকা বজাৰ মূল্যতকৈ অধিক ও উচিত মূল্য কৃষকসকলে যাতে পাব পাৰে তাৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

(১) ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা নিম্নতম সমৰ্থন মূল্য (MSP) প্ৰতি কুইণ্টলত ১০৮০.০০ টকা (সাধাৰণ ধান) আৰু ১১১০.০০

টকা (গ্রড- এধান) হিচাবে ক্রয় কৰাৰ ব্যৱস্থা কৰা হৈছে। চলিত বৰ্ষত ১৩ টা স্থানত ধান ক্রয়ৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। ৰাজ্যৰ আন স্থানটো ধান ক্রয়ৰ ব্যৱস্থা কৰিবলৈ ভাৰতীয় খাদ্য নিগমৰ ওচৰত হেঁচা প্রয়োগ কৰা হৈছে।

(২) মৰাপাটৰ নিম্নতম সমর্থন মূল্য (MSP) প্রতি কুইণ্টলত ১৬৭৫.০০ টকাৰ পৰা ২৪০০.০০ টকালৈ বৃদ্ধিৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত আর্জি পঠিওৱা হৈছে।

(৩) কৃষি বিভাগৰ বাণিজ্য শাখাৰ জৰিয়তে কৃষকগোট গঠন কৰি তেওঁলোকৰ দ্বাৰা উৎপাদিত সামগ্রীৰ প্রত্যক্ষভাৱে বিক্রীৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্রত পৰিবহণৰ ৰাজ সাহায্যৰ ব্যৱস্থা কৰা হৈছে।

(ঙ) RKVY আঁচনিসমূহ ৰূপায়ণৰ Guideline Annexure 2 (i) 3 (ii) ত গাঁঠি দিয়া হ'ল।

বিষয় ঃ বিকলাঙ্গ সকলৰ কাৰণে আঁচনি।

শ্রীৰফিকুল ইছলামে সুধিছে ঃ

* ৪৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা জিলাত মুঠ কিমান সংখ্যক পঞ্জীয়নভুক্ত বিকলাঙ্গ আছে?

(খ) জনীয়া সমষ্টিত মুঠ কিমান সংখ্যক পঞ্জীয়নভুক্ত বিকলাঙ্গ আছে? (হিতাধিকাৰীৰ নামৰ তালিকা দাখিল কৰিব)

(গ) সমাজ কল্যাণ বিভাগে বিগত ২০০৫-০৬ বর্ষৰ পৰা চলিত বর্ষলৈকে বিকলাঙ্গ সকলৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰিছে?

(ঘ) উক্ত আঁচনিৰ দ্বাৰা জনীয়া সমষ্টিত মুঠ কিমানজন বিকলাঙ্গ উপকৃত হৈছে? (আঁচনিৰ লগতে হিতাধিকাৰীৰ নামৰ তালিকা দাখিল কৰিব)

(ঙ) আগন্তুক বিত্তীয় বর্ষত জনীয়া সমষ্টিৰ বিকলাঙ্গ সকলৰ বাবে কি নতুন আঁচনি ৰূপায়ণ কৰা হ'ব আৰু ইয়াৰ বাবে মুঠ কিমান টকা আৱণ্টন দিয়া হ'ব।

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাত এই পর্য্যন্ত ৫০৬৪ জন বিকলাঙ্গ লোকক পঞ্জীভুক্ত কৰি অক্ষমতাৰ প্রমাণ-পত্র প্রদান কৰা হৈছে।

(খ) জনীয়া সমষ্টিৰ অন্তর্গত ৰূপসী আৰু মন্দিয়া উন্নয়ন খণ্ডৰ মুঠ ১১৮৪ জন লোকক পঞ্জীয়নভুক্ত কৰি অক্ষমতাৰ প্রমাণ-পত্র দাখিল কৰা হৈছে। পঞ্জীয়নভুক্ত লোকৰ নামৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(গ) সমাজ কল্যাণ বিভাগে বিগত ২০০৫-০৬ বর্ষৰ পৰা গ্রহণ কৰা আঁচনি সমূহৰ সবিশেষ 'খ' তালিকাত গাঁঠি দিয়া হ'ল।

(See Annexure– VI)

(ঘ) বিকলাঙ্গ সকলৰ বাবে গ্রহণ কৰা আঁচনি "নিবনুৱা ভাট্টা"ৰ অধীনত ১৩ জনে নিবনুৱা ভাট্টা আৰু শাৰিৰীকভাৱে অক্ষম জলপানি

শিতানত ১৮ জনে জলপানি লাভ কৰিছে। হিতাধিকাৰী নাম 'গ' তালিকাত গাঁঠি দিয়া হ'ল। (See Annexure– VII)

(ঙ) সমষ্টি ভিত্তিক কোনো বিকলাঙ্গ সকলৰ বাবে আঁচনি সমাজ কল্যাণ বিভাগে গ্ৰহণ কৰা নাই। এই শিতানত যিকোনো আঁচনিৰ বাবে নির্দ্ধাৰিত পুঁজিৰ আৱণ্টন জিলা ভিত্তিহে কৰা হয়।

বিষয় ঃ বীজ, ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

* ৫০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ৰবি শস্যৰ বাবে কৃষকক বীজ যোগানকে ধৰি কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) এই আঁচনিৰ শোণিতপুৰ জিলাৰ বাবে ২০০৬ চনৰ পৰা বৰ্তমানলৈ কিমান কিমান কি কি বীজ আৱণ্টন দিয়া হৈছে? (উন্নয়ন খণ্ড অনুযায়ী আঁচনিৰ নাম, টকাৰ পৰিমাণসহ বিতং তথ্য দিব)

(গ) ২০০৬ চনৰ পৰা বৰ্তমানলৈ কৃষি বিভাগে শোণিতপুৰ জিলাত কিমানখন ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ ৰেহাই মূল্যত দিছে? (হিতাধিকাৰীৰ নাম বৰ্ষসহ বিতং তথ্য দিব)

(ঘ) ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ চতিয়া সমষ্টিৰ বাবে কৃষি বিভাগৰ পৰা বৰ্তমান বৰ্ষৰ বাবে ৰেহাই মূল্যত কিমানখন যোগান ধৰা হ'ব? এই আঁচনিত কিমান অংশ ৰেহাই পাব আৰু হিতাধিকাৰী সকলক নির্বাচন কৰাৰ ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে ৰবি শস্যৰ বাবে কৃষকক বীজ যোগান ধৰি তলত উল্লেখ কৰা আঁচনিসমূহ গ্রহণ কৰিছে।

(১) মুখ্যমন্ত্রীৰ অধিক শাক-পাচলি উৎপাদন আঁচনি।

(২) ৰাষ্ট্রীয় কৃষি সম্প্রসাৰণ প্রকল্প III (ৰাজ্যিক আঁচনি)

(৩) দুর্য্যোগ ব্যৱস্থাপনা আঁচনি। (ৰাজ্যিক আঁচনি)

(৪) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা।

(৫) পূৰ্ব ভাৰতত সেউজ বিপ্লৱ সূচনা।

(৬) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আঁচনি।

(খ) শোণিতপুৰ জিলাৰ বাবে ২০০৬ চনৰ পৰা বর্তমানলৈকে বিভিন্ন আঁচনিত আৱণ্টিত আৰু ধনৰ পৰিমাণ তালিকা 'ক' ত গাঁঠি দিয়া হ'ল।

(গ) ২০০৬ বর্ষৰ পৰা বর্তমানলৈকে কৃষি বিভাগে বিভিন্ন আঁচনিৰ যোগেদি ১৬৭ খন ট্রেক্টৰ আৰু ৩৯২ খন পাৱাৰ টিলাৰ শোণিতপুৰ জিলাত ৰেহাই মূল্যত যোগান ধৰিছে। বর্ষ ভিত্তিক হিতাধিকাৰীৰ নাম সদনৰ মজিয়াত তালিকা 'খ'ত দাখিল কৰা হল।

(ঘ) বর্তমান ২০১১-১২ বর্ষৰ বাবে AACP (অসম কৃষি সামর্থবদ্ধক প্রকল্প) আঁচনিৰ যোগেদি চতিয়া সমষ্টিৰ বাবে ৯ খন ট্রেক্টৰ হিতাধিকাৰী সকলৰ মাজত ৩০% ৰেহাই মূল্যত বিতৰণৰ বাবে নির্বাচিত কৰা হৈছে।

হিতাধিকাৰী সকলৰ নিৰ্বাচন কৰাৰ বাবে বিভাগে নিৰ্দ্ধাৰণ কৰি দিয়া নিয়মাৱলী সম্বলিত AACP Guideline তালিকা 'গ'ত দিয়া হ'ল।

বৰ্তমানে চতিয়া সমষ্টিত Power Tiller বিতৰণৰ বাবে হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ কৰা হোৱা নাই।

বিষয় ঃ কৃষি (RKVY আঁচনিৰ বৈদ্যুতিক মটৰ বিতৰণ।)

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

* ৫১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৯-১০ আৰু ২০১০-১১ চনত RKVY আঁচনিৰ জৰিয়তে পানী যোগানৰ বাবে কোন কোন জিলাত কিমানখন বৈদ্যুতিক মটৰ আঁচনি বিতৰণ কৰা হৈছে জনাবনে? (জিলা ভিত্তিত সংখ্যা জনাব)

(খ) ধুবুৰী মহকুমাৰ অধীনত কিমাজন হিতাধিকাৰীৰ মাজত এই বৈদ্যুতিক মটৰ বিতৰণ কৰা হৈছে জনাবনে? (২৪ নং গৌৰীপুৰ সমষ্টিৰ হিতাধিকাৰী সকলৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(গ) হিতাধিকাৰী সকলৰ নাম কি প্ৰক্ৰিয়াৰ দ্বাৰা বাছনি কৰা হৈছিল?

(ঘ) উক্ত আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত বিদ্যুৎ বিভাগে বৈদ্যুতিক সংযোজন দিব নোৱাৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০৯-১০ আৰু ২০১০-১১ চনত RKVY আঁচনিৰ জৰিয়তে পানী যোগানৰ বাবে কোন কোন জিলাত কিমানখন বৈদ্যুতিক মটৰৰ ব্যৱস্থা কৰা হৈছে। জিলাভিত্তিক বিতৰণৰ তালিকা Annexure-১ সদনত দিয়া হ'ল। (See Annexure – VIII)

(খ) ধুবুৰী মহকুমাৰ অধীনত বিতৰণ কৰা বৈদ্যুতিক মটৰৰ হিতাধিকাৰী L.L.P - ২৪১ জন আৰু STW - ৩৪০ জন ২৪ নং গৌৰীপুৰ সমষ্টিৰ হিতাধিকাৰী সকলৰ তালিকা Annexure-২ ত সদনত দিয়া হ'ল। (See Annexure – VIII)

(গ) বাছনি প্রক্রিয়াৰ নীতিসমূহ Annexure-৩ ত সদনত দিয়া হ'ল। (See Annexure – VIII)

(ঘ) অৱগত নহয়।

বিষয় ঃ সমবায় বিশ্ববিদ্যালয় স্থাপন আৰু উন্নয়ন সমিতিত সদস্য অন্তভুক্ত।

শ্রীশৰৎ শইকীয়াই সুধিছে ঃ

* ৫২। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সমবায় বিভাগে শিৱসাগৰ জিলাত প্রস্তাৱিত সমবায় বিশ্ববিদ্যালয়খনৰ উন্নয়ন সমিতিত জিলাখনৰ বিধায়ক সকলক সদস্য হিচাবে অন্তর্ভুক্ত কৰা হৈছেনে?

(খ) ৰাজ্যৰ সমবায় সমিতি সমূহক চৰকাৰৰ ফালৰ পৰা দিয়া বয়বস্তু সমূহক থবলৈ এটাকৈ গুদামঘৰ বনাবলৈ বাজেটত ধন ধার্য্য কৰিছে নেকি? যদি কৰা হোৱা নাই আগন্তুক বাজেটত ধন ধার্য্য কৰিবলৈ চৰকাৰে উদ্যোগ ল'বনে?

(গ) সমবায় বিভাগৰ অধীনত ৰাজ্যখনত যিবিলাক সমবায় প্রতিষ্ঠান আছে সেই প্রতিষ্ঠানসমূহ বর্তমানে কেনে অৱস্থান উপনীত হৈ আছে জনাবনে? উক্ত প্রতিষ্ঠানসমূহৰ বিশদ তালিকা মাননীয় সদস্যসকলক দিবনে?

(ঘ) সমবায় বিভাগৰ অধীনত থকা কিমান প্রতিষ্ঠান বন্ধ হৈ আছে জনাবনে?

(ঙ) উক্ত প্রতিষ্ঠান সমূহক কার্য্যনির্বাহ কৰা কর্মচাৰীসকলৰ দা-দৰমহা কিমান আৰু বর্তমানে কেনে পর্য্যায়ত আছে বিতংভাৱে জনাবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রস্তাৱিত সমবায় বিশ্ববিদ্যালয়খন স্থাপনৰ বাবে প্রনয়ণ কৰা অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয় আইন, ২০১০ত "উন্নয়ন সমিতি" ৰ কোনো ব্যৱস্থা নাই।

(খ) ৰাজ্যৰ বিভিন্ন সমবায় সমিতি সমূহৰ সৱলীকৰণৰ বাবে বর্তমানৰ বাজেটত কিছু পৰিমাণৰ ধন ধার্য্য কৰা হৈছে। সমবায় সমিতিসমূহ স্বায়ত্ত শাসিত বাণিজ্যিক অনুষ্ঠান হোৱাৰ বাবে গুদামঘৰ নির্মাণৰ

আঁচনি নিজাববীয়াকৈ গ্রহণ কৰিব পাৰে। তাৰোপৰি বিভিন্ন বিত্তীয় প্রতিষ্ঠানৰ পৰা এই ক্ষেত্রত ঋণ দিয়াৰ ব্যৱস্থা আছে। আগন্তুক বাজেটত এই ক্ষেত্রত ধন ধার্য্য কৰাৰ বাবে চৰকাৰে সময়মতে বিবেচনা কৰি চাব।

(গ) ৰাজ্যখনত সমবায় বিভাগত পঞ্জীয়নভুক্ত বর্তমান ৭৫৬০ খন সমবায় সমিতি আছে আৰু এই সমবায় সমিতিসমূহ কম-বেছি পৰিমাণে সক্রিয় হৈ আছে। সমবায় সমিতি সমূহৰ পঞ্জীয়কৰ পৰা পোৱা ৪৮৯৪ খন সমবায় সমিতিৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure – IX) বাকী থকা সমিতিৰ নামসহ তালিকা দিবলৈ সমবায় সমিতি সমূহৰ পঞ্জীয়কক নির্দেশ দিয়া হৈছে।

(ঘ) সমবায় বিভাগৰ অধীনত থকা মুঠ ৫ (পাঁচ)টা নিম্নোলিখিত প্রতিষ্ঠান চৰকাৰে বন্ধ ঘোষণা কৰিছে ও অবসায়ক (Liquidator) নিযুক্তি দিছে।

(১) শ্বহীদ কুশল কোঁৱৰ সমবায় সূতা কল, গোলাঘাট।

(২) কামপুৰ সমবায় চেনি কল লিমিটেড।

(৩) অসম সমবায় স্পিনিম মিল লিমিটেড, বইটামাৰী।

(৪) অসম ৰাজ্যিক সমবায় বেচা-কিনা নিগম (ষ্টেটফেড)

(৫) অসম সমবায় চেনী কল লিমিটেড, বৰুৱা বামুন গাঁও।

(ঙ) উপৰোক্ত প্ৰতিষ্ঠান সমূহৰ কৰ্মচাৰীসকলৰ দা-দৰমহা তথা বকেয়া ধন আদিকে ধৰি যাৱতীয় দেয় প্ৰদানৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইতিমধ্যে আৰু Statfed আৰু অসম সমবায় চেনী কল লিমিটেডৰ কৰ্মচাৰী সকলৰ বকেয়া ধন পৰিশোধ কৰি থকা হৈছে।

বাকী প্ৰতিষ্ঠান সমূহৰ কৰ্মচাৰীৰ দা-দৰমহাৰ পৰিশোধৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু এই ক্ষেত্ৰত বকেয়া ধনৰ পৰিমাণ তলত দিয়া ধৰণৰ —

(১) কামপুৰ সমবায় চেনি কল লিমিটেড - ১৪৮০.০০ লাখ (আনু)

(২) শ্বহীদ কুশল কোঁৱৰ সমবায় সূতা কল, লিমিটেড গোলাঘাট - ২৪৫০.০০ লাখ (আনু)

(৩) অসম সমবায় সূতা কল, লিমিটেড, বইটামাৰী - ১০১৩.০০ লাখ (আনু)

বিষয় ঃ টুৰিষ্ট ডেষ্টিনেচন।

ডাঃ দুৰ্লভ চন্দ্ৰ চমু�ৱাই সুধিছে ঃ

* ৫৩. মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-২০১২ বিত্তীয় বৰ্ষৰ বাবে কিমান ধন Tourist Destination শিতানৰ বাবে আৱণ্টন দিয়া হৈছে?

(খ) এই শিতানৰ ধনেৰে কোন কোন ঠাই Tourist Destination ৰূপে উন্নয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) চৰকাৰ জ্ঞাতনে যোৱা ২০-১০-১১ তাৰিখে প্ৰশ্নকৰ্ত্তাৰ এক পত্ৰ যোগে পত্ৰ নং MLA/NGS/2011-45 পৰ্য্যটনৰ অধ্যক্ষ সচিব নগাঁও সদৰ সমষ্টিৰ ইতিহাস প্ৰসিদ্ধ ৰণথলি সোণাৰী গাঁওক Tourist Destination আঁচনিৰ অধীনত গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছিল?

(ঘ) যদি জ্ঞাত, তেন্তে ৰণথলি সোণাৰী গাঁওক Tourist Destination আঁচনিৰ অধীনত সামৰি ল'ব নেকি?

(ঙ) যদি নলয়, কিয় নলয় সদনৰ মজিয়াত জনাব?

শ্ৰীচন্দন ব্ৰহ্ম (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষত টুৰিষ্ট ডেষ্টিনেচন শিতানত এই পৰ্য্যন্ত কোনো ধন আৱণ্টিত কৰা হোৱা নাই।

(খ) টুৰিষ্ট ডেষ্টিনেচন শিতানত তলত উল্লেখ ঠাই সমূহত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল — (১) Heritage and Eco-Tourism Resort at Majuli (2002-03) (২) Integrated Complex at Agratali, Kaziranga (2003-04) (৩) Destination Development of Brahmaputra River Front and Cruise Vessel on Brahmaputra (2006-07) (৪) Destination Development of Sivasagar (2006-07) (৫) Destination Development of Bank

of River Bahmaputra (2008-09) (৬) Destination Development of Haflong N.C. Hills along with Heliport in Assam (2010-11) (৭) Development of Tourist Destination of Samaguri Lake in Nagaon District (2010-11).

(গ) হয়, এই বিভাগ জ্ঞাত।

(ঘ) এই বিষয়ত পৰীক্ষা কৰি থকা হৈছে।

(ঙ) প্রযোজ্য নহয়।

Sub : Total No. of ASTC Buses.

Shri Abdur Rahman Ajmal Asked :

* 54. Will the Minister of Transport be pleased to state :

(a) What is the total number of buses flying under ASTC (Constituency-wise break up of such numbers may be shown).

(b) How many numbers of such buses have been allotted for South Salmara Constituency?

(c) If not, then when will the Govt. planning to provide such service for the people of South Salmara Constituency?

Sri Chandan Brahma (Minister of Transport Department) replied :

(a) At present there are 1863 nos. of buses are plying on road out of which 574 nos. are ASTC's own buses and remaining 1289 nos. are Public Owned Buses (POB) running under ASTC. (Constituency-wise break-up is enclosed at "Annexure-A" (See Annexure – X)

(b) Generally allotment of buses are made routewise and not constituency wise. However, 2 nos. of under ASTC buses are running from Guwahati to Fakirganj which is in South Salmara constituency and another 31 nos. of under ASTC buses from Guwahati and Goalpara are touching South Salmara constituency daily. These buses are running from Machkhowa Station of Guwahati.

(c) Doesn't arise.

বিষয় ঃ "সীমান্ত উন্নয়নৰ বাবে আঁচনি গ্ৰহণ।"

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

* ৫৫। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ আন্তঃৰাজ্যিক সীমান্ত উন্নয়নৰ বাবে কি কি আঁচনি গ্রহণ কৰা হৈছে?

(খ) এই আঁচনি সমূহ কোন কোন জিলাৰ কোন কোন ৰাজহ চক্রৰ অন্তর্গত আৰু প্রতিখন আঁচনিৰ বিপৰীতে কিমান ধন ধার্য্য কৰা হৈছে? (বিতং তথ্য দিব)

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল ৰাজ্যিক (স্বতন্ত্র) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম বিকাশ যোজনা, Specific fund, DCP আৰু Repair/ renovation of BOP ৰ জৰিয়তে ৰাস্তা-ঘাট, দলং নির্মাণ, পানীযোগান, বিজুলীযোগান, BOP মেৰামতি, সমূহীয়া গৃহ নির্মাণ, স্কুল-কলেজৰ মেৰামতি আৰু গৃহ নির্মাণ, কুৱা খন্দা, চাৰিসীমাৰ বেৰ নির্মাণ, জলসিঞ্চন আঁচনি আদি বিভিন্ন উন্নয়নমূলক আঁচনি গ্রহণ কৰা হৈছে।

(খ) এই আঁচনিসমূহ কামৰূপ, কামৰূপ (মহানগৰ), গোৱালপাৰা, শোণিতপুৰ, ওদালগুৰি, লক্ষীমপুৰ, ধেমাজী, তিনিচুকীয়া, ডিব্রুগড়, শিৱসাগৰ, যোৰহাট, কার্বি-আংলং, ডিমাহাছাও, কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, মৰিগাঁও, গোলাঘাট আৰু ধুবুৰী জিলাৰ অন্তর্গত আন্তঃৰাজ্যিক সীমান্ত অঞ্চলবোৰৰ উন্নয়নৰ বাবে লোৱা হৈছে।

জিলা আৰু ৰাজহচক্ৰ ভিত্তিত আঁচনিৰ তালিকা, লগতে ধাৰ্য্য কৰা ধনৰ পৰিমাণ পৰিশিষ্ট 'ক'ত দিয়া হ'ল।

(See Annexure–XI)

বিষয় ঃ Check Gate ৰ ৰাজহ।

শ্রীফনীভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ৫৬। মাননীয় পৰিবহণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০১১ চনৰ ৩১ মার্চলৈ শ্রীৰামপুৰ আৰু বক্সিৰহাট Check Gate য়েদি কিমানখন গাড়ী বহিঃ ৰাজ্যৰ পৰা আমাৰ ৰাজ্যখনলৈ প্ৰৱেশ কৰিছে। (চন হিচাবত গাড়ীৰ হিচাপ দাখিল কৰিব)

(খ) উক্ত সময়ছোৱাত পৰিবহণ বিভাগৰ দ্বাৰা শ্রীৰামপুৰ আৰু বক্সিৰহাট Check Gate দুখনৰ পৰা ৰাজ্য চৰকাৰে কিমান টকা ৰাজহ সংগ্রহ কৰিছে? (বছৰৰ হিচাপত তথ্য দাখিল কৰিব)

(গ) গাড়ীৰ সংখ্যাৰ সমানুপাতিক ৰাজহ সংগ্রহ হৈছেনে?

(ঘ) যদি হোৱা নাই, কাৰণসমূহ কি?

শ্রীচন্দন ব্রহ্ম (পৰিবহণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০১১ চনৰ ৩১ মার্চলৈ শ্রীৰামপুৰ Check Gate য়েদি সৰ্বমুঠ ১২,৬৮,৮৫৬ খন আৰু বক্সিৰহাট Check Gate য়েদি ১৬,৭৭,৯৪০ খন গাড়ী বহিঃ ৰাজ্যৰ পৰা আমাৰ

ৰাজ্যখনলৈ প্ৰৱেশ কৰিছে। (চন হিচাপত গাড়ীৰ হিচাব তালিকা 'ক' সংলগ্ন কৰি দিয়া হ'ল) (See Annexure –XII)

(খ) উক্ত সময়ছোৱাত পৰিবহণ বিভাগে শ্ৰীৰামপুৰ Check Gate ৰ পৰা সৰ্বমুঠ ২০৪.৪৬ কোটি টকা আৰু বক্সিৰহাট Check Gate ৰ পৰা সৰ্বমুঠ ১১৬.৭৯ কোটি টকা ৰাজহ সংগ্ৰহ কৰিছে।

(বছৰৰ হিচাপত তথ্য তালিকা 'ক' ত উল্লেখ কৰা হ'ল)

(See Annexure –XII)

(গ) গাড়ীৰ সংখ্যাৰ সমানুপাতিক ৰাজহ বিধিসন্মতভাৱে সংগ্ৰহ কৰা হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ কৃষি মহাবিদ্যালয়, শীত পন্যাগাৰ, কৃষি গৱেষণা কেন্দ্ৰ স্থাপন।

শ্ৰীআব্দুল ৰহিম খানে সুধিছে ঃ

* ৫৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নামনি অসমৰ ৰৰপেটা জিলাৰ সদৰ সমষ্টিত এখন কৃষি মহাবিদ্যালয় চৰকাৰে স্থাপন কৰিবৰ বাবে সিদ্ধান্ত ল'ব পাৰেনে?

(খ) জিলাখনত অসমৰ ভিতৰত সৰ্বাধিক কৃষি সামগ্ৰী শাক-পাচলি উৎপন্ন হয় বাবে খেতিয়ক আৰু গ্ৰাহক জনসাধাৰণৰ স্বাৰ্থত হাউলীত এখন উন্নত শীত পন্যাগাৰ আৰু কৃষি গৱেষণা কেন্দ্ৰ স্থাপন কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব?

(ঘ) যদি নকৰে, কিয় নকৰে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ সদৰ সমষ্টিত কৃষি মহাবিদ্যালয় স্থাপনৰ বিষয়ে চৰকাৰে কোনো ধৰণৰ চিন্তা বৰ্তমান কৰা নাই।

(খ) বৰপেটা জিলাৰ হাউলীত চৰকাৰী খণ্ডত ২৫০ মেট্রিক টন ভড়াল ক্ষমতা থকা এটা শীত পন্যাগাৰ স্থাপন কৰা হৈছে। কিন্তু কিছু কাৰিকৰী বিজুতিৰ বাবে বৰ্তমান পন্যাগাৰটো কার্য্যক্ষম হৈ থকা নাই। অনতি পলমে ইয়াক কার্য্যক্ষম কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰোপৰি হাউলীৰ নিকটবর্ত্তী বৰপেটা ৰোডত ২৫০০ মেট্রিক টন ক্ষমতা থকা আন এটা শীত পন্যাগাৰ ব্যক্তিগত খণ্ডত স্থাপন কৰা হৈছে।

হাউলীত এটা কৃষি গৱেষণা কেন্দ্র স্থাপনৰ বিষয়ে চৰকাৰে কোনো চিন্তা বৰ্তমান কৰা নাই। কিন্তু কৃষক সকলক কৃষি প্রযুক্তিৰ ক্ষেত্রত সকলো ধৰণৰ সা-সুবিধা আৰু দিহা-পৰামর্শ দিবলৈ কৃষি বিশ্ববিদ্যালয়ৰ অধীনত হাউলীত এটা কৃষি বিজ্ঞান কেন্দ্র ইতিমধ্যে স্থাপন কৰা হৈছে।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ পর্য্যটন কেন্দ্র নির্মাণ।

শ্রীমতী সুমিত্রা দলে পাতিৰে সুধিছে ঃ

* ৫৮। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধেমাজি সমষ্টিৰ আজোহা পঞ্চায়তত অৱস্থিত আহোম ৰজাৰ ৰাজধানী 'হাবুং'খন পর্য্যটন কেন্দ্র হিচাবে গঢ়ি তুলিম বুলি ২০০৬ চনতে ধেমাজিত ৰাজহুৱা সভাত মাননীয় মুখ্যমন্ত্রী মহোদয়ে ঘোষণা কৰা কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে কেতিয়াৰ পৰা উক্ত কেন্দ্র নির্মাণ আদি যাৱতীয় কার্য্য আৰম্ভ কৰিব জনাবনে?

শ্রীচন্দন বহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই বিষয়ত অৱগত।

(খ) এই ক্ষেত্রত যাৱতীয় সকলো দিশ চালি-জাৰি চাই পুঁজিৰ ওপৰত নির্ভৰ কৰি ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ কৃষি আঁচনি।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

* ৫৯। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া মহকুমাৰ কমলপুৰ সমষ্টিত RKVY, AYA, CMSS, AACP আঁচনিৰ অধীনত ইং ২০০৬ ৰ পৰা ২০১১ বর্ষলৈ কিমান

টেক্টৰ, পাৱাৰ টিলাৰ স্প্রে মেচিন আৰু পাৱাৰ পাম্প দিলে জনাবনে? (হিতাধিকাৰীৰ তালিকা দিব)

(খ) উক্ত আঁচনিৰ বাচনি প্রক্রিয়া কি? (বিতং কৈ জনাব)

(গ) মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ জৰিয়তে কমলপুৰ সমষ্টিত ২০০৬ ৰ পৰা ২০১১ বৰ্ষলৈ কিমানজন খেতিয়কক ৩০০০/- টকাকৈ দিয়া হ'ল জনাবনে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) চলিত বিত্তীয় বছৰৰ বাবে (ক) আৰু (গ) ত উল্লেখ কৰা আঁচনিৰ বাবে তালিকা প্রস্তুত কৰা হৈছেনে? (তালিকা সদনৰ মেজত দিব)

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কমলপুৰ সমষ্টিত বিভিন্ন আঁচনিৰ ২০০৬ ৰ পৰা ২০১১ বৰ্ষলৈ দিয়া ট্রেক্টৰ, পাৱাৰ টিলাৰ স্প্রে-মেচিন আৰু পাৱাৰ পাম্পৰ সংখ্যা তলত দিয়া হ'ল)

ক্রঃ নং	আঁচনি	ট্রেক্টৰ	পাৱাৰটিলাৰ	পাৱাৰ পাম্প	স্প্রে-মেচিন
১।	RKVY	×	১৫	৯৭	৬
২।	ABY	২২	৩১	×	×
৩।	CMS	×	২০	×	×

৪।	AACP	৮	৪	৩৩৮	×
৫।	Organic Forming	—	—	—	১০
৬।	NAEP III	—	—	—	৪০
	মুঠ	৩০	৭০	৪৩৫	৫৬

হিতাধিকাৰীৰ তালিকা (Annexure - I) সদনৰ মজিয়াত দখিল কৰা হ'ল। (See Annexure – XIII)

(খ) উক্ত আঁচনিৰ বাছনিৰ প্ৰক্ৰিয়া আৰু নিয়মাৱলী Annexure - 2 (i)-(iv) সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(See Annexure – XIII)

(গ) মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ জৰিয়তে কমলপুৰ সমষ্টিত ২০০৯-১০ বৰ্ষত ১৫০০ জন খেতিয়কক ৩০০০ টকাকৈ দিয়া হৈছে।

তালিকা (Annexure - III) সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(See Annexure – XIII)

(ঘ) চলিত বিত্তীয় বছৰত AVY আৰু CMSS আঁচনি ৰূপায়ণ কৰা হোৱা নাই।

RKVY আঁচনিৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া চলি আছে। AACP আঁচনিৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া চলি আছে।

বিষয় ঃ ঘৰ মেৰামতি।

শ্রীঘনশ্যাম কলিতাই সুধিছে ঃ

* ৬০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰঙিয়া সমষ্টিত কিমানটা অঙ্গনবাদী কেন্দ্র আছে?

(খ) কেন্দ্রসমূহৰ বহুত ঘৰ জৰাজীর্ণ অৱস্থাত থকাটো সঁচানে? (জৰাজীর্ণ ঘৰৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) যদি সঁচা, তেনেহ'লে এই ঘৰসমূহ মেৰামতিৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি মেৰামতি কৰা হয়, কিমান দিনৰ ভিতৰত কৰিব?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙিয়া সমষ্টিৰ অধীনত মুঠ ৭২০ টা অঙ্গনবাদী কেন্দ্র আছে।

(১) কমলপুৰ ৰঙিয়া সংহত শিশু উন্নয়ন প্রকল্পৰ অধীনত ৫৩২ টা অঙ্গনবাদী কেন্দ্র আছে।

(২) বিহদিয়া জাজিকোনা সংহত শিশু উন্নয়ন প্রকল্পৰ অধীনত ১৮৮ টা অঙ্গনবাদী কেন্দ্র আছে।

(খ) জৰাজীর্ণ ঘৰৰ জৰীপ কৰি থকা হৈছে।

(গ) জৰীপ সম্পূর্ণ হ'লে বাজেট ধার্য্য কৰি মেৰামতিৰ ব্যৱস্থা কৰা হ'ব।

(ঘ) প্রশ্ন নুঠে।

(এই সন্দর্ভত আঁচনিৰ নাম, গোটৰ নাম, দলীয় নেতাৰ নাম, গোটৰ বিপৰীতে মোকলাই দিয়া পুঁজিৰ পৰিমাণ আৰু আঁচনিৰ বিপৰীতে কৃষি ভূমিৰ পৰিমাণ আৰু আঁচনিৰ অগ্রগতিৰ তথ্য দিব)

(খ) শেহতীয়াকৈ নগাঁও জিলাৰ বিপৰীতে কৃষকৰ মাজত বিতৰণৰ বাবে বিনামূলীয়া বীজ আৰু সাৰ মোকলাই দিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, তেন্তে কৃষিচক্র ভিত্তিত আৱণ্টিত বীজ আৰু সাৰৰ তথ্য আৰু হিতাধিকাৰী বাছনিৰ নির্দেশনাৰ তথ্য দিব?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রযুক্তি মিচনৰ অধীনত ২০১০-১১ আৰু ২০১১-১২ বর্ষৰ নগাঁও জিলাৰ বিপৰীতে আৱণ্টিত পুঁজিৰ পৰিমাণ ক্রমে ১১৫.৬৮৫ লাখ টকা আৰু ৮৬.৭১১২৫ লাখ টকা।

আঁচনিৰ নাম - HORTICULTURE MISSION FOR NORTH EASTERN HIMALAYAN STATES (HMNEH)

গোটৰ নাম, দলীয় নেতাৰ নাম, ২০১০-১১ বর্ষত মোকলাই দিয়া পুঁজিৰ পৰিমাণ আৰু আঁচনিৰ বিপৰীতে কৃষিভূমিৰ পৰিমাণ আৰু ২০১০-১১ বর্ষৰ আঁচনিৰ অগ্রগতিৰ খতিয়ান ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

২০১১-১২ বর্ষৰ কোনো পুঁজি মোকলাই দিয়া হোৱা নাই।

(খ) জ্ঞাত?

বিষয় ঃ পৰিবহণ বাছ আৰু বাছ-আস্থান সম্পৰ্কে।

শ্ৰী শ্বেখ শাহ আলমে সুধিছে ঃ

১০৩। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত বৰ্তমানে কিমানখন পৰিবহণ নিগমৰ বাছ চলাচল কৰি আছে?

(খ) উক্ত বাছসমূহ গোৱালপাৰাৰ পৰা কোন কোন ঠাইলৈ যাতায়ত কৰি আছে?

(গ) গোৱালপাৰা জিলাৰ মুখ্য বাছ-আস্থানটোত নৱ-নিৰ্মিত দোকান ঘৰসমূহ কি বিভাগৰ অধীনত মুঠ কিমা টকা ব্যয় সাপেক্ষে কোন বিভাগৰ জৰিয়তে নিৰ্মাণ কৰা হৈছিল?

(ঘ) উক্ত ঘৰসমূহ কাৰোবাক আৱণ্টন দিছেনে?

(ঙ) কি নিয়ন-নীতিৰ আধাৰত ঘৰসমূহ আৱণ্টন দিয়া হৈছে, সদনত জনাৱনেঃ?

(চ) বিগত ৫ বছৰৰে অধিক কাল উক্ত ঘৰসমূহ পৰিত্যক্ত অৱস্থাত থকাটো চৰকাৰ জ্ঞাতনে?

(ছ) ইয়াৰ দ্বাৰা বিভাগৰ ৰাজহত ক্ষতি হৈছে বুলি চৰকাৰে ভাৱেনে?

(জ) যদি ভাবে, তেন্তে দোকানসমূহ কেতিয়াৰ পৰা মোকলাই দিয়া হ'ব?

UNSTARRED
QUESTIONS AND ANSWERS

Sub : Nos. of Anganwadi Centres.

Shri Jamaluddin Ahmed asked :

101. Will the Minister of Social Welfare be pleased to state:

(a) How many Anganwadi Centres including Mini Centres under Social Welfare Department are functioning in Badapur LAC?

(Please submit the names)

(b) How many building for these Anganwadi Centres under Badarpur LAC have so far been constructed for the period from 2001-06 and from 2006 March /11? (Please submit the names separately for both the periods)

(c) Whether there is any proposal for sanctioning of building grant for the remaining Centres under Badarpur LAC? If so, when? If not, why?

Sri Akon Bora (Minister of Social Welfare Department) replied :

(a) At present 239 Nos. Anganwadi Centres are functioning under Badarpur LAC. (List of Anganwadi Centres are being collected).

(b) 121 Nos. Anganwadi Centres has been constructed under Badarpur LAC up to March, 2011. (List of completion of construction Anganwadi Centres are being collected).

(c) After receiving fund from Govt. of India construction of remaining Centres under Badarpur LAC will be taken up.

বিষয় ঃ আঁচনি ৰূপায়ণ আৰু বীজ বিতৰণ।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

১০২। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) Horticulture Technology মিছনৰ অধীনত ২০১০-১১ আৰু ২০১১-১২ বর্ষত নগাঁও জিলাৰ বিপৰীত আৱণ্টিত পুঁজিৰ পৰিমাণ কিমান জনাবনে?

শ্রীচন্দন বক্ষ (পৰিবহণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাত বর্তমান পৰিবহণ নিগমৰ নিজা বাছ ২ খন আৰু পৰিবহণ নিগমৰ অধীনত ব্যক্তিগত মালকনাধীন ৪০ খন বাছ চলাচল কৰি আছে।

(খ) এই বাছসমূহৰ ভিতৰত ১৯ খন গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ, ১৩ খন গোৱালপাৰাৰ পৰা বঙাইগাঁৱলৈ, ২ খন গোৱালপাৰাৰ পৰা মানকাছাৰলৈ, ৫ খন ধূপধৰাৰ পৰা গুৱাহাটলৈ আৰু ৩ খন বাছ দুধনৈৰ পৰা গুৱাহাটীলৈ যাতায়ত কৰি আছে।

(গ) গোৱালপাৰা জিলা মুখ্য বাছ-আস্থানত নৱ-নির্মিত দোকান ৫০ খন মুঠ ২৯,২৫,৫০০.০০ টকা ব্যয় সাপেক্ষে নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনার্থে নির্মাণ কৰা হৈছে। দোকানসমূহ পৰিবহণ নিগমৰ অসামৰিক কাৰিকৰী বিভাগৰ তত্ত্বাৱধনাত নির্মাণ কৰা হৈছে।

(ঘ) উক্ত দোকান ঘৰসমূহ বিভিন্ন নিবনুৱা যুৱক-যুৱতীক আৱণ্টন দিয়া হৈছে।

(ঙ) বিধিগতভাৱে নিবিদা আহ্বান কৰি উক্ত দোকান ঘৰসমূহ আৱণ্টন দিয়া হৈছে।

(চ) হয় জ্ঞাত। (ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা বিজুলী সংযোগ নোহোৱা হেতু উক্ত দোকান ঘৰসমূহ ব্যৱহাৰ কৰিব পৰা হোৱা নাই।)

(ছ) ৰাজহ ক্ষতি হোৱাটো সঁচা। সেই কাৰণেই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক বিজুলী যোগানৰ সংযোগ দিবলৈ তাগিদা দি থকা হৈছে।

(জ) বিজুলী সংযোগ হোৱাৰ লগে লগেই দোকান ঘৰসমূহ মোকলাই দিয়া হ'ব।

বিষয় ঃ ধান কিনা-বেচাৰ নীতি নির্দ্ধাৰণ।

শ্রীউৎপল দত্তই সুধিছে ঃ

১০৪। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান অসমত উৎপাদিত ধান কিনা-বেচাৰ ক্ষেত্রত চৰকাৰৰ মূল্যৰ নীতি নির্দ্ধাৰণ আছেনে?

(খ) ভাৰতবর্ষৰ আন আন ৰাজ্যসমূহত FCI ৰ জৰিয়তে ধান কিনা-বেচা কৰা কথাটো সত্যনে? তেওঁলোকে কি মূল্যত ধান কিনি আছে?

(গ) আন আন ৰাজ্যৰ তুলনাত অসমত ধানৰ মূল্য কম হোৱাটো চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, তেনেহ'লে FCI ৰ জৰিয়তে অসমত ধান কিনাটো বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধান কিনা-বেচাৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ ন্যূনতম সমর্থন মূল্য (MSP) নীতি অসমত প্রচলিত হৈ আছে।

(খ) ভাৰতৰ আন আন ৰাজ্যত বিভিন্ন সংস্থাৰ জৰিয়তে FCI এ ধান কিনা-বেচা কৰে। কেন্দ্রীয় চৰকাৰে ২০১১-১২ চনৰ বাবে নির্দ্ধাৰণ কৰা ন্যূনতম সমর্থন মূল্য প্রতি কুইণ্টলত ১০৮০.০০ টকাত (সাধাৰণ বিধ) আৰু ১১১০.০০ টকাত (গ্রেড-এ) FCI এ ধান কিনি আছে।

(গ) কেন্দ্রীয় চৰকাৰে নির্দ্ধাৰণ কৰা ধানৰ নিম্নতম সমর্থন মূল্য সকলো ৰাজ্যতে সমান। অৱশ্যে স্থানীয় বজাৰ মূল্য ৰাজ্য ভেদে আৰু ঠাই ভেদে বেলেগ বেলেগ হয়। অসমত স্থানীয় বজাৰ মূল্য কেন্দ্রীয় চৰকাৰৰ ন্যূনতম সমর্থন মূল্যতকৈ কম হোৱা বিষয়ে চৰকাৰ অৱগত।

(ঘ) FCI ৰ জৰিয়তে ধান কিনাৰ ব্যৱস্থা ২০০৮-০৯ চনৰ পৰা নিয়মীয়াকৈ কৰি থকা হৈছে।

বিষয় ঃ গাড়ী চলাচল।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

১০৫। মাননীয় পৰিবহণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় চহৰত ২০০৬ চনৰ এপ্রিলৰ পৰা ২০১১ চনৰ ৩১ জুলাইলৈকে কিমানখন বিক্রম, গাড়োডা, মিনিডোৰ আৰু এপে গাড়ী চলাচল কৰিবৰ বাবে অনুমতি পত্র প্রদান কৰা হৈছে আৰু এই গাড়ীসমূহ চহৰখনৰ কোন কোন পথত (Route) চলাচলৰ বাবে অনুমতি প্রদান কৰা হৈছে?

(বিতং তথ্য গাড়ী নম্বৰসহ প্রদান কৰিব)

শ্রীচন্দন বৰ্ম্মা (পৰিবহণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় চহৰত ২০০৬ চনৰ এপ্রিলৰ পৰা ২০১১ চনৰ ৩১ জুলাইলৈকে সর্বমুঠ ৩৬ খন কেৱল এপে যাত্রীবাহী অ'টৰিক্সাৰ অনুজ্ঞাপত্র প্রদান কৰা হৈছে। উক্ত গাড়ীসমূহ ডিব্রুগড় চহৰৰ

অন্তর্গত উপকণ্ঠ অঞ্চল বানীপুৰ কেন্দ্ৰৰ ১০ (দহ) কিঃমিঃ ব্যাসাৰ্দ্ধলৈকে চলাচলৰ বাবে অনুমতি প্ৰদান কৰা হৈছে।

উক্ত অনুজ্ঞাপত্ৰৰ বিতং তথ্য গাড়ী নম্বৰসহ তালিকা 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure – XIV)

Sub : Construction of District Jail.

Shri Abdul Muhib Mazumder asked :

106. Will the Minister of Jail be pleased to state :

(a) Is the Government aware that though assurance was given to construct the District Jail in Hailakandi and a sum of Rs. 15 Crores was allocated, the process of construction has not been taken up?

(b) Will the Government assure that work would be started during the current Financial Year?

Sri Akon Bora (Minister of Jail) replied :

(a) No fund has been received from Govt. of India for construction of Dist. Jail, Hailakandi under Modernisation of Prison Administration since the Scheme was discontinued w.e.f. April, 2009. However, Rs. 15 Crores has now been proposed

12th Five Year Plan 2012-17 for construction of new Dist. Jail at Hailakandi.

Further, for initial construction as 1st phase one Supplementary Demand Proposal for Rs. 2 Crores has been submitted of Finance (Budget) Department.

(b) Subject to availability of fund through Supplementary Demand and under 12th Five Year Plan (2012-17) the work would be undertaken.

Sub : Production under Ambitious Mission Double.

Shri Sirajuddin Ajmal asked :

107. Will the Minister of Agriculture be pleased to state :

(a) What is the target area and production under Ambitious Mission Double Cropping launched by the Government this year?

(Please give in details)

(b) What quantities of seeds and fertilizers have been distributed under this scheme?

(Please give in details)

(c) What quantities of seeds and fertilizers have been

distributed through this scheme under Hojai Agril. Sub-Division?

(Please give in details)

(d) Is there any guideline or procedure for this ambitious Scheme to be followed? If so, give the guidelines in this regard?

(e) What is the amount of fund earmarked by the Government for this Scheme?

(f) What are the purchasing prices of different seeds being distributed under this Scheme? (Please give in details.)

Sri Nilamani Sen Deka (Minister of Agriculture, Assam) replied :

(a) The target area and production under Ambitious Mission Double Cropping are 175882 ha and 57.597 lakh quintal respectively, the details of which are given below:

Crop	Area (ha)	Production (Qtls)
1. Potato	3333.30	749992.50
2. Mustard	64500.00	774000.00
3. Pea	4395.50	43955.00

4. Tomato (Hybrid)	4336.50	737205.00
5. Brinjal (Hybrid)	8709.10	1480547.00
6. Summer Paddy	52450.00	1969500.00
7. Coriander	100.00	4500.00
Total	**1,37,824.40**	**57,596,99.50**

(b) The quantities of seeds & fertilizers distributed under the programme is enclosed at Annexure - 'A' (See Annexure – XV)

(c) Quantities of seeds & fertilizers distributed under different schemes of Mission Double Cropping in Hojai Agril. Sub-Division are as follows:

Schemes & Items	Qnty. of Seeds	Qnty of Fertilizers
1. Disaster Management:		
i. Potato	100.00	Nil
ii. Pea	25.00	Nil
iii. Mustard	25.00	Nil
2. NAEP-III:		
i. Potato	1100.00	Nil

3. Cms Grow more Vegetables:

i.	Tomato	0.40	Nil

4. RKVY :

i.	Mustered	50.00	Rs. 14.53 lakh received for fertilizer distribution

(d) Yes, there are guidelines for different schemes covered under Mission Double Cropping. Guidelines are as follows -

RKVY :

1. Beneficiaries are to be selected in consultation with PRI
2. Area to be covered under the scheme should be compact (Min 10 ha) so as to achieve a visual impact motivation of farmers in the locality).
3. A beneficiary will get a maximum benefit of 0.4 ha.

BGREL :

1. Based on topography of the locality 200 ha compact area will have to be selected for Boro paddy demonstration so as to achieve a visual impact of the demonstration.

2. Beneficiaries should be selected in consultation with PRI.
3. One progressive farmer will be the leader of the group of beneficiaries for demonstration programme for every 100 ha. He will liaison between the Govt. machineries and the group of farmers beneficiaries.
4. Asset building and site specific need items will have to be provided only to the beneficiaries of the demonstration.

NAEP-III :

1. In selection of beneficiaries preference should be given to small and marginal farmers.
2. Beneficiaries are to be selected in consultation with PRI.
3. Certified Seeds should be provided under the programme.

CMs Grow. more vegetables :

1. In selection of beneficiaries preference should be given to small and marginal farmers.
2. Beneficiaries are to be selected in consultation with PRI.

3. Certified tubers should be provided under the programme.
4. Each demonstration will be 10 ha size covering at least 75 nos. of beneficiaries.

Disaster Management :

1. Beneficiaries should be identified as flood\drought affected farmers. Relief seeds to be provided to the small and marginal farmers whose crop loss has been estimated at 50% and above. Beneficiary list of SC/ST farmers are to be maintained separately.
2. Seeds under this Programme is to be given to the affected farmers at uniform rate of maximum of Rs. 4000/- per ha for irrigated areas and or Rs. 2000/- per ha for rainfed areas.
3. Each beneficiary will get Pea-7 Kg, Mustard-3 Kg, Potato Kg, Summer paddy-10 Kg and Coriander-1 Kg.
4. Beneficiaries are to be selected in consultation with PRI and local Revenue officials.
5. The quantum of distribution may be increased depending upon the extent of damage of crops

by flood/drought which is to be decided by the District Relief Committee.

(e) There are 5 (five) different schemes covered under Mission Double Cropping and fund earmarked for the programme under different schemes is as follows :-

1. NAEP-III	- Rs. 19.997 Cr
2. RKVY	- Rs. 17.360 Cr
3. BGREI	- Rs. 33.320 Cr
4. Disaster Management	- Rs. 7.950 Cr
5. CMs Grow More Vegetable	- Rs. 5.750 Cr
Total	**= Rs. 84.377 Cr**

(f) The purchasing prices of different seeds being distributed are as follows:

1. Paddy (HYV) Rs. 2930/- per qtl.
2. Potato Rs. 2600/- per qtl.
3. Mustard Rs. 6390/- per qtl.
4. Pea Rs. 4750/- per qtl.
5. Coriander Rs. 23600/- per qtl.
6. Brinjal (HVY)Rs. 22300/- to 24700/-per qtl.
7. Tomato (HYV)Rs. 6548/- to 7160/- per qtl.

বিষয় ঃ বেছিমাৰীত কৃষক হত্যা।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১০৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ ১০ চেপ্তেম্বৰত দলগাঁও থানাৰ বেছিমাৰী বজাৰত মৰাপাটৰ নায্য মূল্য বিচৰা কৃষকক পুলিচে হত্যা কৰা সন্দৰ্ভত অসম চৰকাৰে ঘোষণা কৰা ন্যায়িক তদন্তৰ প্ৰতিবেদন প্ৰকাশ কৰা হৈছেনে? যদি হোৱা নাই, উক্ত প্ৰতিবেদন কিমান তাৰিখত প্ৰকাশ কৰা হ'ব?

(খ) বেছিমাৰীত পুলিচে গুলিয়াই হত্যা কৰা লোকৰ নিকটীত্মীয়লৈ চৰকাৰে ঘোষণা কৰা এক কালীন অর্থ সাহায্য সম্পূৰ্ণ আদায় দিয়া হৈছেনে?

(গ) অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে দলগাঁও/বেছিমাৰীত মৰাপাট কল স্থাপনৰ ঘোষণা কৰাটো সঁচানে? যদি সঁচা, ই কেতিয়া কার্য্যকৰী কৰিব?

(ঘ) চৰকাৰে মৰাপাটৰ নিম্নতম সমর্থিত মূল্য ঘোষণা কৰিছেনে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ ১০ অক্টোবৰত দলগাঁও থানাৰ অন্তর্গত বেছিমাৰী বজাৰত সংঘটিত হোৱা ঘটনাৰ সন্দর্ভত অসম চৰকাৰৰ দ্বাৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্রাপ্ত ন্যায়াধীশ শ্রীহৰেশ্বৰ বৰুৱাৰ দ্বাৰা ন্যায়িক তদন্ত আয়োগ গঠন কৰি তদন্ত কৰিবলৈ দিয়া হৈছে। বর্তমানে তদন্তৰ প্রক্রিয়া অব্যাহত আছে। ন্যায়িক তদন্তৰ প্রতিবেদন আয়োগে চৰকাৰৰ ওচৰত দাখিল কৰাৰ পিছত বিধানসভাৰ মজিয়াত উপস্থাপন কৰা হ'ব।

(খ) হৈছে।

(গ) সঁচা। ইয়াক কার্য্যকৰী কৰাৰ বাবে সংশ্লিষ্ট বিভাগে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব।

(ঘ) কৰিছে।

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্র।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১০৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৮৭ নং বঢ়মপুৰ বিধান সভা সমষ্টিৰ বর্তমানলৈকে অঙ্গনৱাড়ী

কেন্দ্রকেইটা আছে? প্রতিটো অঙ্গনৱাড়ী কেন্দ্রত কর্মচাৰী কেইগৰাকী কৈ আছে?

(কেন্দ্রৰ নামৰ বিপৰীতে কর্মচাৰীৰ নাম উল্লেখ কৰিব)

(খ) উক্ত অঙ্গনৱাড়ী কেন্দ্রসমূহত কণ কণ শিশুহঁতৰ বাবে কি কি আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰা হয়? প্রতিটো কেন্দ্রত কেইগৰাকীকৈ শিশু আছে?

(গ) এই কণ কণ শিশুহঁতৰ বাবে কি কি খাদ্য প্রতিটো সপ্তাহত যোগান ধৰা হয় আৰু প্রতিটো শিশুৰ বিপৰীতে খাদ্যত কিমান টকাকৈ প্রতি সপ্তাহত ব্যয় কৰা হয়?

(ঘ) প্রতিটো কেন্দ্রত সেই সমষ্টিৰ স্থানীয় লোকক নিয়োগ নকৰি অন্য সমষ্টিৰ লোকক নিয়োগ কৰা হৈছে নেকি?

(ঙ) বঢ়মপুৰ বিধানসভা সমষ্টিৰ মৰিকলং কচলুখোৱা অঞ্চলৰ "মাধুৰী ৰৱা হাউচ অঙ্গনৱাড়ী কেন্দ্রত" আজিও স্থানীয় আবেদনকাৰীক নিয়োগ নকৰাৰ কৰাণ কি জনাবনে? এই বছৰৰ ভিতৰত স্থানীয় প্রার্থীক উক্ত কেন্দ্রত খালী হৈ থকা পদৰ মকৱল কৰিবনে?

শ্রীঅকণ ৰৱা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৭ নং বঢ়মপুৰ বিধানসভা সমষ্টিয়ে বঢ়মপুৰ শিশু উন্নয়ন প্রকল্প তগৰ কঠিয়াতলি, পাখিমৰীয়া, নগাঁও (নগৰ) খাগৰিজান শিশু উন্নয়ন প্রকল্পৰ কিছুসংখ্যক অঙ্গনৱাড়ী কেন্দ্র সামৰি লোৱা হৈছে।

প্রকল্পসমূহৰ বিপৰীতে অঙ্গনৱাড়ী কেন্দ্রসমূহৰ সংখ্যা তলত উল্লেখ কৰা হ'ল —

(কর্মচাৰীৰ নাম সংগ্রহ কৰি থকা হৈছে)।

প্রকল্পৰ নাম	অঙ্গনৱাড়ী কেন্দ্রৰ সংখ্যা
(১) বঢ়মপুৰ শিশু উন্নয়ন প্রকল্প =	১৩৪ টা
(২) কঠিয়াতলি শিশু উন্নয়ন প্রকল্প =	২১৩ টা
(৩) পাখিমৰীয়া শিশু উন্নয়ন প্রকল্প =	৪৬ টা
(৪) নগাঁও (নগৰ) শিশু উন্নয়ন প্রকল্প =	৫ টা
(৫) খাগৰিজান শিশু উন্নয়ন প্রকল্প =	৬৪ টা
(৬) ৰূপহী শিশু উন্নয়ন প্রকল্প =	৪৮ টা

(খ) উক্ত অঙ্গনৱাড়ী কেন্দ্রসমূহত শিশুসকলৰ বাবে তলত উল্লেখ কৰা আঁচনিসমূহ ৰূপায়ণ কৰাৰ ব্যৱস্থা লোৱা হয়।

(১) প্রাক-প্রাথমিক শিক্ষা।

(২) পুষ্টিকৰ আহাৰ যোগান।

(৩) স্বাস্থ্য পৰীক্ষা।

(৪) টীকাকৰণ।

(৫) পুৰিপুষ্টি আৰু স্বাস্থ্য শিক্ষা।

(৬) প্রেৰণ সেৱা।

(গ) শিশুসকলৰ বাবে প্ৰতি সপ্তাহত যোগান ধৰা খাদ্যসমূহ এনে ধৰণৰ ঃ

(১) খিচিৰি, পায়স, চুজি, কণী আৰু অন্যান্য ফল-মূল।

(২) অঙ্গনৱাড়ী কেন্দ্ৰৰ ৬ মাহৰ পৰা ৩ বছৰৰ প্ৰতিটো শিশুৰ বাবে দিনে ৪ টকা হিচাবে সপ্তাহত ২৪ টকা আৰু ৩ বছৰৰ পৰা ৬ বছৰৰ প্ৰতিটো শিশুৰ বাবে ৬ টকাকৈ সপ্তাহত ৩৬ টকাকৈ ব্যয় কৰা হয়।

(ঘ) কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰতিটো কেন্দ্ৰতে স্থানীয় লোকক নিয়োগ কৰা হৈছে।

(ঙ) কামপুৰ বিধানসভা সমষ্টিৰ মৰিকলং, কচলুৱা অঞ্চলত অৱস্থিত ১০৬ নং অঙ্গনৱাড়ী কেন্দ্ৰৰ কৰ্মী, শ্ৰীমতী সবিতা শইকীয়া বৰাৰ যোৱা ইং ১৮-১০-২০১১ তাৰিখে অকাল মৃত্যু ঘটে। সেইবাবে উক্তকেন্দ্ৰৰ কৰ্মী পদটো খালী হৈ আছে। উক্ত পদটো পূৰণৰ বাবে বিভাগীয় নীতি-নিৰ্দেশনা অনুযায়ী স্থানীয় প্ৰাৰ্থীক মকৰল কৰা হ'ব।

বিষয় ঃ সমবায় সামগ্ৰী যোগান।

শ্ৰীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

১১০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমৰ সমবায় সমিতিসমূহে চাউল, চেনী আদি সময়মতে যোগান ধৰি আছেনে?

(খ) কলাইগাঁও সমষ্টিৰ টেঙাবাৰী সমবায় সমিতিখনে চাউল, চেনী আদি সৰবৰাহ কৰাৰ বাবে যি ধন পাব লাগে সেই ধন আদায় নোপোৱা কথাটো সত্যনে?

(গ) যদি সত্য, কেতিয়াকৈ আদায় দিয়াৰ ব্যৱস্থা কৰিব জনাবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতিসমূহে চাউল, চেনী আদি সুলভ মূল্যৰ সামগ্রীসমূহ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ তত্বাৱধানত আৱণ্টন অনুযায়ী বিতৰণ কৰে।

(খ) হয়। সত্য।

(গ) যিহেতু অনাদায়ী ধনসমূহ খাদ্য আৰু অসামৰিক যোগান বিভাগ, শিক্ষা বিভাগ আদিৰ পৰা প্রাপ্য, গতিকে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি প্রাপ্য আদায়ৰ প্রচেষ্টা লোৱা হ'ব।

বিষয় ঃ সমাধি ক্ষেত্র উন্নয়ন।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

১১১। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ঐতিহ্যমণ্ডিত মটক ৰজা সর্বানন্দ সিংহৰ নাতি সন্মানীয় সুৰট গোঁহাই মতিবৰ বৰ সেনাপতিৰ চতুর্থ পুত্র। ১৮২৬ চনত বৃটিছ চৰকাৰে সুৰট গোঁহাইক কেপ্তেইন উপাধি প্রদান কৰাৰ উপৰিও

পলিটিকেল পেঞ্চনাৰ হিচাপে সন্মান জনাইছিল। সুৰট গোঁহাই কালক্রমত কাপ্তান গোঁহাই নামে জনাজাত হয়। তিনিচুকীয়া চহৰৰ পশ্চিম দিশৰ হিজুগুৰী অঞ্চলৰ পৰা দক্ষিণলৈ সোমাই যোৱা অঞ্চলটো পৰৱৰ্তী সময়ত কাপ্তানচুক গাঁও নামকৰণ কৰা হয়। মটক সম্প্রদায়ৰ অনুভূতি নিহিত হৈ থকা সুৰট গোঁহাইৰ সমাধিস্থল এই কাপ্তানচুক গাঁওত জৰাজীর্ণ অৱস্থাত অৱহেলিত হৈ থকাৰ কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, চৰকাৰে কেপ্তেইন সুৰট গোঁহাইৰ সমাধি কেন্দ্র সুন্দৰকৈ সজাই-পৰাই মটক জাতিটোৰ প্রতি সন্মান প্রদর্শন কৰাৰ দিহা কৰিব নেকি?

(গ) যদি এই ক্ষেত্রত বিভাগে বিহিত ব্যৱস্থাৰ দিহা কৰিছে, কেতিয়াকৈ ৰাইজে ইয়াক পৰিকল্পিত আৰু সুন্দৰ ৰূপত উপভোগ কৰিবলৈ পাব?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সুৰট গোঁহাইৰ সমাধি ক্ষেত্রৰ জৰাজীর্ণ অৱস্থাত অৱহেলিত হৈ থকাৰ কথাটো চৰকাৰে অৱগত নহয়।

(খ) 'ক' দ্রষ্টব্য। এই ক্ষেত্রত পৰীক্ষা-নিৰীক্ষা কৰি যথা-যথ ব্যৱস্থা লোৱা হ'ব।

(গ) এই ক্ষেত্রত এতিয়ালৈকে কোনো বিহীত ব্যৱস্থা গ্রহণ কৰা হোৱা নাই।

(১১২) Withdrawn

বিষয় ঃ Purchase of paddy by F.C.I.

শ্রীমনোৱাৰ হুছেইনে সুধিছে ঃ

১১৩। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মাননীয় কৃষি মন্ত্রী আৰু F.C.I. কর্তৃপক্ষৰ আলোচনা মর্মে অসমৰ ১১ খন ঠাইত F.C.I. য়ে কৃষকৰ পৰা প্রতি কুইণ্টল ১০৮০/- টকাকৈ ধান কিনাৰ বাবে সিদ্ধান্ত লোৱাটো সঁচানে।

(খ) যদি সঁচা, নামনি অসমৰ বিশেষকৈ ধুবুৰী, গোৱালপাৰা, বঙ্গাইগাঁও, বৰপেটা আৰু কামৰূপ জিলাৰ কৃষকসকলৰ পৰা F.C.I. য়ে ধান কিনাৰ ব্যৱস্থা নকৰাৰ কাৰণ কি?

(গ) এই সম্পর্কে চৰকাৰে নামনি অসমৰ কৃষকসকলক উচিত মূল্যত F.C.I. ক ধান বিক্রীৰ ব্যৱস্থা কৰিবনে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা। ইতিমধ্যে ১৩খন ঠাইত F.C.I. য়ে কৃষকৰ পৰা ধান কিনাৰ ব্যৱস্থা হাতত লৈছে।

(খ) আন্তঃগাঁথনিৰ ব্যৱস্থা নথকা বাবে F.C.I. য়ে নামনি অসমৰ ধুবুৰী, গোৱালপাৰা, বঙ্গাইগাঁও, বৰপেটা আৰু কামৰূপ জিলাত ধান কিনাৰ ব্যৱস্থা বর্তমান লোৱা নাই।

(গ) F.C.I. দ্বাৰা নামনি অসমৰ নলবাৰী, ওদালগুৰি, কোকৰাঝাৰ জিলাত ধান বিক্রীৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। বৰপেটা আৰু কামৰূপ জিলাতো এই ব্যৱস্থা অতি সোনকালে কৰা হ'ব। বাকী থকা

জিলাকেইখনটো যাতে কৃষকসকলে F.C.I. ৰ ওচৰত ধান বিক্রী কৰিব পাৰে তাৰ বাবে চৰকাৰে F.C.I. ৰ লগত যোগাযোগ কৰি আছে।

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্র।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

১১৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১২৫ নং ডুমডুমা সমষ্টিৰ অন্তর্গত কিমানটা অঙ্গনৱাড়ী কেন্দ্র আছে?

(খ) এই অঙ্গনৱাড়ী কেন্দ্রসমূহত অঙ্গনৱাড়ী কর্মী আৰু সহায়িকাৰ কিমান পদ বর্তমান খালী আছে?

(গ) তিনিচুকীয়া জিলাত অঙ্গনৱাড়ী কর্মীসমূহৰ কিমান সংখ্যক পৰিদর্শক আছে?

(পৰিদর্শক সকলৰ নাম আৰু এলেকা সদনত মেজত দাখিল কৰিব)

(ঘ) অসমত থকা অঙ্গনৱাড়ী কেন্দ্রসমূহ মেৰামতি কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীঅকণ ববা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১২৫ নং ডুমডুমা সমষ্টিৰ অন্তর্গত হাপজান শিশু উন্নয়ন প্রকল্পত ১৬৪ টা আৰু কাকপথাৰ শিশু উন্নয়ন প্রকল্পত ১৩১ টা (মুঠ ২৯৫টা) অঙ্গনৱাড়ী কেন্দ্র আছে।

(খ) হাপজান শিশু উন্নয়ন প্রকল্পত আৰু কাকপথাৰ শিশু উন্নয়ন প্রকল্পত বর্তমান খালী হৈ থকা অঙ্গনৱাড়ী কর্মী আৰু সহায়িকাৰ সংখ্যা এনেধৰণৰ ঃ

	অঙ্গনৱাড়ী কর্মী	অঙ্গনৱাড়ী সহায়িকা
হাপজান সংহত শিশু উন্নয়ন প্রকল্পত -	২ টা	৭ টা।
কাকপথাৰ সংহত শিশু উন্নয়ন প্রকল্পত	১ টা	১ টা।
	মুঠ ৩ টা	৮ টা

(গ) তিনিচুকীয়া জিলাত বর্তমান ৩৪গৰাকী মুখ্য সেৱিকা আছে। (প্রকল্প ভিত্তিত মুখ্য সেৱিকাসমূহৰ নাম আৰু এলেকাৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(ঘ) এই সন্দর্ভত জৰীপ কৰিবলৈ নির্দেশ দিয়া হৈছে।

বিষয় ঃ ধানৰ মূল্য।

শ্রীশিৱচৰণ বসুমতাৰীয়ে সুধিছে ঃ

১১৫। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, ধান উৎপাদন কৰি অসম চৰকাৰে যোৱা ২০১০-১১ চনত বঁটা পাবলৈ সক্ষম হোৱা সত্ত্বেও কিন্তু ধানবোৰৰ উচিত মূল্য নোপোৱাত কৃষকৰ বহু ক্ষতি হৈছে?

(খ) যদি জ্ঞাত, তেন্তে উক্ত উৎপাদিত ধানৰ উচিত মূল্য পাব পৰা কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১০-১১ চনত ধানৰ উৎপাদন বৃদ্ধি হোৱা সত্ত্বেও ধানবোৰৰ উচিত মূল্য সকলো খেতিয়কে নোপোৱা বিষয়ে চৰকাৰ জ্ঞাত।

(খ) খেতিয়কসকলে যাতে ধাৰ উচিত মূল্য পাব পাৰে তাৰ বাবে চৰকাৰে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে —

(১) ২০১০-১১ চনত চৰকাৰৰ প্ৰচেষ্টাত ৰাজ্যৰ নগাঁও, মৰিগাঁও, যোৰহাট, গোলাঘাট, শোণিতপুৰ আৰু দৰং জিলাত মুঠ ২,৩২,৮২০ কুইণ্টল ধান ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা নিম্নতম সমৰ্থন মূল্যত ক্ৰয় কৰাৰ ব্যৱস্থা কৰা হয়। ইয়াৰোপৰি, খেতিয়কৰ সুবিধাৰ বাবে ধান ক্ৰয় কৰা সময় ২ আগষ্টলৈ বৃদ্ধি কৰা হয়।

(২) ২০১০-১২ চনৰ বাবে ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা ধান ক্ৰয়ৰ বাবে ইতিমধ্যে ১২খন জিলাত ১৩টা ধান সংগ্ৰহ কেন্দ্ৰ স্থাপন কৰা হৈছে। অনতিপলমে আন ৮টা কেন্দ্ৰ স্থাপন কৰা হ'ব। এই কেন্দ্ৰসমূহৰ জৰিয়তে ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা ১৫ আগষ্ট, ২০১২ চন পৰ্য্যন্ত ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে।

ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা ধান ক্ৰয়ৰ ব্যৱস্থা সম্পৰ্কে খেতিয়কক সচেতন কৰিবলৈ ইতিমধ্যে সংবাদ মাধ্যম আৰু কৃষি বিভাগৰ দ্বাৰা যাৱতীয় প্ৰচাৰ কৰা হৈছে।

বিষয় ঃ পাৱাৰ টিলাৰ আৰু ট্ৰেক্টৰ বিতৰণ।

শ্ৰীস্বপন কৰে সুধিছে ঃ

১১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

হোজাই মহকুমাৰ হোজাই, যমুনামুক আৰু লামডিং সমষ্টিত যোৱা বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈ কিমানখন পাৱাৰ টিলাৰ, ট্ৰেক্টৰ বিতৰণ কৰা হ'ল আৰু কি যোগ্যতাৰ ভিত্তিত হিতাধিকাৰী বাছনি কৰা হৈছে?

(সমষ্টি ভিত্তিত জনাব)

শ্ৰীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

যোৱা বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈ পাৱাৰটিলাৰ, ট্ৰেক্টৰ বিতৰণ কৰাৰ সমষ্টি ভিত্তিক তথ্য তলত দিয়া হ'ল।

ক্ৰমিক নং	সমষ্টি	পাৱাৰ টিলাৰ	ট্ৰেক্টৰ
১	হোজাই	২২ খন	৪ খন
২	যমুনামুখ	২০ খন	১ খন
৩	লামডিং	২১ খন	২ খন

হিতাধিকাৰীৰ বাছনি বিভাগীয় নীতি অনুযায়ী কৰা হয়। বিভিন্ন আঁচনিৰ হিতাধিকাৰী বাছনিৰ নীতি Annexure – 1 - 4 লৈ সংলগ্ন কৰা হ'ল। (See Annexure – XVI)

Sub : Sitting of committee meeting.

Shri Rajendra Prasad Singh asked :

117. Will the Minister of Social Welfare be pleased to state:

(a) How many sitting of vigilance & monitoring committee meeting held since last year of ICDS project, Tinsukia Town?

(b) If not, why? (Please give the reasons)

(c) Give the expenditure centrewise with name of the workers?

Sri Akon Bora (Minister of Social Welfare Department) replied :

(a) One sitting of Vigilance & Monitoring Committee meeting held on 13th December/2011.

(b) Does not arise.

(c) Details of Expenditure Centrewise with the name of the workers is enclosed at Annexure-I.

(See Annexure – XVII)

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্রৰ সংখ্যা।

শ্রীআলী হুছইনে সুধিছে ঃ

১১৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৪৬ নং সৰুক্ষেত্রী সমষ্টিত বর্তমান কিমানটা অঙ্গনৱাড়ী কেন্দ্র আছে?

(খ) এই কেন্দ্রসমূহৰ ঘৰবিলাকৰ অৱস্থা বর্তমান কেনেকুৱা?

(গ) প্রত্যেকটো কেন্দ্রত কিমানজন ল'ৰা আৰু কিমান জনী ছোৱালী আছে? (কেন্দ্র ভিত্তিত জনাব)

(ঘ) জনসংখ্যা অনুপাতে আৰু কিমানটা অঙ্গনৱাড়ী কেন্দ্রৰ প্রয়োজন আছে?

(ঙ) উক্ত কেন্দ্রসমূহৰ নামত চলিত বিত্তীয় বর্ষত কিমান টকা আৱণ্টন দিয়া হৈছিল। উক্ত টকাৰে কেন্দ্রসমূহত শিশুসকলৰ কি কি খাদ্যৰ যোগান ধৰা হৈছিল?

(চ) বিভিন্ন অঙ্গনৱাড়ী কেন্দ্রৰ শিশুসকলৰ খাদ্য যোগান ধৰাক লৈ বিভিন্ন খেলি-মেলি সম্পর্কে চৰকাৰ অৱগতনে? যদি অৱগত, চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৪৬ নং সুৰক্ষেত্রী সমষ্টিত ৩ টা সংহত শিশু উন্নয়ন প্রকল্প আছে। এই প্রকল্প তিনিটা হ'ল সৰুক্ষেত্রী সংহত শিশু উন্নয়ন প্রকল্প, পাকা

বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প আৰু বৰপেটা সংহত শিশু উন্নয়ন প্ৰকল্প।

প্ৰকল্প তিনিটাত থকা অনুমোদিত অঙ্গনবাদীসমূহ হ'ল —

(১) সৰুক্ষেত্ৰী - ১০৯ টা অঙ্গনবাদী কেন্দ্ৰ।

(২) পাকা বেতবাৰী - ২২৮ টা অঙ্গনবাদী কেন্দ্ৰ।

(৩) বৰপেটা - ১০৮ টা অঙ্গনবাদী কেন্দ্ৰ।

মুঠ **৪৪৫ টা অঙ্গনবাদী কেন্দ্ৰ**

এই অনুমোদিত কেন্দ্ৰসমূহৰ ভিতৰত কাৰ্য্যকৰী হৈ থকা অঙ্গনবাদী কেন্দ্ৰৰ সংখ্যা হ'ল —

(১) সৰুক্ষেত্ৰী - ১০৯ টা

(২) পাকা বেতবাৰী - ২২৮ টা

(৩) বৰপেটা - ৮৯ টা

মুঠ ৪২৬ টা

(খ) এই প্ৰকল্প তিনিটাত কাৰ্য্যকৰী হৈ থকা ৪২৬ টা অঙ্গনবাদী কেন্দ্ৰৰ ঘৰসমূহৰ অৱস্থা কিছু সংখ্যকৰ প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে কিছু ক্ষয়ক্ষতি হৈছে।

(গ) প্ৰকল্প তিনিটাৰ কেন্দ্ৰমূহৰ বিপৰীতে ল'ৰা-ছোৱালীৰ সংখ্যাৰ তালিকা 'ক' গাঁঠি দিয়া হ'ল। (See Annexure – XVIII)

(ঘ) সংশ্লিষ্ট শিশু উন্নয়ন প্রকল্প বিষয়াৰ পৰা পোৱা প্ৰতিবেদন মতে জনসংখ্যা অনুপাতে প্ৰয়োজনীয় অতিৰিক্ত অঙ্গনৱাদী কেন্দ্ৰৰ সংখ্যা বিবেচনা কৰি থকা হৈছে।

(ঙ) চলিত ২০১১-১২ বিত্তীয় বছৰটোত বৰ্তমানলৈ আৱণ্টন দিয়া পুঁজিৰ পৰিমাণ প্ৰকল্প অনুযায়ী তলত দিয়া হ'ল —

(১)	সৰুক্ষেত্ৰী	৮১,৪২,৩০০.০০ টকা
(২)	পাকা বেতবাৰী	১,৭০,৩১,৬০০.০০ টকা
(৩)	বৰপেটা	৬৬,৪৮,৩০০.০০ টকা
	মুঠ	৩,১৮,২২,২০০.০০ টকা

উক্ত টকাৰে শিশুসকলৰ খাদ্য হিচাবে খিচিৰি, চুজি আদি যোগান ধৰা হৈছে। ৰাতিপুৱাৰ খাদ্য হিচাবে সিজোৱা কণী, ফল-মূল আদি যোগান ধৰা হৈছে।

(চ) আৱন্তণিতে কিছু সংখ্যক অঙ্গনবাদী কেন্দ্ৰত নীতি-নিৰ্দেশনা সম্পৰ্কে স্থানীয় এলেকাৰ ৰাইজৰ মাজত ভুল বুজা-বুজিৰ বাবে কিছু খেলি-মেলিৰ সৃষ্টি হৈছিল। কিন্তু অঙ্গনবাদীকেন্দ্ৰত পৰিচালনা সমিতি গঠন হোৱাৰ লগে লগে প্ৰত্যেক কেন্দ্ৰৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাজইৰ সহযোগত সেই খেলি-মেলিসমূহ দূৰ হৈছে।

বিষয় ঃ ৰবি খেতি।

শ্রীএতোৱা মুণ্ডাই সুধিছে ঃ

১১৯। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বছৰটোৰ কোনটো কোনটো মাহত কি কি ৰবি খেতি কৰা হয় জনাবনে?

(খ) সৰিয়হ আৰু আলু খেতিৰ বাবে শেহতীয়াকৈ নৱেম্বৰ মাহৰ শেষ ভাগত বিতৰণ কৰাটো চৰকাৰ অৱগতনে? যদি অৱগত, চেপ্তেম্বৰ-অক্টোবৰ মাহত যোগান নধৰাকৈ নৱেম্বৰৰ শেষত যোগান ধৰাৰ কাৰণ কি?

(গ) কি কি ৰবি শস্য কোন কোন জিলাত এই বছৰ কিমান কিমান পৰিমাণৰ যোগান ধৰা হ'ল? (জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব)

(ঘ) কল খেতি আৰু আনাৰস খেতিৰ বাবে বিভাগে কি কি ব্যৱস্থা হাতত লৈছে?

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তলত উল্লেখ কৰা ধৰণে বিভিন্ন মাহত কৰা বিভিন্ন ৰবি শস্যৰ খেতি এনেধৰণৰ ঃ

ক্রমনং	ৰবি শস্যৰ নাম	বীজ সিঁচা সময়
১।	বৰো ধান	নৱেম্বৰৰ পৰা ডিচেম্বৰ মাহ পর্যন্ত
২।	আগতয়া আহু	ফেব্রুৱাৰীৰ পৰা মার্চ মাহলৈকে
৩।	ঘেঁহু	নৱেম্বৰৰ মাজভাগৰ পৰা ডিচেম্বৰৰ মাজভাগলৈ
৪।	ৰবি বতৰত কৰা মাকৈ	চেপ্তেম্বৰৰ মাজভাগৰ পৰা নৱেম্বৰৰ মাজভাগলৈ
৫।	গ্রীষ্মকালীন মাটিমাহ	ফেব্রুৱাৰীৰ মাজভাগৰ পৰা মার্চ মাহৰ মাজভাগলৈ
৬।	গ্রীষ্মকালীন মগুমাহ	ফেব্রুৱাৰীৰ মাজভাগৰ পৰা মার্চ মাহৰ মাজভাগলৈ
৭।	মচুৰ মাহ	অক্টোবৰৰ মাজভাগৰ পৰা নৱেম্বৰৰ মাজভাগলৈ
৮।	মটৰ মাহ	অক্টোবৰৰ মাজভাগ
৯।	সৰিয়হ	অক্টোবৰৰ মাজভাগৰ পৰা নৱেম্বৰৰ মাজভাগলৈ
১০।	আলু	অক্টোবৰৰ মাজভাগৰ পৰা ডিচেম্বৰৰ মাজভাগ
১১।	ৰবি বতৰত কৰা শাক-পাচলি	চেপ্তেম্বৰ মাজভাগৰ পৰা মার্চ মাহলৈকে

(খ) অৱগত। বীজ সিঁচাৰ অনুমোদিত সময়ৰ ভিতৰতে কৃষকক যোগান ধৰা হৈছে।

(গ) জিলা ভিত্তিক তথ্য সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(Annexure –A) (See Annexure – XIX)

(ঘ) কল খেতিৰ সম্প্রসাৰণৰ বাবে বিভাগে উদ্যান শস্যৰ প্রযুক্তি অভিযানৰ জৰিয়তে প্রতি হেক্টৰ কৃষিভূমিত ৩৯,৩৭৫.০০ টকাকৈ ৰাজসাহায্য

আগবঢ়াই মুঠ ৯৭৫ হেক্টৰ কৃষিভূমি কলখেতিৰ অধীনত সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেনেদৰে, আনাৰস খেতিৰ ক্ষেত্ৰত উদ্যান শস্যৰ প্ৰযুক্তি অভিযানৰ জৰিয়তে প্ৰতি হেক্টৰ কৃষিভূমিত ৩৯,৩৭৫.০০ টকাকৈ ৰাজসাহায্য আগৱঢ়াই মুঠ ৫০০ হেক্টৰ কৃষিভূমি সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্ৰলৈ ধনৰ আৱণ্টন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১২০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অঙ্গনৱাড়ী কেন্দ্ৰসমূহত বৰ্তমান কি কি আঁচনি ৰূপায়িত হৈ আছে? একোটা অঙ্গনৱাড়ী কেন্দ্ৰত প্ৰতিমাহে প্ৰতিটো আঁচনিৰ বিপৰীতে কি হিচাপত কিমান টকাকৈ আৱণ্টন দিয়া হ'ব?

(বিতং তথ্য দাখিল কৰিব)

(খ) মৈৰাবাৰী আৰু জুৰিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত থকা অঙ্গনৱাড়ী কৰ্মীসকলৰ নাম আৰু সহায়িকাৰ নামসহ অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ নামৰ তালিকা সদনত দাখিল কৰিবনে?

(গ) মৈৰাবাৰী, বটদ্ৰৱা আৰু জুৰিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত এই বছৰ কিমান সংখ্যক অঙ্গনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হৈছে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অঙ্গনৱাদী কেন্দ্রসমূহত বর্তমানে ৰূপায়িত হৈ থকা আঁচনিসমূহৰ নাম তলত উল্লেখ কৰা হ'ল —

(১) বিশেষ পুষ্টিকৰ আঁচনি (Special Nutrition programme)

(২) প্রাক-প্রাথমিক শিক্ষা (Pre-School Education)

(৩) স্বাস্থ্য পৰীক্ষা (Health Chekup)

(৪) প্রতিষেধক ছিটা সেৱা (Immunization)

(৫) পুষ্টি আৰু স্বাস্থ্য শিক্ষা (Nutrition & Health Education)

(৬) প্রেৰিত সেৱা (Referral Service)

(খ) মৈৱাবাৰী আৰু জুৰিয়া সংহত শিশু উন্নয়ন প্রকল্পৰ অধীনত থকা অঙ্গনৱাদী কর্মী আৰু সহায়িকা সকলৰ নামৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(গ) চলিত বিত্তীয়বর্ষত বটদ্রৱা শিশু উন্নয়ন প্রকল্পত ১৫ টা অঙ্গনৱাদী কেন্দ্রৰ গৃহ নির্মাণৰ কাম চলি আছে। আনহাতে, মৈৱাৰাৰী আৰু জুৰিয়া সংহত শিশু উন্নয়ন প্রকল্প দুটাত ক্রমে ২০টা আৰু ৩০ টা গৃহ নির্মাণৰ কামৰ আৱণ্টন দিয়া হৈছে।

বিষয় ঃ পর্য্যটনস্থলী ঘোষণা।

শ্রীপ্রৱীন হাজৰিকাই সুধিছে ঃ

১২১। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰে জ্ঞাতনে, বুৰঞ্জী প্রসিদ্ধ বিশ্বনাথ ঘাট (গুপ্তকাশী) পর্য্যটক সকলক আকর্ষণ কৰিব পৰাকৈ ব্রহ্মপুত্র নদীৰ পাৰত ৩৩ খন দেৱালয়ৰে অৱস্থিত ঠাই?

(খ) যদি জ্ঞাত, উক্ত ঠাইখন পর্য্যটক নগৰীলৈ ৰূপান্তৰিত কৰাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(গ) যদি লোৱা নাই, তেন্তে ভৱিষ্যতে কিবা আঁচনিৰ ব্যৱস্থা লৈছে নেকি?

(ঘ) কেন্দ্রীয় চৰকাৰলৈ এই ক্ষেত্রত ৰাজ্য চৰকাৰে প্রেৰণ কৰা নতুন আঁচনি আছে নেকি?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ভাৰত চৰকাৰৰ পর্য্যটন মন্ত্রালয়ৰ দ্বাৰা অনুমোদিত ২০০৬-০৭ চনত অনুমোদিত আঁচনিৰ ধনেৰে নির্মিত বিশ্বনাথ ঘাটত ব্রহ্মপুত্র নদীৰ পাৰত দেৱালয়ৰ সমীপতে এটি পর্য্যটক নিবাস আছে। লগতে ব্রহ্মপুত্র নদীত পাৰত প্রায় ৬০০ মিটাৰ সামৰি পদপথ নির্মাণ, বাটচৰা, ৰেলিং, ফেনচিং, ভিও পইণ্ট, গাড়ী চালকৰ

জিৰণি ঘৰ, ঘাট নির্মাণ আদি সৌন্দর্য্য বর্দ্ধনৰ কাম কৰা হৈছে। এই আঁচনি ইতিমধ্যে সম্পূর্ণ হৈছে।

(গ) 'খ'ত উল্লেখ কৰা হৈছে।

(ঘ) বর্তমানে নাই।

বিষয় ঃ পর্য্যটনস্থলী উন্নয়ন।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

১২২। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ কোন কোন ঠাই বা স্থলী পর্য্যটনৰ বাবে চৰকাৰে বিবেচিত কৰিছে?

(তালিকা দাখিল কৰিব)

(খ) বিগত ৫ বছৰত সেই পর্য্যটনস্থলী বিলাকৰ উন্নতিৰ কল্পে চৰকাৰে কিমান টকাৰ, কি কি আঁচনি ৰূপায়ণ কৰিছে?

(বিতং তথ্য সদনত দাখিল কৰিব)

(গ) বর্তমানে সেইবোৰ উন্নয়নৰ বাবে কি কি আঁচনি প্রস্তুত কৰিছে?

(যদি কৰা নাই, তেন্তে কিমানদিনৰ ভিতৰত কৰিব সদনত জনাব)

(ঘ) উক্ত পর্য্যটন স্থলীসমূহ আটকধুনীয়া কৰি গঢ়ি তুলিবলৈ চৰকাৰে বিশেষ পেকেজৰ ব্যৱস্থা কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত তলত উল্লেখ কৰা স্থলীসমূহত পর্য্যটন উন্নয়নৰ বাবে অনুমোদন কৰা হয় —

(১) নেতাই ধুবুনী ঘাট, ধুবুৰী (২) পাঁচ পীৰ দৰগাহ, ধুবুৰী, (৩) মহাষ্টমী স্থান ঘাট, ধুবুৰী, (৪) ৰামৰাই কুটী সত্রশাল, (৫) মানকাছাৰ (কামাখ্যা মন্দিৰ আৰু মিৰজুমলা), (৬) মহামায়া ধাম, বগৰীবাৰী, (৭) মহামায়া স্নানঘাট, সুৰাঘাট, বগৰীবাৰী আৰু (৮) ফলৰিকান উদ্যান, বিলাসীপাৰা।

(খ) বিগত পাঁচ বছৰত উক্ত পর্য্যটনস্থলী সমূহৰ কাৰণে অনুমোদিত পুঁজি আদিৰ বিতং তলত উল্লেখ কৰা ধৰণে —

প্রকল্পৰ নাম	অনুমোদন ৰাশি	মুকলি কৰা ৰাশি	আঁচনিসমূহ
১) নেতাই ধুবুনী ঘাট, ধুবুৰী	৮৪.১৮ লক্ষ্য	৬৭.৩৪ লক্ষ্য	Watch Tower cum Restaurant, Kitchen, Toilet Block, Deep Tubewell boring, Dev. of Ghat, Const. of pathway etc.
২) পাঁচপীৰ দৰগাহ, ধুবুৰী	৮.৪১ লক্ষ্য	৬.৭৩ লক্ষ্য	উজঘৰ, গভীৰ নলীনাদ চৌহদ উন্নিতকৰণ ইত্যাদি
৩) মহাষ্টমীস্নান ঘাট, ধুবুৰী	২৫.২৮ লক্ষ্য	২০.২২ লক্ষ্য	Const. of Exitway from Mahastami Snanghat to DG Road.

৪)	ৰামৰাইকুটী সত্ৰ, সত্ৰশাল	২৫.২৬ লক্ষ্য	২০.২১ লক্ষ্য	Public Convenience, Rest House-2 Nos. Deep Tubewell boring, Water Staging etc.
৫)	মানকছাৰ (কামাখ্যা মন্দিৰ আৰু মিৰজুমলা)	১৬.৮৪ লক্ষ্য	১৩.৪৭ লক্ষ্য	Public Toilet 2 Nos. Deep Tubewell Steps etc.
৬)	মহামায়া ধাম, বগৰীবাৰী	২৩.৮৪ লক্ষ্য	১৩.৪৭ লক্ষ্য	Kiosk-2 Nos. Public Conviences, Water staging-1 No. Deep tubewel boring
৭)	মহামায়া স্নান ঘাট, খোৰাঘাট বগৰীবাৰী আৰু	১৬.৮৬ লক্ষ্য	১৩.৪৬ লক্ষ্য	Yatriniwas alongwith 4 Nos. attached Toilet
৮)	ফলৰিকান উদ্যান, বিলাসীপাৰা	২১.০৭ লক্ষ্য	১৬.৮৫ লক্ষ্য	Kiosk-2 Nos. Public Convience 1 No. sitting Bench (outdoor) 7 Nos.

(গ) বৰ্তমান উক্ত প্ৰকল্প/আঁচনিসমূহৰ ৰূপায়ণ ইতিমধ্যে শেষ হৈছে।

(ঘ) প্ৰশ্ন নং 'খ' আৰু 'গ'ৰ বিপৰীতে উল্লেখ কৰা অনুযায়ী ইতিমধ্যে ৰূপায়ণ সম্পূৰ্ণ কৰা হৈছে আৰু পৰ্যটকক আকৰ্ষণ কৰিবলৈ প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

Sub : Total Nos. of blind persons.

Sri Abdur Rahman Ajmal asked :

123. Will the Minister of Social Welfare be pleased to state:

(a) What is the total number of blind persons in Assam ? (Statement showing list of such person district-wise be enclosed)

(b) What are the scheme undertaken by the Social Welfare Depertment to provide assistance to such blind persons ?

(c) How dose the Government intend to implement these schemes and how far these schemes have been implemented ?

Sri Akon Bora (Minister of Social Welfare Department) replied :

(a) Total Number of blind person in the State of Assam are 282056 numbers as per 2001 data received on (copy of the statement enclosed). (See Annexure – XX)

(b) The following schemes have been implemented for blind persons:-

i) Scholarship

ii) Rehabilitation grant

iii) Unemployment allowance

iv) Blind School.

(c) The schemes have been implemented by Social Welfare Depertment through District Social Welfare Officers.

বিষয় ঃ নতুন আঁচনি গ্রহণ।

শ্রীকেশৱ মহন্তই সুধিছে ঃ

১২৪। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ বিধানসভা সমষ্টি পর্য্যটনৰ বাবে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানকে ধৰি বহু সম্ভাৱনাপূর্ণ অঞ্চল, এই অঞ্চলসমূহ পর্য্যটকক আকর্ষণ কৰিব পৰা কিবা আঁচনি গ্রহণ কৰিছে নেকি?

(খ) যদি কৰিছে, স্থানসমূহৰ নাম আৰু আঁচনি অনুযায়ী ধার্য্য কৰা ধনৰ পৰিমাণসহ বিতং তথ্য দিবনে?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গ্রহণ কৰা হৈছে।

(খ) স্থানসমূহৰ নাম আৰু আঁচনি অনুযায়ী ধার্য্য কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল —

১) কাজিৰঙা উদ্যানৰ ওচৰতে কলিয়াবৰ সমষ্টিৰ অধীনত কুঠৰীত

অৱস্থিত প্ৰয়াত শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ পুৰণি বাসভৱন ও চৌহদ সামৰি পৰ্য্যটন বিভাগক গতাই দিয়া ৭ বিঘা মাটিত ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰালয়ৰ পৰা পোৱা ৬৯.৯৬ লক্ষ টকাৰে এখনি পৰ্য্যটন ক্ষেত্ৰ তুলিবলৈ লোৱা হৈছে। ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে।

২) জখলাবন্ধ কাজিৰঙা পথৰ ফুলগুৰিত অৱস্থিত পৰ্য্যটন চৌহদত ভাৰত চৰকাৰৰ ২৪২.৪৬ লক্ষ টকাৰ অৰ্থ সাহায্যৰে চৌহদটিত পৰ্য্যটক শিবিৰ, পদপথ নিৰ্মাণ আদিৰ নিৰ্মাণৰ কাৰ্য্য চলি আছে।

৩) কলিয়া-ভোমোৰা দলঙৰ কাষত মুঠ ৩৩৩.৫৭ লক্ষ্য টকাৰ অৰ্থ সাহায্যৰে এটি জলক্ৰীড়া ও পৰ্য্যটক বিনোদন প্ৰকল্প ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু পৰ্য্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে।

বিষয় ঃ সীমান্তৰ জৰীপ।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

১২৫। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বগী নদী ওখমাটিৰ পৰা চিয়াজুলিলৈকে বিস্তৃত অসম আৰু অৰুণাচলৰ সীমাত অসমৰ ভূমি ভাগৰ জৰীপ কাৰ্য্য সম্পাদন কৰা হ'লনে?

(খ) অসমৰ কিমান পৰিমাণৰ ভূমি অৰুণাচলীৰ দ্বাৰা বেদখলীকৃত হৈ আছে। (বিতং তথ্য দাখিল কৰিব)

(গ) এই সীমা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হ'ল।

(খ) অসমৰ প্ৰায় ৯১৯৫.৪৮ হেক্টৰ পৰিমাণৰ ভূমি অৰুণাচলীৰ দ্বাৰা বেদখলীকৃত হৈ আছে। বিতং তথ্য পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure – XXI)

(গ) সীমা সুৰক্ষাৰ ক্ষেত্ৰত অসম চৰকাৰে চুবুৰীয়া ৰাজ্যৰ সীমান্ত সমূহত সীমান্ত আৰক্ষী চকী (BOP) নিৰ্মাণ কৰি তাত অসম পুলিচ মোতায়েন কৰি ভৱিষ্যতে বেদখল নোহোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰোপৰি গোলাঘাট জিলাৰ অসম নাগালেণ্ড সীমান্তত নিৰপেক্ষ বাহিনী (Neutral Force) নিয়োগ কৰি A,B,C আৰু D চেক্টৰত বেদখল প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি সীমান্তসমূহত উন্নয়নৰ ব্যৱস্থা কৰা লগতে সীমা সুৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী, ৰাজহ আৰু বন বিভাগৰ দ্বাৰা চোকা দৃষ্টি ৰখা হৈছে।

বিষয় ঃ প্ৰাদেশীকৃত সম্পাদক নিযুক্তি।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১২৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন সমবায় সমিতি আছে?

(খ) তাৰে কিমানখন সমিতিত প্ৰাদেশীকৃত সম্পাদক নাই; এই বিষয়ত চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, তেন্তে কি ব্যৱস্থাৰে সমিতি সমূহৰ কাম-কাজ চলি আছে?

(ঘ) এই সমিতি সমূহৰ কাৰ্য্যনিৰ্বাহ কৰি থকা ভাৰপ্ৰাপ্ত সম্পাদক সকলক প্ৰাদেশীকৃত কৰণৰ ব্যৱস্থা চৰকাৰে কৰিবনে, নে নতুন সম্পাদক নিযুক্তিকৰণ কৰিব?

(ঙ) যদি কৰে, কেতিয়া কৰিব?

(চ) যদি নকৰে, কিয় নকৰে?

শ্ৰীছিদ্দেক আহমেদ (সমবায় বিভাগৰ (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্বমুঠ ৭,৫৬০ খন সমবায় সমিতি আছে।

(খ) এনে সমবায় সমিতি সমূহত কাৰ্য্যনিৰ্বাহ কৰিবৰ বাবে প্ৰাদেশীকৃত সম্পাদক বুলি কোনো পদবী নাই। গতিকে এনে প্ৰাদেশীকৃত সম্পাদক নথকা সমবায় সমিতিৰ সংখ্যাৰ প্ৰশ্ন নুঠে।

(গ) সমবায় সমিতি সমূহৰ সম্পাদক আৰু অন্যান্য কৰ্মচাৰীৰ নিযুক্তিৰ বিষয়টো অসম সমবায় বিধিৰ (১৯৫৩) অনুচ্ছেদ 35 (iv) আৰু (v) অনুযায়ী সমবায় সমিতি এখনৰ কাৰ্য্যকৰী কমিটি (Managing Committee) কৰ্তৃত্বশীল।

(ঘ) সমবায় সমিতিসমূহ স্বায়ত্ব শাসিত অনুষ্ঠান। এই অনুষ্ঠান সমূহৰ

কর্মচাৰী নিযুক্তি কৰাৰ দায়িত্ব তেওঁলোকৰ নিজৰ। এই সমিতি সমূহত কার্য্যনির্বাহ কৰি থকা ভাৰপ্রাপ্ত সম্পাদক সকলৰ চাকৰি প্রাদেশীকৰণৰ প্রশ্ন নুঠে।

(ঙ) প্রশ্ন নুঠে।

(চ) উত্তৰ ওপৰৰ (গ) আৰু (ঘ) অংশত দিয়া হৈছে।

বিষয় ঃ আঁচনি ৰূপায়ণ সম্পর্কে।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

১২৭ মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ বিধানসভা সমষ্টিত সমাজ কল্যাণ বিভাগে যোৱা ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বর্ষত কি কি আঁচনি ৰূপায়ণ কৰিছে? উক্ত আঁচনি সমূহৰ আৱণ্টিত ধনৰ পৰিমান কেনে ধৰণৰ আছিল? (বিতং তথ্য আঁচনি অনুযায়ী দিব)

(খ) উক্ত বিত্তীয় বছৰত আঁচনি সমূহৰ দ্বাৰা উপকৃত হোৱা হিতাধাকাৰীৰ নাম ঠিকনা আঁচনি সহকাৰে পঞ্চায়ত ভিত্তিত সদনৰ মজিয়াত দাখিল কৰিব?

(গ) উক্ত আঁচনি সমূহৰ ৰূপায়ণৰ বিভাগীয় নীতি নির্দেশনাৱলী সদনৰ মজিয়াত দাখিল কৰিব?

(ঘ) জলেশ্বৰ বিধানসভা সমষ্টিৰ সৰ্বমুঠ অঙ্গনবাদী কেন্দ্ৰৰ নাম, ঠিকনা লগতে কৰ্মৰত কৰ্মী সহায়িকা সকলৰ নাম সহকাৰে দাখিল কৰিব?

(ঙ) গৃহ নিৰ্মাণ আঁচনিৰ অধিনত সৰ্বমুঠ উক্ত কেন্দ্ৰসমূহৰ কিমানটা সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে? (ঠিকাদাৰৰ নাম আৰু আৱণ্টিত ধনৰ পৰিমাণৰ সৈতে উল্লেখ কৰিব)

শ্ৰীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জলেশ্বৰ বিধানসভা সমষ্টিত, সমষ্টি ভিত্তিত ৰূপায়ণ কৰা আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল ঃ

বৰ্ষ	আঁচনিৰ নাম
২০১০-১১	1. Financial Incentive to Girls Belonging to BPL Families who marry after attaining the age of 20 (twenty) years (Na-bowari) 2. Empowerment of Unmarried and Unemployed Single Women and Widows (Nabou-Baidou)

উক্ত আঁচনিসমূহৰ বাবে জলেশ্বৰ বিধানসভা সমষ্টিত আৱণ্টিত ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল —।

ক্ৰ. নং	আঁচনিৰ নাম	ধনৰ পৰিমাণ
১	Financial Incentive to Girls Belonging to BPL Families who marry after attaining the age of 20 (twenty) years (Na-bowari) (one-time grant for 2010-11	৭,০০.০০০.০০ টকা
২	Empowerment of Unmarried and Unemployed Single Women and Widows (Nabou-Baidou) one-time grant for 2010-11	৩৯,২০,০০০.০০টকা

(খ) বাইদেউ-নবৌ আৰু ন-বোৱাৰী আঁচনিৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(গ) আঁচনি সমূহৰ নীতি-নির্দেশনাৱলী (তালিকা 'ক') সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) জলেশ্বৰ বিধানসভা সমষ্টিত জলেশ্বৰ সংহত শিশু উন্নয়ন প্রকল্প আৰু জামাদাৰহাট সংহত শিশু উন্নয়ন প্রকল্পৰ সর্বমুঠ অঙ্গনবাদী কেন্দ্রৰ নাম ঠিকনাৰ লগতে কর্মৰত কর্মী, সহায়িকা সকলৰ নামৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(ঙ) জলেশ্বৰ বিধানসভা সমষ্টিৰ জলেশ্বৰ সংহত শিশু উন্নয়ন প্রকল্পৰ অধীনত সর্বমুঠ ১২২ টা অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ সম্পূর্ণ হৈছে। ১৮ টা কেন্দ্রৰ গৃহ নির্মাণ কার্য্য চলি আছে আৰু ৯৪ টাৰ বাকী আছে। আনহাতে, এই সমষ্টিৰ অন্তর্গত জামাদাৰহাট সংহত শিশু উন্নয়ন প্রকল্পৰ ২৮ টা অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ সম্পূর্ণ হৈছে আৰু ৬৯ টাৰ বাকী আছে। (তালিকা - "খ" সদনৰ সদনৰ মেজত দাখিল কৰা হ'ল)

বিষয় ঃ কর্মী সহায়িকাৰ পাৰিতোষিক আৰু এছ, এন, পি আদি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

১২৮ মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অঙ্গনৰাড়ীৰ কর্মী সহায়িকাই বর্ত্তমানে লাভ কৰি অহা পাৰিতোষিকৰ পৰিমাণৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে কৰ্মী সহায়িকাই লাভ কৰি অহা পাৰিতোষিকৰ পৰিমাণ সন্দৰ্ভত জনাবনে?

(গ) কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ পাৰিতোষিক বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰা সন্দৰ্ভত চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, কেতিয়াৰ পৰা পাৰিতোষিক বৃদ্ধি কাৰ্যকৰী কৰা হ'ব?

(ঘ) নগাঁও জিলাত ২০০৮-০৯, ২০০৯-১০, ২০১০-১১ আৰু ২০১১-১২ বৰ্ষত অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ বিপৰীতে SNP ৰ অধীনত খাদ্য যোগানৰ বাবে সঞ্চালকালয়ে বাছনি কৰা NGO/SHG ৰ নাম সভাপতি/সম্পাদকৰ নাম আৰু ঠিকনাসহ জনাবনে?

(ঙ) উক্ত সময়ছোৱাত NGO/SHG য়ে শিশু উন্নয়ন প্ৰকল্প ভিত্তিত অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ বিপৰীতে যোগান ধৰা পুষ্টিকৰ খাদ্যৰ বিস্তাৰিত তথ্য দিবনে?

(চ) উক্ত সময়ছোৱাত SNP ৰ খাদ্য যোগানৰ বাবে NGO/SHG ক মোকলাই দিয়া পুঁজিৰ তথ্য দিবনে?

(ছ) নগাঁও জিলাৰ কেবাখনো শিশু উন্নয়ন প্ৰকল্পৰ অধীনত বহু অঙ্গনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণ ঠিকাদাৰে আধৰুৱা কৰি ৰখাৰ বিষয়ে চৰকাৰ জ্ঞাতনে? (আধৰুৱা অঙ্গনৱাড়ী কেন্দ্ৰৰ তালিকা দিব)

(জ) যদি জ্ঞাত, তেন্তে কেন্দ্ৰৰ গৃহ নিৰ্মাণ কেতিয়া সম্পূৰ্ণ কৰা হ'ব।

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) পাৰিতোষিকৰ পৰিমাণ সন্দর্ভত চৰকাৰী অধিসূচনা জাৰি কৰা হৈছে। তালিকা 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure – XXII)

(গ) জ্ঞাত, ইতিমধ্যে কার্য্যকৰী কৰিবলৈ নির্দেশ দিয়া হৈছে আৰু কর্মী আৰু সহায়িকা সকলে ১ এপ্রিল, ২০১১ ৰ পৰা বর্দ্ধিত হাৰত পাৰিতোষিক লাভ কৰিব।

(ঘ) নগাঁও জিলাত ২০০৯-১০ আৰু ২০১০-১১ বর্ষত অঙ্গনবাদী কেন্দ্রসমূহত SNP যোগান ধৰা NGO/SHG ৰ নাম, সভাপতি/সম্পাদকৰ নাম আৰু ঠিকনাৰ তালিকা 'খ' ত গাঁঠি দিয়া হ'ল। (See Annexure – XXIII)

(ঙ) উক্ত কেন্দ্রসমূহত NGO/SHG ৰ জৰিয়তে চাউল আৰু মটৰ যোগান ধৰা হৈছিল।

(চ) উক্ত সময়ছোৱাত নগাঁও জিলাৰ বাবে NGO/SHG ৰ জৰিয়তে মোকলাই দিয়া ধনৰ পৰিমাণ হ'ল —

বর্ষ	ধনৰ পৰিমাণ
২০০৯-১০	৪,৫৪,৫০,৭৮০,৭৬ টকা
২০১০-১১	৬,৬৭,৪৮,৯৯২.০০ টকা

(ছ) ইতিমধ্যে জৰীপ চলাই থকা হৈছে।

(জ) প্রশ্ন নুঠে।

বিষয় ঃ AACP আঁচনি।

শ্রীশেখ শ্বাহ আলমে সুধিছে ঃ

১২৯ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

গোৱালপাৰা জিলাত AACP ৰ অধীনত কিমানখন ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ ২০০৬-০৭ ৰ পৰা আজিকোপতি কোন কোন হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হৈছে?

(বৰ্ষ অনুযায়ী হিতাধিকাৰীৰ নামৰ তালিকা দাখিল কৰিব)

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

২০০৬-০৭ বৰ্ষৰ পৰা বৰ্তমানলৈ AACP ৰ অধীনত গোৱালপাৰা জিলাত বিতৰণ কৰা ট্রেক্টৰ আৰু পাৱাৰ টিলাৰৰ সংখ্যা আৰু হিতাধিকাৰীৰ নাম তালিকা 'ক' গাঁঠি দিয়া হ'ল—

	২০০৬-০৭	২০০৭-০৮	২০০৮-০৯	২০০৯-১০	২০১০-১১	২০১১-১২ (১৫ ডিচেম্বৰ ২০১১ লৈ)	মুঠ
ট্রেক্টৰ	০৬ খন	২৫ খন	০২ খন	০	০৫খন	২৬ খন	৬৪ খন
পাৱাৰ টিলাৰ	১৮ খন	৫৮ খন	০১৫ খন	০	০	০	৯১ খন

Sub : Nos. of Women Prisoner.

Shri Sirajuddin Ajmal asked :

130. Will the Minister of Jail be pleased to state :

(a) How many Women Prisoners are there in Assam? (Please give the documents in details).

(b) What are the internationally accepted standard for Women Prisoners? (Please give in Details).

(c) Whether these standards are met in all the Jails of Assam?

Sri Akon Bora (Minister of Jail) replied :

(a) There are 341 Nos. of Women Prisoners in the Jails of Assam as on 15-11-2011. The Fortnightly Prisons Population Statements as on 15-11-2011 is enclosed as **(Annexure - A)** (See Annexure - xxiv)

(b) The State Government is not aware about the internationally accepted standards for Women prisoners.

However, the Government is aware about the rules adopted in the United Nations General Assembly for the Treatment of Women Prisoners and Non-

custodial Measures for Women Offenders known as 'Bangkok Rules' (21st December, 2010) Which provide guidance for the treatment of Women inprison and the management of women's prisons on, inter alia, healthcare, safety and security, contact with families, staff training pregnant women and mothers with children in prison. **(Annexure - B)** (See Annexure - xxv)

(c) Under the provisions of section 27 of the Prisons Act, 1984 and the instructions contained in the Chapter XLIX of the Assam Jails Manual, and amendments made in the year 2008, the State Government takes special care of women prisoner regarding safety and security, Healthcare, entertainment, clothing and bedding, diet, pregnant women and children of women prisoners. **(Annexure-C)** (See Annexure - XXVI)

Sub : Restriction of Trucks and Buses.

Shri Abdul Muhib Mazumder asked :

131. Will the Minister of Transport be pleased to state :

(a) Is there any restriction on movement of Trucks and Buses in respect of weight all over Assam?

(b) Is the Government aware that the Trucks and Buses with excess weight and over often over loaded are resonsible for the damage and destruction of Roads and Bridges?

(c) Is the Government aware that because of the Soil condition in the entire North East, heavy and over loaded Trucks and Buses are responsible for damage of Roads?

(d) Will the Government consider to ban entry of all Trucks and Buses except Mini Trucks and Mini Buses on all roads in Assam?

(e) Is the Government aware that several accidents particularly over bridges are on account of excess weight\over loading of the Trucks and Buses?

Sri Chandan Bahma (Minister of Transpot) replied :

(a) There are no restriction on the movement of truck and buses all over Assam, if they play within the limit of the gross vehicle weight of the vehicle as menioned in the Registration Certificate of each vehicle.

(b) Overloaded trucks and buses cause damage to both roads and bridges. Therefore, such vehicles are prosecuted against, whenever detected.

(c) Heavy and overloaded trucks are only one of the reasons affecting the quality of roads in Assam.

(d) As of date, there are no legal provisions to prevent the entry of trucks and buses in all roads of Assam. Therefore, banning of all trucks and buses in all roads of Assam is not possible. However, regulation of the trucks and buses is done whenever necessay, depending on traffic and road/bridge condition.

(e) With the increases of heavy weight trucks, the bridges of the State have to be upgraded to higher load capacity. This is being progressively done. (No. exact infomation is available as sought for.)

Sub : Paddy Procurement.

Shri Monilal Gowala asked :

132. Will the Minister of Agriculture be pleased to state :

(a) Whether the Government is aware of the fact that the agriculturist particularly paddy cultivators are not getting their due price as because of sufficient rice given to the persons under B.P.L. APL, A.A.Y, M.M.A.S.Y. ect. consequently apartly develops towards paddy cultivation?

(b) If so, what meassure the Government contemplates to make cultivators interested in paddy cultivation?

Sri Nilamoni Sen Deka (Minister of Agriculture, Department) replied :

(a) The State provides Rice to its residents both under B.P.L. and A.P.L. category at concessional rates as a welfare measure. It has been felt by some sectors that Rice brought from outside the State and distributed in the State reduces demand of Rice produced locally. The reduced demand is likely to have some impact on paddy cultivation in the State in future.

(b) In order to tackle the problem mentioned at Answer (a) above the State Government has been making efforts to increase procurement of local paddy at Minimum Support price by F.C.I.

বিষয় ঃ হিতাধিকাৰীৰ তালিকা।

শ্ৰীমনোৰঞ্জন দাসে সুধিছে ঃ

১৩৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষৰ পৰা ২০১০-১১ বিত্তীয় বৰ্ষলৈ KVKY, AVY, CMSS, AACP আদি বিভিন্ন আঁচনিৰ যোগে কিমান

সংখ্যক ট্রেক্টৰ, পাৱাৰ টিলাৰ, স্প্রে মেচিন, পাৱাৰ পাম্প আদি ৪২ নং পাটাছাৰকুছি সমষ্টিৰ অন্তর্গত হিতাধিকাৰীৰ মাজত বিতৰণ কৰিলে?

(হিতাধিকাৰী সকলৰ নাম আৰু ঠিকনা গাঁও পঞ্চায়ত ভিত্তিত জনাব)

(খ) উক্ত আঁচনি সমূহ ৰূপায়ণৰ বাবে হিতাধিকাৰীৰ বাছনিৰ প্রক্রিয়া বা নীতি কি?

(গ) মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ অধীনত কিমানজন খেতিয়কক ৩০০০/- (তিনি হাজাৰ) টকাকৈ দিয়া হৈছিল?

(৪২ নং পাটাছাৰকুছি সমষ্টিৰ এই আঁচনিৰ অধীনত উপকৃত হোৱা খেতিয়কসকলৰ নাম আৰু ঠিকনা বিতংভাৱে জনাব)

শ্রীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৪২ নং পাটাছাৰকুছি সমষ্টিৰ অন্তর্গত ২০০৬-০৭ ৰ পৰা ২০১০-১১ লৈ বিভিন্ন আঁচনিত হিতাধিকাৰীৰ মাজত বিতৰণ কৰা ট্রেক্টৰ, পাৱাৰ টিলাৰ, স্প্রে-মেচিন, পাৱাৰ পাম্প আদিৰ তালিকা তলত সন্নিবিষ্ট কৰা হ'ল।

ক্রমিক নং	আঁচনি	ট্রেক্টৰ	পাৱাৰ টিলাৰ	পাৱাৰ পাম্প	স্প্রে-মেচিন
১	RKVY	–	১৯ খন	২৩৭ টা	—
২	AVY	১৮ খন	১০ খন	—	—
৩	CMSS	–	২০ খন	—	—

ক্রমিক নং	আঁচনি	ট্রেক্টৰ	পাৱাৰ টিলাৰ	পাৱাৰ পাম্প	স্প্রে-মেচিন
৪	Agril. Mech.	৫ খন	—	—	—
৫	ALSM	—	২ খন	—	—
৬	SPS	৪ খন	৪০ খন	—	—

হিতাধিকাৰী সকলৰ নাম ও ঠিকনা Annexure-1 ত সংলগ্ন কৰা হ'ল। (Page 1 to 21)

(খ) বিভিন্ন আঁচনিৰ বাছনি প্ৰক্ৰিয়া নীতি Annexure-2(i-viii) ত সংলগ্ন কৰা হ'ল।

(গ) মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ২ (দুই) লাখ খেতিয়কৰ প্ৰতিজনক ৩০০০/- (তিনিহাজাৰ) টকাকৈ দিয়া হৈছে।

এই আঁচনিৰ অধীনত ৪২ নং পাটাছাৰকুছি সমষ্টিৰ উপকৃত হোৱা ১৫০০ (এক হাজাৰ পাঁচশ) জন খেতিয়কৰ নাম আৰু ঠিকনা তালিকা 'ক' গাঁঠি দিয়া হ'ল।

বিষয় ঃ মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনা।

শ্ৰীৰফিকুল ইছলামে সুধিছে ঃ

১৩৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চনৰ পৰা পৰ্য্যটন বিভাগৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনা নামৰ আঁচনিখন আৰম্ভ হৈছিল।

(খ) আঁচনিখনৰ আৰম্ভণিৰে পৰা চলিত বৰ্ষলৈকে মুঠ কিমানজন হিতাধিকাৰী উপকৃত হৈছে?

(জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(গ) উক্ত আঁচনিৰ অধীনত বৰ্তমানলৈকে জনীয়া সমষ্টিত কিমানজন হিতাধিকাৰী উপকৃত হৈছে?

(নামৰ লগতে ঠিকনাৰ বিতং বিৱৰণ জনাব)

(ঘ) হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত Guide line কি?

(বিতং ভাবে অৱগত কৰাব)

শ্ৰীচন্দন ব্ৰহ্ম (পৰ্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনা আঁচনিখন ২০০৮-০৯ বৰ্ষত আৰম্ভ হৈছিল।

(খ) আঁচনিখনৰ আৰম্ভণিৰে পৰা চলিত বৰ্ষলৈ মুঠ ৭৯১ জন হিতাধিকাৰী উপকৃত হৈছে।

(গ) জনীয়া সমষ্টিৰ হিতাধিকাৰীৰ সংখ্যা সমষ্টি হিচাবে বৰ্তমানলৈ নাই। জিলা ভিত্তিতহে তালিকা দিব পৰা হৈছে।

(See Annexure – XXVII)

(ঘ) চৰকাৰৰ গাইড লাইন ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(See Annexure – XXVIII)

বিষয় ঃ বাছ সেৱা প্ৰৱৰ্ত্তন।

শ্ৰীশৱৎ শইকীয়াই সুধিছে ঃ

১৩৫। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ পৰিবহণ বিভাগে শিৱসাগৰ, চেপন, মৰাণ আৰু লাকুৱা হৈ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ চৰকাৰী বাছ সেৱা প্ৰৱৰ্তন কৰিবনে?

(খ) জনসাধাৰণৰ সুবিধাৰ বাবে সোণাৰি, কাকতিবাৰী, বনমালী আৰু মৰাণ হৈ ডিব্ৰুগড়; তিনিচুকীয়া আৰু ঢলালৈ এখন চৰকাৰী বাছ দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) মৰাণ, ৰাজগড়, কাকতিবাৰী আৰু সোণাৰি হৈ নামৰূপলৈ চৰকাৰী বাছৰ সেৱা প্ৰৱৰ্তন কৰিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনৰ গ্ৰাম্য সংযোজন সেৱা আঁচনিত চলিত বিত্তীয় বৰ্ষত ২০০ খন।

(খ) বাছ অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাবে ব্যৱস্থা কৰা হৈছে। বাছ সহজলভ্য হ'লে প্ৰশ্নত উল্লেখিত।

(গ) পথসমূহত বাছ চলাচল কৰাৰ বিষয়টো বিবেচনা কৰা হ'ব।

বিষয় ঃ পর্য্যটনৰ আঁচনি।

ডাঃ দুল্লভ চন্দ্র চমুৱাই সুধিছে ঃ

১৩৬। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পর্য্যটন বিভাগত বর্তমান কি কি আঁচনি গ্রহণ কৰি থকা হৈছে? এই আঁচনি সমূহৰ কি কি আঁচনি নগাঁও সদৰ সমষ্টিত বর্তমান চলি আছে?

(খ) এই আঁচনিসমূহৰ কি কি আঁচনি ক'ত ক'ত চলি আছে?

(গ) নগাঁও সদৰ সমষ্টিৰ অন্তর্গত পোতা কলং, মৰাকলং, জিয়া কলং আৰু হাহিলা বিল কেইখনক পর্য্যটকৰ আকর্ষণৰ বাবে কোনো আঁচনিত অন্তর্ভুক্ত কৰা হৈছে নেকি?

(ঘ) যদি কৰা হোৱা নাই, তেন্তে কোনো আঁচনিৰ দ্বাৰা পর্য্যটকৰ আকর্ষণৰ ব্যৱস্থা কৰিব নেকি?

(ঙ) যদি কৰে, সোনকালে কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পর্য্যটন বিভাগত বর্তমানে একাদশ পঞ্চবার্ষিক (২০০৭-০৮ ৰ পৰা ২০১০-১১ লৈ) পৰিকল্পনাৰ অধীন গ্রহণ কৰা আঁচনিসমূহ তলত দিয়াৰ দৰে —

(১) ভাৰত চৰকাৰৰ পর্য্যটন মন্ত্রালয়ৰ দ্বাৰা অনুমোদিত আঁচনিৰ খতিয়ান 'ক' সদনৰ মেজত দিয়া হ'ল।

(২) অসম চৰকাৰৰ দ্বাৰা অনুমোদিত আঁচনিৰ খতিয়ান - 'খ' সদনৰ মেজত দিয়া হ'ল। নগাঁও সদৰ সমষ্টিত পর্য্যটন বিভাগত বর্তমানে ৮টা প্রকল্প বা আঁচনিৰ কাম চলি আছে আৰু 'গ'ত উল্লেখ কৰা হ'ল।

(খ) প্রশ্ন নং 'ক' ৰ বিপৰীতে উল্লেখ কৰা 'ক' আৰু 'খ' ত উল্লেখ কৰা হৈছে।

(গ) নগাঁও সদৰ সমষ্টিৰ অন্তর্গত মৰিকলং বিল আৰু জীয়া কলঙত 'গ' ত উল্লেখ কৰা ধৰণেৰে আঁচনি হাতত লোৱা হৈছে। পোতাকলং আৰু হাহিলা বিলত পর্য্যটকৰ বাবে বর্তমান কোনো আঁচনি লোৱা হোৱা নাই।

(ঘ) ভৱিষ্যতে আঁচনিৰ ব্যৱস্থা চালি-জাৰি পৰীক্ষা কৰি পুঁজিৰ আৱণ্টন হ'লে ল'ব পৰা যাব।

(ঙ) সকলো দিশ চালি-জাৰি চাইহে আঁচনি সোনকালে ল'ব পৰা বিষয়ে ক'ব পৰা যাব।

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্র নির্মাণ।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

১৩৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শিশু আৰু মহিলাসকলৰ শাৰিৰীক আৰু শৈক্ষিক উৎকর্ষ সাধনৰ বাবে ডিব্রুগড় আৰু তিনিচুকীয়া জিলাত নতুনকৈ নির্মাণ কৰা অঙ্গনৱাড়ী কেন্দ্রসমূহ নির্মাণৰ মানদণ্ড হোৱা হেতুকে জহি-খহি যোৱা বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, নিম্নমানদণ্ডৰ কামৰ লগত জড়িত নির্দিষ্ট বিষয়া তথা ঠিকাদাৰ সকলৰ ওপৰত বিহিত ব্যৱস্থাৰে শাস্তিমূলক কার্য্যব্যৱস্থা গ্রহণ কৰিছে নেকি?

(গ) যদি কৰা নাই, কিয় কৰা নাই?

(ঘ) যদি শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰে কিমান দিনৰ ভিতৰত কৰিব?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় আৰু তিনিচুকীয়া জিলাত নির্মাণ কৰা অঙ্গনৱাড়ী কেন্দ্রসমূহৰ মানদণ্ড সম্পর্কে কোনো ধৰণৰ অভিযোগ বিভাগীয়ভাৱে পোৱা হোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ যোগান ধৰা সামগ্রী।

শ্রীআবুল কালাম আজাদে সুধিছে ঃ

১৩৮। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান চৰকাৰে কৃষি বিভাগৰ অধীনত কি কি আঁচনি গ্রহণ কৰিছে?

(খ) এই আঁচনি সমূহৰ কি কি আঁচনি ভৱানীপুৰ সমষ্টিত লোৱা হৈছে?

(গ) এই আঁচনি সমূহৰ জৰিয়তে ভৱানীপুৰ সমষ্টিৰ কৃষক সকলক কি কি সামগ্ৰী যোগান ধৰা হৈছে?

(যোৱা বিত্তীয় বর্ষ ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০, ২০১০-১১ ত যোগান ধৰা সামগ্ৰী সমূহৰ বিতং তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান চৰকাৰে কৃষি বিভাগৰ অধীনত নিম্নোক্ত আঁচনিসমূহ গ্ৰহণ কৰিছে ঃ

(১) মুখ্যমন্ত্ৰীৰ অধিক শাক-পাচলি উৎপাদন আঁচনি।

(২) গাঁও চলো আঁচনি।

(৩) কৃষি প্ৰশিক্ষণ কেন্দ্ৰ নির্মাণ আঁচনি।

(৪) উলুবাৰী কৃষি চৌহদত বজাৰ আন্তঃগাঁথনি উন্নয়ন।

(৫) ক্ষুদ্ৰ আৰু উপান্ত কৃষক উন্নয়ন নিগম স্থাপন।

(৬) ৰাসায়নিক সাৰ মজুতকৰণৰ বাবে কৰপাচ ফাণ্ড।

(৭) অসম ৰাজ্যিক বীজ প্ৰমাণিকৰণ এজেঞ্চিৰ বাবে কৰপাচ ফাণ্ড।

(৮) ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰ।

(৯) দুর্যোগ ব্যৱস্থাপনা আঁচনি।

(১০) বীজ পাম আৰু নার্চাৰী।

(১১) সাৰ বিতৰণ।

(১২) শস্য সংৰক্ষণ আঁচনি।

(১৩) মৰাপাট উন্নয়ন।

(১৪) কুঁহিয়াৰ উন্নয়ন।

(১৫) ৰাষ্ট্রীয় কৃষি সম্প্রসাৰণ প্রকল্প (ৰাজ্যিক আঁচনি)।

(১৬) কৃষি তথ্য।

(১৭) শস্য বীমা আঁচনি।

(১৮) কৃষি যান্ত্রিকীকৰণ।

(১৯) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা।

(২০) মৰাপাট প্রযুক্তি অভিযান।

(২১) সম্প্রসাৰণ সংস্কাৰ (ৰাজ্যিক অংশ)

(২২) কৃষি বিপণন।

(২৩) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান।

(২৪) বীজ গাঁও আঁচনি।

(২৫) অসম কৃষি সামর্থ বর্দ্ধক প্রকল্প।

(২৬) উদ্যান শস্যৰ প্রযুক্তি অভিযান।

(খ) ভৱানীপুৰ সমষ্টিত ৰূপায়ণ কৰি থকা আঁচনিসমূহ হ'ল —

১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান, ২। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি, ৩। বীজ গাঁও আঁচনি, ৪। মৰাপাট প্ৰযুক্তি অভিযান, ৫। দুৰ্যোগ ব্যৱস্থাপনা, ৬। উদ্যান শস্যৰ প্ৰযুক্তি অভিযান, ৭। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, ৮। মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত কৃষি যান্ত্ৰিকীকৰণ, ৯। অসম কৃষি সামৰ্থবৰ্দ্ধক প্ৰকল্প, ১০। কৃষি ঋণ আৰু শস্য বীমা আঁচনি, ১১। ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ আঁচনি, ১২। মুখ্যমন্ত্ৰীৰ অধিক পাচলি উৎপাদন আঁচনি।

(গ) ভৱানীপুৰ সমষ্টিত কৃষকৰ মাজত বিতৰণ কৰা সামগ্ৰীৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰা হ'ল।

২০০৭-০৮ বৰ্ষৰ

১। মেক্ৰোমেনেজমেণ্ট স্কীম (এম.এম.এ)

ক) মাটিমাহৰ বীজ ...৩কুঃ ...৭৫ জন খ) সৰিয়হৰ বীজ ১কু...৫০ জন

গ) ঘেঁহু বীজ ...১কু ...২৫ জন ঘ) ধানৰ বীজ ১কু...২০ জন

১২কু...২৪০ জন

১৩ কু...২৬০ জন

ঙ) মাক্ৰনিউট্ৰিয়েণ্ট ...১কু ... ২০ জন চ) চূণ ১০ কু...২০ জন

ছ) জৈৱিক সাৰ ...১৬কু ... ৩২ জন

২) কিষাণ ক্ৰেডিট কার্ড

ক) দৰ্খাস্তকাৰীৰ সংখ্যা - ৬২ খন

মঞ্জুৰীৰ সংখ্যা - ৪৯ জন - ৫.৬৮১২ লাখ

৩। দুর্য্যোগ ব্যৱস্থাপনা ঃ

ক) সৰিহয়ৰ বীজ ১৪২কুঃ ২৮৪০ জন খ) মচুৰ মাহৰ বীজ ২৪কু ৬০০ জন

গ) মটৰ মাহৰ বীজ ৪৯কুঃ ৩৫৭ জন ঘ) ঘেঁহুৰ বীজ ৪৮০ কুঃ ৬০০০জন

ঙ) ধানৰ বীজ ২৪৯ কুঃ ২০৭৫ জন

২০০৮-০৯ বৰ্ষৰ

১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি ঃ

ক) ধানৰ বীজ (আই. পি.পি) ১০কুঃ ৫৫ জন খ) ধানৰ বীজ (এচ. আৰ.আই) ৮০ কিঃগ্ৰা ২০ জন

গ) হাইব্ৰীড ধানৰ বীজ ৩০ কিঃগ্ৰাঃ ১০ জন ঘ) চূণ ৫৭৫ কুঃ ৩৮৫জন

ঙ) কনো উইডাৰ ৫০টা ৫০জন চ) জিংক্ক চালফেড ২৩.২৩ কুঃ ১১৬ জন

ছ) চীড কণ্টেইনাৰ ... ৮টা ৮জন

২। বীজ গাঁও আঁচনি ঃ

ক) ধানৰ বীজ ... ১০ কুঃ ... ১০০ জন

৩। উদ্যান শস্য প্ৰযুক্তি অভিযান

ক) আলু খেতি ... ২০ হেক্টৰ ... ২৫ জন

৪। কিষাণ ক্ৰেডিট কার্ড ঃ

ক) আবেদনকাৰীৰ সংখ্যা ... ৫২০ জন

মঞ্জুৰীৰ সংখ্যা... ৩২১ জন

মঞ্জুৰ কৰা টকাৰ পৰিমাণ - ৩৮.০৬৬৭০ লাখ

৫। দুর্য্যোগ ব্যৱস্থাপনা ঃ

ক) আলু বীজ ... ৫৫২ কুঃ ... ১৮৪০ জন

খ) ধানৰ বীজ ... ৩০০ কুঃ ২৫০০ জন

গ) মেইজ ... ১৫ কু ... ৩০০ জন

ঘ) ঘেঁহুৰ বীজ ... ৫০ কু ঃ ... ৬২৫ জন

ঙ) মটৰ মাহৰ বীজ ... ৫০.১৯ কুঃ ... ৭১৭ জন

চ) মচুৰ মাহৰ বীজ ... ৮ কু ঃ ... ২০০ জন

ছ) সৰিয়হৰ বীজ ... ২৫ কু ঃ ... ৫০০ জন

জ) শাক-পাচলিৰ বীজ ... ৭০০০ কিট ... ৭০০০ জন

ঝ) হাইব্রীড শাক-পাচলিৰ বীজ ... ২০৫০ কিট ... ২০৫০ জন

২০০৯-১০ বৰ্ষৰ

১। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান ঃ

ক) ধানৰ বীজ (আই.পি.পি) ... ৩ কুঃ ... ১৬ জন

খ) ধানৰ বীজ (এচ.আৰ.আই) ... ৫২ কিঃগ্রাঃ ... ১১ জন

গ) হাইব্রীড ধানৰ বীজ ... ৬২ কিঃগ্রাঃ ... ১০ জন

ঘ) ধানৰ বীজ (মিনিকিট) ... ৪২.৫০ কুঃ ... ৮৭০ জন

ঙ) কনো উইডাৰ ... ২৪ টা ... ২৪ জন

চ) বৈদ্যুতিক পাম্প ... ৮ টা ... ৮জন

ছ) জিংঙ্ক চালফেট ... ১০কুঃ ...২০০ জন

জ) চুণ ... ৬০ কুঃ ... ২০ জন

২। কিষাণ ক্রেডিট কার্ড ঃ

ক) আবেদনকাৰীৰ সংখ্যা ... ৬৫২ জন

মঞ্জুৰীৰ সংখ্যা ... ৫৩৬ জন

মঞ্জুৰী কৰা টকাৰ পৰিমাণ ... ১০৬.৬৪৫৫২ লাখ

৩। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ ঃ

ক) ধানৰ বীজ ... ৯০ কিঃগ্ৰা ... ৬ জন

খ) ৰেহাই মূল্যত ধানৰ বীজ ... ১৫ কুঃ ... ১৫০ জন

৪। মৰাপাট উন্নয়ন আঁচনি ঃ

ক) ৰেহাই মূল্যত মৰাপাটৰ বীজ ... ৯ কুঃ ... ৩০০ জন

৫। দুৰ্য্যোগ ব্যৱস্থাপনা আঁচনি ঃ

ক) মচুৰ মাহৰ বীজ ... ৮০ কুঃ ... ২০০০ জন

খ) আলুৰ বীজ ... ৮০ কুঃ ২৬৭ জন

গ) সৰিয়হৰ বীজ ... ৭০ কুঃ ... ১১৬৬ জন

ঘ) মটৰ মাহৰ বীজ ... ২০ কুঃ ... ২৮৬ জন

ঙ) ঘেঁহুৰ বীজ ... ২৫০ কুঃ ... ৩১২৫ জন

চ) মাকৈৰ বীজ ... ৬০ কুঃ ... ২০০০ জন

ছ) ধানৰ বীজ ... ১৫২ কুঃ ... ১৫২০ জন

২০১০-১১ বৰ্ষৰ

১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (ধান)

ক) ধানৰ বীজ (আই . পি. পি.) ... ১৫০ কেঃ ... ১০ জন

খ) ধানৰ বীজ (এচ. আৰ.আই) ... ১৬ কেঃ ... ৪জন

গ) হাইব্ৰীড ধানৰ বীজ ... ২৬.৫০ কেঃ ... ৪৪১ জন

ঘ) ধানৰ বীজ (মিনিকীট) ... ৩০.৫০ কেঃ ... ৬১০ জন

ঙ) চূণ ... ৯০.০০ কুঃ ... ৩০০০ জন

চ) বৈদ্যুতিক পাম্প ... ১১০ টা ... ১১০ জন

ছ) জিঙ্ক চালফেট ... ৩৬.০০ কুঃ ৭২০ জন

জ) চিড বিন .... ৮টা ৮জন

ঞ) কনো উইডাৰ ... ৩০ টা ... ৩০ জন

ট) কীটনাশক ঔষধ ... ৬২ লিঃ ... ১২৪ জন

২। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (এ. থ্ৰি.পি.)

ক) অৰহৰ বীজ ..... ১০.০০ কুঃ

খ) চূণ ..... ১১০.০০ কুঃ

গ) ইউৰীয়া ..... ১২.১০ কুঃ

ঘ) চুপাৰ ফচফেট ..... ১৩৭.৫০ কুঃ

ঙ) এম. ও.পি ..... ৮.২৫ কুঃ

চ) জিঙ্ক চালফেট ..... ২.৭৫ কুঃ

ছ) এমোনিয়াম মলিবডেনাম ..... ৫.৫০ কুঃ

জ) বেভিষ্টিন ..... ৯৬২ গ্ৰাম

ঝ) ট্ৰাইচেল ..... ৫.৫০ লিটাৰ

ঞ) ৰাইজবিয়াম কালচাৰ ..... ৫৫.০০ কেজি

ট) জৈৱিক কীটনাশক ..... ২৭.৫০ কুঃ

ঠ) ফেৰোমেন ট্ৰেপ ..... ২৭ টা

ড) এন.ডি.পি ..... ১১ লিটাৰ

৩। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাঃ-

ক) ধানৰ বীজ (মিনিকিট) ..... ৩০ কুঃ ..... ৬০০ জন

খ) মাটিমাহৰ বীজ ..... ১কুঃ ..... ২৫ জন

গ) মাক্ৰনিউট্ৰিয়ন ..... ১৫কুঃ ..... ৩০০ জন

ঘ) মিনি ট্ৰাক ..... ১ খন ..... ৩ জনীয়া গোট

৪। ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ আঁচনিঃ-

ক) ঘেহুৰ বীজ ..... ১৫৫ কেজি ..... ১৯ জন

খ) মাকৈৰ বীজ ..... ১৪২ কেজি ..... ১৮ জন

গ) হাইব্ৰীড ধানৰ বীজ .....৪.৪০ কুঃ ..... ২২০ জন

ঘ) কীটনাশক ঔষধ ..... ১২১ লিটাৰ ..... ১২১ জন

ঙ) জৈৱিক কীটনাশক ..... ৬৬ লিটাৰ ..... ৬৬ জন

চ) ববাক .....১.০০ কুঃ .....২০ জন

ছ) মগুমাহ ....১.২৫ কুঃ ..... ৩১ জন

জ) কীটনাশক দৰব .....২৫ কেজি ....২৫ জন

ঝ) জৈৱিক কীটনাশক দৰব ..... ৮৬৬ কেজি .....৮৬৬ জন

ঞ) মাইক্রুনিউট্রেন .....৫৫০ কিলোগ্রাম .....১১০ জন

ট) সৰিয়হৰ বীজ .....৬.৬০ কুঃ .....৩৩০ জন

ঠ) গুজিতেল ..... ৪.৭২ কুঃ ..... ২৩৬ জন

ড) মাকৈৰ বীজ ..... ৯০ কেজি .....৩০ জন

ণ) চূণ ..... ৮২.০০ কুঃ .....২৭ জন

ত) জৈৱিক সাৰ ..... ৪৫.০০ কুঃ .....৯০ জন

থ) হাইব্রীড ধানৰ বীজ .... ৫০ কেজি ..... ২৫ জন

দ) হাইব্রীড মাকৈৰ বীজ ..... ১০০ কেজি .....৩৩ জন

৫। বীজগাওঁ আঁচনিঃ-

ক) ধনৰ বীজ ..... ৮.০০ কুঃ ..... ১৬০ জন

৬। ষ্টেটপ্রেন আঁচনিঃ-

ক) জৈৱিক সাৰ ..... ৩০০ কু ..... ৩০০ জন

খ) ৰক ফচফেট ..... ৬ কুঃ .....১২ জন

৭। মুখ্যমন্ত্রীৰ স্প্রে- মেচিন ..... ২০ টা ..... ২০ টা

৮। কিষাণ ক্রেডিট কার্ডঃ-

ক) আবেদনকাৰীৰ সংখ্যা ..... ৮০৯ জন

খ) মঞ্জুৰীৰ সংখ্যা ..... ৩২৫ জন

গ) মঞ্জুৰ কৰা টকাৰ পৰিমাণ ৭৪.৮৯৪ লাখ

৯। মেক্রমেনেজমেণ্টঃ-

ক) জৈৱিক সাৰ ..... ৫০ কুঃ ..... ১০০ জন

খ) ধানৰ বীজ ..... ৩.২৫ কুঃ ..... ৬৫ জন

গ) জিঙ্ক চালফেট - ৩.৫০ কুঃ ..... ৭০ জন

ঘ) হাইব্রীজ ধানৰ বীজ ..... ১০০ কুঃ ..... ৫০ জন

১০। দুর্য্যোগ ব্যৱস্থাকনাঃ-

ক) মাটিমাহ ..... ৪.০০ কুঃ ..... ১০০ জন

খ) আলু ..... ৩০.০০ কুঃ ..... ১০০ জন

গ) সৰিয়হ ..... ৮.০০ কুঃ ..... ১৩৩ জন

ঘ) মটৰ মাহ ..... ১:২০ কুঃ ..... ১৩ জন

ঙ) ধানৰ বীজ..... ২৭.০০ কুঃ ..... ২৭০ জন

Sub : N.G.O. Forum.

Shri Rajendra Pasad Singh asked :

139. Will the Minister of Social Welfare be pleased to state:

(a) Is it a fact that the N.G.O. Forum is working in Tinsukia ?

(b) If So, what amount has been sanctioned from Social Welfare Department during the last five years & what amount was spent during the period?

(Please give in details with the name of the functionaries)

Sri Akon Bora (Minister of Social Welfare) replied :

(a) Yes.

(b) No fund released to N.G.O. Forum by Social; Welfare Department.

বিষয় ঃ মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ গাড়ী বিতৰণ।

শ্রীআলী হুছেইনে সুধিছে

১৪০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রী অসম বিকাশ যোজনা আঁচনিৰ অধীনত আজিলৈকে কিমানখন গাড়ী ৰৰপেটা জিলাত হিতাধিকাৰীৰ মাজত আৰণ্টন দি বিতৰণ কৰা হৈছে?

(ৰৰপেটা জিলাৰ অন্তৰ্গত সমষ্টি ভিত্তিত হিতাধিকাৰী সকলৰ নামৰ তালিকা সদনত দাখিল কৰিব)

(খ) মুখ্যমন্ত্রী অসম বিকাশ যোজনা আঁচনিৰ জৰিয়তে সৰুক্ষেত্রী সমষ্টিত আজিলৈকে কিমানখন Power Tiller আৰু কিমানখন Tractor আৰণ্টন দিয়া হৈছে?

হিতাধিকাৰী সকলৰ নামৰ তালিকা সদনত দাখিল কৰিব)

(খ) মুখ্যমন্ত্রী অসম বিকাশ যোজনা আঁচনিৰ অধীনত কিমানটা টিউৱেল সৰুক্ষেত্রী সমষ্টিত হিতাধিকাৰী সকলৰ মাজত বিতৰণ কৰা হৈছে? হিতাধিকাৰী সকলৰ নামৰ তালিকা সদনত দাখিল কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধনত পর্য্যটন বিভাগৰ দ্বাৰা বৰপেটা জিলাত আজিলৈকে পর্য্যটক বাহন ক্রয় কৰিবৰ বাবে ৰাজ সাহায্য যোগান ধৰা মুঠ ২৩ জন হিতাধিকাৰীৰ নাম ও ঠিকনা ইয়াৰ লগত (সংলগ্ন '১')ত বিত্তীয় বর্ষ অনুযায়ী সংলগ্ন কৰা হ'ল। (See Annexure – XXIX)

(খ) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত পর্য্যটন বিভাগৰ দ্বাৰা আজিলৈকে কোনো ধৰণৰ Power Tiller অথবা Tractor আৱণ্টন দিয়া হোৱা নাই।

(গ) মুখ্যমন্ত্রীৰ অসম বিকাশ আঁচনিৰ অধীনত পর্য্যটন বিভাগৰ দ্বাৰা আজিলৈকে 'টিউৱেল' বিতৰণ কৰা হোৱা নাই।

বিষয় ঃ অঙ্গনৱাদী কেন্দ্রৰ গৃহ নির্মাণ।

শ্রীএতোৱা মুণ্ডাই সুধিছে ঃ

১৪১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাৰ অন্তর্গত সমাজ কল্যাণ বিভাগৰ অঙ্গনৱাদী কেন্দ্রৰ গৃহনির্মাণৰ বাবদ (প্রতিটোৰ) কিমান টকা অনুমোদন দিয়া হৈছে?

(খ) এই অঙ্গনৱাদী গৃহ নির্মাণৰ বাবে কোন কোন ঠিকাদাৰ নিযুক্তি হৈ আছে?

(গ) আজি তাৰিখতো অঙ্গনৱাদী গৃহ নির্মাণ সম্পূর্ণ নোহোৱাটো চৰকাৰৰ অৱগতনে? যদি অৱগত, সম্পূর্ণ কৰাৰ কি ব্যৱস্থা লৈছে?

(ঘ) গৃহ নির্মাণৰ কামসমূহ জিলাখনত ৮০ হাজাৰ টকাৰে একেবাৰে নিম্নমানৰ কাম হোৱাটো সত্যনে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় জিলাৰ অন্তর্গত সমাজ কল্যাণ বিভাগৰ অঙ্গনৱাদী কেন্দ্রৰ গৃহ নির্মাণৰ ক্ষেত্রত প্রতিটো কেন্দ্রৰ বিপৰীতে ১.৭৫ লাখ টকাকৈ অনুমোদন দিয়া হৈছে।

(খ) এই অঙ্গনৱাদী কেন্দ্রবোৰৰ গৃহ নির্মাণৰ বাবে চলিত বিত্তীয় বর্ষত শ্রীদীনকান্ত সোণাৱাল নামৰ ঠিকাদাৰক আৱণ্টিত কৰা হৈছে।

(গ) হয় অৱগত। কেন্দ্রীয় চৰকাৰৰ আৱণ্টিত পুঁজিৰ বিপৰীতে কেন্দ্রৰ গৃহসমূহ নির্মাণ কৰা হয়। এই পুঁজি কেন্দ্রীয় চৰকাৰৰ পৰা পর্য্যায়ক্রমে আৱণ্টিত হয় আৰু সেই অনুসৰি পর্য্যায়ক্রমে কেন্দ্রৰ গৃহ নির্মাণ কৰা হয়।

(ঘ) সত্য নহয়।

১৪২। বিষয় ঃ শিশু উন্নয়ন খণ্ড।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

মান্যবৰ মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাধনমন্ত্ৰীৰ নতুন ১৫ দফীয়া সংখ্যালঘু কল্যাণ আঁচনিৰ অধীনত অসমৰ কিমানখন জিলাত জিলাই প্ৰতি কিমানটাকৈ শিশু উন্নয়ন (Child Development Block) খণ্ড আছে?

(খ) অসমত মুঠ কিমান অঙ্গনৰাড়ী কেন্দ্ৰ আছে আৰু কিমান কৰ্মীয়ে কাম কৰি আছে?

(গ) বিগত ৩ বছৰত ICDS প্ৰজেক্ট সমূহৰ বাবে কেন্দ্ৰই কিমান ধন দিছে। ৰাজ্য চৰকাৰে কিমান ধন খৰচ কৰিছে?

(ঘ) কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু শিশুৰ বাবে বিগত তিনিবছৰত আছুতীয়াকৈ কিমান ধন দিছে?

(ঙ) AWC ত কাম কৰা কৰ্মীসকলৰ দৰমহা, মাননী, ঘৰ ভাড়া আৰু শিশুসকলৰ কল্যাণৰ বাবে কিমান ধন খৰচ হ'ল।

(পৃথক পৃথকভাৱে জনাব)

শ্ৰীঅৰুণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)যে উত্তৰ দিছে ঃ

(ক) প্ৰধানমন্ত্ৰী নতুন ১৫ দফীয়া সংখ্যালঘু কল্যাণ আঁচনিৰ অধীনত অসমৰ ১৭ খন জিলাত জিলাই প্ৰতি তলত উল্লেখ কৰা ধৰণে শিশু উন্নয়ন (Integrated Child Development Block) খণ্ড আছে —

(১) কোকৰাঝাৰত - ৫টা, (২) ধুবুৰীত - ১৪ টা, (৩) গোৱালপাৰাত- ৮টা, (৪) বঙাইগাঁওত - ৫টা, (৫) ববপেটাত - ১০ টা, (৬)

কামৰূপত - ৭টা, (৭) নলবাৰীত - ৩ টা, (৮) দৰঙত - ৭ টা, (৯) নগাঁৱত - ১৬ টা, (১০) মৰিগাঁওত - ৫টা, (১১) শোণিতপুৰত - ৬টা, (১২) লক্ষীমপুৰত - ৩টা, (১৩) কাৰ্বি-আংলঙত - ২ টা, (১৪) ডিমা-হাচাওত - ৩টা, (১৫) কাছাৰত - ১২ টা, (১৬) কৰিমগঞ্জত - ৭ টা, আৰু (১৭) হাইলাকান্দিত - ৫ টা।

(খ) অসমত মিনি অঙ্গনৱাদী কেন্দ্রসহ মুঠ ৫৭,৭৬৭ টা আছে আৰু ১,১২,৭৩০ গৰাকী কর্মীয়ে কাম কৰি আছে?

(গ) বিগত ৩ বছৰত কেন্দ্রীয় চৰকাৰে ICDS প্রজেক্ট সমূহৰ বাবে মোকলাই দিয়া আৰু ৰাজ্য চৰকাৰে খৰচ কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

বিত্তীয় বর্ষ	কেন্দ্রীয় চৰকাৰে মোকলাই দিয়া ধন	ৰাজ্য চৰকাৰে খৰচ ধন
২০০৮-০৯	১৯৬,৭৭,৯৭,৮০০.০০ টকা	১৯৬,৭৭,৯৭,৮০০.০০ টকা
২০০৯-১০	২৩৫,৫১,৮৮,০০০.০০ টকা	২৩৫,৫১,৮৮,০০০.০০ টকা
২০১০-১১	২৪৮,২৪,৯৪,০০০.০০ টকা	২৪৮,২৪,৯৪,০০০.০০ টকা

(ঘ) কেন্দ্রীয় চৰকাৰে সংখ্যালঘু শিশুৰ বাবে বিগত তিনিবছৰত আছুতীয়াকৈ কোনো ধন দিয়া নাই।

(ঙ) ৰাজ্যখনৰ AWC ত কাম কৰা কর্মী ও সহায়িকা সকলৰ বাবে যোৱা বিত্তীয় বর্ষত (২০১০-১১) মাননীৰ বাবদ ১৪৬,৩৮,৮৬,০০০.০০ টকা খৰচ কৰা হৈছে। কেন্দ্রৰ ঘৰ ভাড়া বাবদ কোনো পুঁজি খৰচ কৰা হোৱা নাই আৰু শিশুসকলৰ কল্যাণৰ বাবে ২৮০,৬৩,০৫,০০০.০০ টকা খৰচ কৰা হৈছে।

বিষয় ঃ সমবায় সমিতিলৈ সামগ্রী যোগান ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গ্রাম্য সমবায় সমিতি সমূহৰ জৰিয়তে গ্রাহক সকলক কি কি নিত্য ব্যৱহার্য্য সামগ্রী যোগান ধৰা হয়?

(সুলভ মূল্যৰ খাদ্য সামগ্রীকে ধৰি)

(খ) প্রতিজন গ্রাহকৰ বিপৰীতে কোনবিধ বস্তু মাহে কিমান পৰিমাণে যোগান ধৰা হয়?

(গ) সমবায় সমিতি সমূহৰ জৰিয়তে যোগান ধৰা খাদ্য বস্তু আৰু অন্যান্য সামগ্রী কি নিৰিখত গ্রাহক সকলৰ মাজত বিতৰণ বা বিক্রী কৰা হয়?

(বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গ্রাম্য সমবায় সমিতি নামেৰে কোনো সমবায় সমিতি পঞ্জীয়ন হোৱা নাই। অৱশ্যে গাঁওপঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতি সমূহৰ জৰিয়তে সুলভ মূল্যৰ অধীনৰ চেনী, চাউল, আটা, কেৰাচিন আদিৰ ওপৰিও অন্যান্য সামগ্রীও সুলভ মূল্যত যোগান ধৰা হয়।

(খ) যিহেতুকে সুলভ মূল্যৰ সামগ্ৰী সমূহৰ যোগান খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা ৰূপায়িত হয়। সেই বিভাগৰ নির্দ্ধাৰিত নিৰিখ অনুযায়ী এই সামগ্ৰীসমূহ গ্ৰাহকৰ মাজত যোগান ধৰা হয়।

(গ) যিহেতুকে সুলভ মূল্যৰ সামগ্ৰী সমূহৰ যোগান খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা ৰূপায়িত হয়। সেই বিভাগৰ নির্দ্ধাৰিত নিৰিখ অনুযায়ী এই সামগ্ৰীসমূহ গ্ৰাহকৰ মাজত বিতৰণ কৰা হয়।

বিষয় ঃ সমবায় সমিতি।

শ্ৰীপ্ৰৰীণ হাজৰিকাই সুধিছে ঃ

১৪৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত Sakomadha S.S. Ltd. (Bali Chang) No.1 Sakomadha S.S. Ltd. (Pavoi) এই ২খন সমবায় সমিতিৰ ওপৰত বহুতো ৰাজহুৱা দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছে?

(খ) যদি জ্ঞাত, তেন্তে ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি দুয়োখন সমবায়ৰ ২০০৭ চনৰ পৰা ২০১০ চনলৈ অত্যাৱশ্যকীয় সেৱা-সামগ্ৰীসমূহ Agent সকলক প্ৰতি মাহত কিমান কিমান দিয়া হৈছিল তাৰ এখন প্ৰতিবেদন দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) উক্ত দুয়োখন সমবায় সমিতিত মুঠ এজেণ্ট কিমানজন?

(তালিকা দিব)

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তর্গত সাকোমঠা সমবায় সমিতি লিঃ (বালিচাং) আৰু ১নং সাকোমঠা সমবায় সমিতি লিঃ (পাভৈ)ৰ এই দুয়োখন সমবায় সমিতিৰ বিৰুদ্ধে ৰাজহুৱা বিতৰণ ব্যৱস্থা দুর্নীতি হোৱা বুলি কোনো ৰাজহুৱা অভিযোগ বিভাগৰ হাতত নাই।

(খ) সমবায় দুখনত দুর্নীতি হোৱা বুলি এই কার্য্যালয় জ্ঞাত নহয়। যোৱা ২০০৭ চনৰ পৰা ২০১০ চনলৈ অত্যাৱশ্যকীয় সেৱা-সামগ্রীৰ প্রতি মাহৰ এজেণ্ট সকললৈ কিমান দিয়া হৈছে তাৰ সামগ্রী আৱণ্টন, উত্তোলন আৰু বিতৰণৰ বছৰেকীয়া বিতং তথ্য ইয়াৰ লগত (সমবায় দুখনৰ) পৃথকে পৃথকে সংলগ্ন কৰি দিয়া হ'ল। (৩০ টা)

(গ) সাকোমঠা সমবায় সমিতি লিঃৰ (বালিচাং) আৰু ১ নং সাকোমঠা সমবায় সমিতি লিঃৰ (পাভৈ) অধীনৰ এজেণ্টৰ তালিকা সংলগ্ন কৰা হৈছে। (৩০ টা)

Sub : Nos. of K.C.C.

Shri Abdur Rahman Ajmal asked :

145. Will the Minister of Agriculture be pleased to state :

(a) How many K.C.C have been allotted to the farmers during the last five years ?

(b) How many farmers in South Salmara constituency have received K.C.C ?

(Names of such beneficiaries may be furnished)

(c) What is the procedure for the selection of the beneficiaries of K.C.C ?

Sri Nilamani Sen Deka (Minister of Agriculture, Assam) replied :

(a) Altogether 4,34,517 Nos of K.C.C had been issued by different Bank Branches from 2006-07 to 2010-11 (up to March/11 & 1,27,906 Nos. of KCC had been issued from 1st April/11 to 31st October/11 in the State.

(Details of district wise achievement is enclosed in Annexure I & II)

(b) There are 902 Nos. of KCC, Which had been issued to the farmers of South Salmara Constituency by the different Bank Branches.

(Details list of beneficiaries is enclosed herewith)

(c) There are two types of selection procedure through which a farmer can obtain KCC from the Bank.

1) A farmer can apply for KCC in prescribed from directly to the Bank Branch in whose jurisdiction the village of the farmer lies. If the application is found in order after verification by the Bank officials, he/she will be eligible for a KCC.

2) (a) A farmer can apply for KCC in prescribed from to the Branch Manager of concerned Bank in whose jurisdiction the village of the farmat lies. This application should be accompanied by land cultivation certificate in prescribed farmat (copy enclosed, Annexure-III) as per crop register. The certificate has to be signed by VLEW & Countersigned by ADO.

(b) After scrutiny of the application, the Branch Manager will issue KCC.

বিষয় ঃ পৰিবহণ বিভাগৰ ৰাজহ আৰু কৰ্মচাৰী।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১৪৬। মাননীয় পৰিবহণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম পৰিবহণ নিগম আৰু বড়োলেণ্ড পৰিবহণ নিগমৰ অধীনত কিমানখন যাত্রীবাহী বাছ চলি আছে?

(খ) অসমত নিগমৰ কিমানটা বাছ-আস্থান আছে?

(জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(গ) দুয়োখন নিগমৰ অধীনত মুঠ কিমান বিষয়া কর্মচাৰী আছে?

(ঘ) যোৱা বিত্তীয় বর্ষত পৰিবহণ নিগমৰ পৰা কিমান ৰাজহ সংগ্রহ কৰিছে? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(ঙ) দুয়োখন নিগমৰ অধীনত কিমান পদ খালী হৈ আছে?

(জিলা ভিত্তিত খালী পদৰ তালিকা দাখিল কৰিব)

(চ) এই খালী পদসমূহ পূৰণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান অসম ৰাজ্যিক পৰিবহণ নিগমৰ ৫৭৪ খন নিজা বাছ আৰু ১২৮৯ খন নিগমৰ অধীনত চলা ব্যক্তিগত মালিকনাধীন বাছ চলি আছে।

বড়োলেণ্ড পৰিবহণ নিগম বর্তমান স্থাপন হোৱা নাই। কিন্তু যোৱা ২০০৮ চনৰ ১৬ ছেপ্তেম্বৰৰ পৰা B.T.C. ৰ Excutive Council Bodoland Transport Services অনুমোদন মর্মে ত মুঠ ২৭ খন বাছ চলি আছে।

(খ) অসমত বর্তমান অসম ৰাজ্যিক পৰিবহন নিগমৰ সৰু-ডাঙৰ মুঠ ১৩৩ টা বাছ-আস্থান আছে। (সংমণ্ডল/জিলা ভিত্তিত আস্থানৰ সংখ্যা তালিকা-'ক' ত দিয়া হ'ল)।Bodoland Transport Services ৰ অধীনত কোনো নিজা বাছ-আস্থান নাই।

(গ) অসম ৰাজ্যিক পৰিবহণ নিগমত মুঠ ২২৩৫ জন বিষয়া কর্মচাৰী আৰু Bodoland Transport Services ত মুঠ ৭৭ জন বিষয়া-কর্মচাৰী আছে।

(ঘ) যোৱা বিত্তীয় বর্ষত অসম ৰাজ্যিক পৰিবহণ নিগমে ৩৮৩৯.৩৩ লাখ টকা ৰাজহ সংগ্রহ কৰিছে। (সংমণ্ডল/জিলা ভিত্তিত তালিকা "তালিকা নং 'খ'ত দাখিল কৰা হ'ল। Bodoland Transport Services ৰ পৰা ৰাজহ সংগ্রহ হয় মুঠ ৯,০০,০০০.০০ টকা।

(ঙ) বর্তমান কোনো পদ খালী হৈ থকা নাই।

(চ) প্রশ্ন নুঠে।

বিষয় ঃ সমবায় সমিতিৰ সামগ্রী।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

১৪৭। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সমবায় সমিতিসমূহৰ জৰিয়তে জনসাধাৰণক সুলভ মূল্যত কি কি সামগ্রী যোগান ধৰা হয়?

(খ) কোন কোন সামগ্রী গাইপতি কি হিচাপত যোগান ধৰা হয়?

(গ) জলেশ্বৰ বিধানসভা সমষ্টিৰ অন্তর্গত সমবায় সমিতিসমূহত কিমানজন ডিলাৰ আছে?

(ডিলাৰ্সকলৰ নাম ঠিকনা Registration No. সমবায় ভিত্তিত জনাব)

(ঘ) কোন ডিলাৰৰ অধীনত কিমানজন হিতাধিকাৰী আছে?

(বিতং তালিকা দাখিল কৰিব)

(ঙ) সমবায় সমিতি সমূহৰ জৰিয়তে যোগান ধৰা সামগ্ৰীসমূহৰ পৰিবহণ খৰচৰ ক্ষেত্ৰত চৰকাৰৰ কি নীতি নিৰ্দেশনা আছে?

(চ) গুৰিয়াধাপ সমবায় সমিতিৰ অন্তৰ্গত ডিলাৰ বিলাকৰ অধীনত থকা হিতাধিকাৰীৰ নাম ও ঠিকনাসহ বিতং তালিকা সদনৰ মেজত দাখিল কৰিব?

শ্ৰীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতি সমূহৰ জৰিয়তে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা সুলভ মূল্যৰ চাউল, চেনী, আটা, কেৰাচিন তেল আদি সামগ্ৰী বিতৰণ কৰা হয়।

(খ) এই সামগ্ৰীসমূহ সংশ্লিষ্ট বিভাগৰ দ্বাৰা নির্দ্ধাৰিত নিৰিখত গ্ৰাহক হিতাধিকাৰীক বিতৰণ কৰা হয়।

(গ) জলেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সমবায় সমিতিসমূহত মুঠ ১৭৪ জন ডিলাৰ আছে। ডিলাৰসকলৰ নাম, ঠিকনা আৰু পঞ্জীয়ন নম্বৰ সংলগ্ন কৰি দিয়া হ'ল। (পৰিশিষ্ট -ক) (১০ টা)

(ঘ) ডিলাৰৰ অধীনত থকা হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট -খ ত দাখিল কৰা হ'ল। (১০ টা)

(ঙ) সমবায় সমিতি সমূহৰ যোগেদি যোগান ধৰা সামগ্ৰীসমূহৰ পৰিৱহণৰ খৰচ প্ৰদানৰ ক্ষেত্ৰত খাদ্য আৰু অসামৰিক যোগান বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

(চ) গুৰিয়াধাপ সমবায় সমিতিৰ অন্তৰ্গত ডিলাৰবিলাকৰ অধীনত থকা হিতাধিকাৰীৰ নাম ও ঠিকনাসহ বিতং তালিকা পৰিশিষ্ট - গ ত দাখিল কৰা হ'ল। (১০ টা)

বিষয় ঃ পৰামৰ্শদাতা সমিতি।

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

১৪৮। মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিভাগীয় পৰামৰ্শদাতা সমিতি (ডি, চি, চি) সমূহ গঠনৰ অধিসূচনা আৰু নিয়মাৱলী সদনত দাখিল কৰিবনে?

(খ) এই সমিতিসমূহ নিম্নতম বছৰত কিমানবাৰ বহিব লাগে? এই সমিতিসমূহে ভ্ৰমণ কৰিলে ইয়াৰ খৰচ কোন শিতানৰ পৰা কৰা হয়?

(গ) ত্ৰয়োদশ বিধানসভাৰ এই বিভাগীয় পৰামৰ্শদাতা সমিতিসমূহ গঠন নকৰাৰ কাৰণ কি?

শ্ৰীনীলমণি সেন ডেকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বিভাগীয় পৰামৰ্শদাতা সমিতি (ডি.চি.চি.)সমূহ গঠনৰ অধিসূচনা আৰু নিয়মাৱলী পৰিশিষ্ট 'ক'ত দিয়া হ'ল।

(খ) উক্ত সমিতিসমূহ বছৰত নিম্নতম ২ বাৰ বহিব লাগে। এবাৰ অধিবেশনৰ সময়ত আৰু এবাৰ অন্যান্য সময়ত।

সমিতিসমূহৰ ভ্ৰমণ আৰু অন্যান্য যাৱতীয় খৰচৰ শিতান এনে ধৰণৰ ঃ

১) পৰামৰ্শদাতা সমিতিৰ অধীনৰ মন্ত্ৰীসকলৰ ক্ষেত্ৰত ঃ "২০১৩ কাউঞ্চিল অফ মিনিষ্টাৰচ ১০৮ ট্ৰেভেল এক্সপেনচেচ্।"

২) পৰামৰ্শদাতা সমিতিৰ অধীনৰ বিধায়ক সদস্য সকলৰ ক্ষেত্ৰত ঃ সংশ্লিষ্ট বিভাগীয় শিতানৰ পৰা গ্ৰাণ্ট II ৰ অধীনত।

(গ) প্ৰশ্ন নুঠে।

Sub : Nos. of Department Workshop.

Shri Sirajuddin Ajmal asked :

149. Will the Minister of Agriculture be pleased to state :

(a) How many Agriculture Engineering Departmental Workshops are there in the state?

(b) What different agriculture infrastructure and modern machineries are in these workshops? (Please give the list in details)

(c) How many numbers of tractors and bulldozers are there in the department? How many of these are functioning at the moment? (Please furnish the numbers of drivers and the associates in the regular staff of the department at the moment)

(d) How many numbers of tractors and power tillers were in the office of the Agril. Engineering at Hojai in the year 1996 and how many numbers are there in the year 2011?

(e) It is true that there are virtually no activities under different schemes due to fund constraint?

(f) Will the Government furnish CAG report that has objected to the payment of salaries to the staff without work in this regard?

Sri Nilamoni Sen Deka (Minister of Agriculture) replied:

(a) There are 7 Nos. Agricultural Engineering Department Workshops in the State.

(b) Each workshop has a workshop building with 3 phase line and equipped with old machineries for production of Agricultural implements. The workshop are not equipped with updated modern machines.

(c) (1) There are 99 Nos. of unserviceable Tractor and 17 No. serviceable Bulldozers are in the Department.

(2) There is no functioning Tractor & Bulldozer in the Department. The Govt. initiated scheme on distribution of Tractor & Power Tiller at subsidized rate to the farming communities and hence schemes on procurement of Departmental tractor etc. was suspended.

(3) The number of Driver and the associates in the regular staff of the Department is follow:

(i) Tractor & Bulldozer Operator-165 Nos.

(ii) Assistant Tractor & Bulldozer Operator-145 Nos.

(iii) Mechanics-78 Nos.

(iv) Forman - 39 Nos.

(b)

Year	Traetor	Power Tiller	Remarks
1996	6	Nil	
2011	6	Nil	Unserviceable condition and kept in the Nagaon Agril. Division.

(e) No.

(f) No. such report has been noticed in CAG's report. The Drivers/Operators without allotted vehicles are being engaged in other official and field works which is not specific as per designated activities in their appointment. In this regard the matter of payment of salaries of them without any work doe not arise.

Sub : Provide Super Buses.

Shri Abdul Muhib Mazumder asked :

150. Will the Minister of Transport be pleased to state :

(a) Why the Night Super Buses running to and from Hailakandi to Guwahati have been stoped causing a lot of inconvenience to the public?

(b) Will the Government be pleased to provide both Night and Day Supers to and from Hailakandi to Guwahati?

(c) Total no. of registered Motor Vehicles category wise.

(d) Total no. of cases before the Accidents Claims Tribunals.

(e) Total no. of Motor Accidents both Trucks and Buses during the year 2006-2011.

(f) Its the Government aware that most of the Road Accidents have taken places on account of over loading and Rash Driving of Vehicles?

Sri Chandan Brahma (Minister Transport) replied :

(a) The Night Super Buses to and from Haliakandi to Guwahati have not been withdrawn. The Vehicles were under repair for major mechanical defects.

Now, the vehicles have been placed on service there.

(b) Hailakandi-Guwahati Night Service Bus has already been provided. Govt. will consider to provide Day Super Buses on this route depending upon the availability of the Buses and passenger load.

(c) Total No. of Motor Vehicles Registered up to 31-03-2011 is 16,22,486. Category wise Registration of Vehicles is at Annexure 'A'.

(d) The Total no. of cases pending as on 30-6-11 before the Accidents claims Tribunals is 37264.

(e) Total No. of Motor Accident both Trucks and Buses during the period 2006-2011 is 10107.

(f) Most of the Road Accident Cases registered at various Police Stations are due to rash and negligent driving.

SHORT NOTICE QUESTIONS AND ANSWERS

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৪ ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৮৭ নং বঢ়মপুৰ বিধানসভা সমষ্টিৰ কৃষক সকলৰ উন্নতিৰ বাবে চৰকাৰে ২০১০-১১ বিত্তীয় বছৰত কি কি আঁচনি হাতত লৈছে আৰু কিমান কাৰ্য্যকৰী কৰিলে জনাবনে?

(খ) কৃষি বিভাগত উল্লেখিত আঁচনি সমূহৰ সুবিধা কোন কোন কৃষকে বঢ়মপুৰ সমষ্টিত ২০১০-২০১১ বিত্তীয় বছৰত লাভ কৰিছে জনাবনে?

(গ) চৰকাৰে যোগান ধৰা ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, ৰেইন কোৰ্ট আদি কোন কোন উপভোক্তাই লাভ কৰিছে জনাবনে? (নাম আৰু ঠিকনা দিব?)

(ঘ) উক্ত সমষ্টিত কিমান হেক্টৰ মাটি ধান খেতিৰ উপযোগী আৰু কৃষকে তাৰে কিমান হেক্টৰ মাটিত পানী যোগানৰ সুবিধা পাইছে জনাবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৭ নং বঢ়মপুৰ বিধানসভা সমষ্টিত কৃষক সকলৰ উন্নতিৰ বাবে চৰকাৰে ২০১০-১১ বিত্তীয় বছৰত নিম্ন লিখিত আঁচনিবোৰ কাৰ্য্যকৰী কৰি থকা হৈছে —

১। ৰাষ্ট্ৰীয় সদস্য সুৰক্ষা অভিযান (ধান)ৰ অধীনত ৰেহাই মূল্যত ১৪৪টা বিদ্যুৎ চালিত পাম্প দিয়া হৈছে।

২। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ জৰীয়তে ৩০০০ টকাকৈ ৰাজ সাহায্য হিচাবে ১৫০০ কৃষকক চেক যোগে প্ৰদান কৰা হৈছে।

৩। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (ধান) বিশেষ প্ৰদৰ্শনমূলক হিচাবে আই পি পি/হাইব্ৰিড/জম/এছ আৰ আই পদ্ধতিৰ খেতি ইত্যাদি মুঠ ৪৬ জনক সুবিধা দিয়া হৈছে।

৪। প্ৰাকৃতিক দুৰ্য্যোগ ব্যৱস্থাপনা আঁচনিৰ জৰিয়তে মুঠ ৩৬০জন কৃষকক ধান, সৰিয়হ, মটৰ, আলুৰ বীজ দিয়া হৈছে।

৫। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (ধান)ত চীড মিনি কীট আঁচনিত মুঠ ১২৮৮ জন কৃষকক ধানৰ বীজ দিয়া হৈছে।

৬। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (ধান)ত মুঠ ৫৫জনক কৃষকক চূণ দিয়া হৈছে।

৭। শাক-পাচলিৰ বীজ বিতৰণ আঁচনিত মুঠ ৩৪জন কৃষকক সাহায্য প্ৰদান কৰা হৈছে।

৮। ৰাষ্ট্ৰীয় খাদ্য শস্য সুৰক্ষা অভিযান (ধান) আঁচনিত ধানৰ বীজ (মিনিকিট) ১০ জনক দিয়া হৈছে।

৯। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (মাহ)ত মুঠ ৪৭ জনক বিদ্যুৎ মটৰ দিয়া হৈছে।

১০। উদ্যান শস্য অভিযানত মুঠ ৮ টা গোটক সাহায্য প্রদান কৰা হৈছে।

১১। সেউজ বিপ্লৱ সম্প্রসাৰণ (ৰাঃ কৃঃ বিঃ যোঃ) আঁচনিত মুঠ ১২০ জনক ধনছা বীজ দিয়া হৈছে।

১২। সেউজ বিপ্লৱ সম্প্রসাৰণ (ৰাঃ কৃঃ বিঃ যোঃ) আঁচনিত মুঠ ১২৩ জনক চূণ বিতৰণ কৰা হৈছে।

১৩। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান (মাহ) আঁচনিৰ অধীনত ৪৭ জন কৃষকক মাটি মাহ আৰু মটৰ দিয়া হৈছে।

উপৰোক্ত আঁচনিবোৰ সম্পূৰ্ণভাৱে কৃষক সকলৰ মাজত কার্য্যকৰী কৰা হয়।

(খ) যিসকল কৃষকে সাহায্য লাভ কৰি আঁচনিৰ সফলতা লাভ কৰিছে তেখেত সকলৰ নামৰ তালিকা 'ক'ত সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(গ) চৰকাৰে যোগান ধৰা ট্রেক্টৰ, পাৱাৰ টিলাৰ ৰেইন কোর্ট প্রাপ্তিৰ নাম আৰু ঠিকনা সদনৰ মজিয়াত তালিকা 'খ' ত দাখিল কৰা হ'ল।

(ঘ) মুঠ ১৩১৮১ হেক্টৰ মাটি ধানখেতিৰ বাবে উপযোগী আৰু ইয়ৰ ২১৭০ হেক্টৰ মাটিত পানী যোগানৰ সুবিধা পাইছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৫ ।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৫/ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্য চৰকাৰে বৰ্ত্তমান কৃষক সকলক উপকৃত কৰিবৰ বাবে কি কি শস্যৰ বীজ যোগান ধৰিছে আৰু কোন কোন জিলাত দিয়া হৈছে? জিলা ভিত্তিক তথ্য দিব।

(খ) এই বীজ বিতৰণৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান টকা খৰছ হৈছে? (বিতং তথ্য দিব)

(গ) এই বীজ বিতৰণৰ বাবে কোন কোন প্ৰতিষ্ঠানক দায়িত্ব দিয়া হৈছিল? প্ৰতিষ্ঠান সমূহৰ নাম ঠিকনা সহ কিমান টকাৰ আৱণ্টন দিয়া হৈছে বিতং তথ্য দিব।

শ্ৰী নীলমণি সেন ডেকা (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) চৰকাৰে কৃষক সকলক উপকৃত কৰিবৰ বাবে যোগান ধৰা বীজৰ জিলা ভিত্তিত তথ্যৰ তালিকা "ক" (Annexure - "A") গাঁঠি দিয়া হ'ল।

(খ) 'ক' নং প্ৰশ্নৰ উত্তৰত দিয়া বিভিন্ন শস্যৰ বীজৰ বাবে মুঠ ২৬২৯.২৬ লাখ টকা ধাৰ্য্য কৰা হয় আৰ মুঠ ২৪৫৯.৩৯ লাখ টকা খৰছ হয়। বিতং তথ্য তলত দিয়া হ'ল।

আঁচনি	বীজৰ বাবে ধন ধার্য্যৰ পৰিমান্য	খ ৰ ছ ৰ পৰিমান
১/ ৰাষ্ট্রীয় কৃষি সম্প্রসাৰন প্রকল্প - ৩	১৭৮.০৭ লাখ টকা	১৩৯.৭০ লাখ টকা
২/ ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা	২৫৫.৬০ লাখ টকা	২৫৫.৬০ লাখ টকা
৩/ পূব ভাৰতত সেউজী বিপ্লব	৩৬৪.৫০ লাখ টকা	৩৬৪.৫০ লাখ টকা
৪/ দূর্যোগ ব্যৱস্থাপনা আঁচন	৭৯৫.০০ লাখ টকা	৭৩২.০০ লাখ টকা
৫/ মূখ্যমন্ত্রীৰ অধিক শাক পাচলি উৎপাদন আঁচনি	৫৬০.০০ লাখ টকা	৫৫৯.০০ লাখ টকা
৬/ ৰাষ্ট্রীয় খাদ্য সূৰক্ষা অভিযান	৪৭৬.০৯ লাখ টকা	৪০৮.৫৯ লাখ টকা
	মুঠ ঃ ২৬২৯.২৬ লাখ টকা	২৪৫৯.৩৯ লাখ টকা

(গ) এই বীজ যোগানৰ বাবে খানাপাৰাস্থ "অসম বীজ নিগম"ক দায়িত্ব দিয়া হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ঃ ৬।

শ্রী আলী হুছেইনে সুধিছে ঃ

৬/ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) বৰপেটা জিলাৰ ৪৬ নং সৰুক্ষেত্ৰী সমষ্টিত চৰকাৰী আঁচনিৰ অধীনত কিমানজন কৃষকক ট্ৰেক্টৰ পাৱাৰ টিলাৰ আৰু ৰেইন কোট দিয়া হ'ল? (বিগত ৩ বছৰৰ তথ্য দাখিল কৰিব)

(খ) উক্ত হিতাধিকাৰী সকলৰ নিৰ্বাচন প্ৰক্ৰিয়া কি কি আছিল জনাবনে?

(গ) এই ক্ষেত্ৰত মাননীয় বিধায়ক সকলৰ দায়িত্ব কি জনাবনে?

(ঘ) উক্ত টেক্টৰ পাৱাৰ টিলাৰ সমূহ যি সকল কৃষকক দিয়া হৈছিল তেওঁলোকৰ হাতত এতিয়াও আছেনে? যদি নাই, চৰকাৰে ইয়াৰ কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰী নীলমণি সেন ডেকা (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)

জিলা	সমষ্টি	বিত্তীয় বৰ্ষ	ট্ৰেক্টৰ	পাৱাৰ টিলাৰ	ৰেইন কোট
বৰপেটা	৪৬ নং সৰুক্ষেত্ৰী	২০০৭ - ০৮	৩ খন	নাই	নাই
		২০০৮ - ০৯	১৩ খন	৫ খন	৪৯৮ খন
		২০০৯ - ১০	৯ খন	৭ খন	নাই
			২৫ খন	১২ খন	৪৯৮ খন

(খ) নিৰ্বাচন প্ৰক্ৰিয়াৰ নীতি - নিয়মৰ প্ৰতিলিপি Annexure 1 (i) ৰ পৰা 1 (viii) লৈকে সদনৰ মজিয়াত দিয়া হ'ল ঃ-

(গ) নিৰ্বাচন প্ৰক্ৰিয়াৰ নীতি - নিয়মৰ ভিত্তিত 'ৰেইন কোট' আৰু 'অসম বিকাশ যোজনা' আচঁনিৰ এজন সদস্য হিচাবে জিলাৰ হিতাধিকাৰী বাছনিৰ দায়িত্ব বহন কৰে।

(ঘ) টেক্টৰ, পাৱাৰ টিলাৰ নথকাৰ তথ্য বিভাগৰ হাতত নাই। নথকাৰ তথ্য বিভাগৰ হাতত পৰিলে বিহিত প্ৰশাসনিক ব্যৱস্থা লোৱা হ'ব।

পৰিপূৰক ঃ নিৰ্বাচিত হিতাধিকাৰী সকলক ট্ৰেক্টৰ, পাৱাৰ টিলাৰ বিতৰণৰ আগেতে বিভাগৰ লগত হিতাধিকাৰীৰ এখন চুক্তি স্বাক্ষৰিত কৰা হয় (M.O.U) উক্ত চুক্তিৰ আধাৰত কোনো হিতাধিকাৰীয়ে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ বিক্ৰী কৰিব নোৱাৰে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৭।

শ্ৰী শ্বেৰমান আলী আহমেদে সুধিছে ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কৃষি বিভাগৰ অধীনত ৰেহাই মূল্যত আৱণ্টিত Shallow Tube Well (STW) - ৰ ক্ষেত্ৰত বাঘবৰ সমষ্টিৰ কৃষক সকলক বঞ্চিত কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, যোৱা কিমান বছৰৰ পৰা বাঘবৰ সমষ্টিৰ কৃষক সকলক STW - ৰ পৰা বঞ্চিত কৰা হৈছে জনাবনে? এইদৰে কৃষিপ্ৰধান সমষ্টি বাঘবৰৰ কৃষক সকলক দীৰ্ঘদিনৰ বাবে STW - ৰ পৰা বঞ্চিত কৰি ৰখাৰ কাৰণসহ বিতং তথ্য সদনত দাখিল কৰিবনে?

(গ) বাঘবৰ সমষ্টিৰ কৃষক সকলক STW - ৰ পৰা বঞ্চিত কৰি ৰখা কালছোৱাত বৰপেটা জিলাত মুঠতে কিমানটা STW আৱণ্টন দিয়া হৈছিল বিত্তীয় বৰ্ষ অনুযায়ী বিতং তথ্য সদনত দাখিল কৰিবনে?

(ঘ) অতি সম্প্রতি কৃষি সঞ্চালকালয়ে বাঘবৰ সমষ্টিৰ বিভিন্ন ঠাইৰ পৰা পানীৰ নমুনা সংগ্রহ কৰি আৰ্চেনিক থকা / নথকা সম্পর্কে পৰীক্ষাগাৰত পৰীক্ষা কৰোৱাই বাঘবৰ সমষ্টিৰ পানী আৰ্চেনিক মুক্ত বুলি প্রতিবেদন পোৱা কথাটো সত্যনে?

(ঙ) যদি সত্য, তেন্তে বাঘবৰ সমষ্টিৰ কৃষক সকলক যোৱা কেইবা বছৰো STW - ৰ পৰা বঞ্চিত কৰি ৰখা কথাটোলৈ লক্ষ্য ৰাখি এইটো বিত্তীয় বর্ষত বাঘবৰ সমষ্টিলৈ এক বুজন পৰিমানৰ STW আৱণ্টন দিবনে? লগতে ২০১০ - ১১ বিত্তীয় বর্ষত বৰপেটা জিলাত আৱণ্টিত ৪০০০ টা STW - ৰ এতিয়াও অনাদৃত হৈ পৰি থকা STW সমূহ বাঘবৰ সমষ্টিৰ কৃষক সকলক আৱণ্টন দিবনে?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বাঘবৰ সমষ্টিৰ কৃষক সকল Shallow tube well আৱণ্টনৰ পৰা বঞ্চিত হোৱা বিষয়ে চৰকাৰ অৱগত।

(খ) যোৱা ২০০৭ চনৰ পৰা বাঘবৰ সমষ্টিৰ কৃষক সকলক STW - ৰ পৰা বঞ্চিত হৈ আছে। (Annexure - I) বিশ্ব বেংকৰ সাহার্য্য প্রাপ্ত এএ.চি.পিৰ আচনিৰ অধীনত STW স্থাপনৰ বাবে ভূ-গর্ভৰ পানী গুৱাহাটী বিশ্ব বিদ্যালয়ত পৰীক্ষা কৰা হৈছিল আৰু মনদিয়া উন্নয়ন খণ্ডৰ ভূ-গর্ভৰ পানীত আৰ্চেনিকৰ পৰিমান বিপদ সীমাৰ ওপৰত হোৱাৰ বাবে ইয়াত STW স্থাপন বন্ধ কৰি ৰখা হৈছে। এতিয়ালৈকে ষষ্ঠলানী পৰীক্ষাৰ অন্তত পোৱা তথ্য অনুসৰি মনদিয়া উন্নয়ন খণ্ডৰ পৰা সংগ্রহ কৰা ৩৪

টা নমুনাৰ ভিতৰত ২ নমুনাতে আৰ্চেনিকৰ পৰিমাণ বিপদ সীমাৰ ওপৰত পোৱা গৈছে।

শেহতীয়াকৈ পৰীক্ষা কৰা ৩৪ টা নমুনা আৰু ইয়াৰ ফলাফলৰ তালিকা Annexure - II ত সংলগ্ন কৰা হৈছে।

(গ) ২০০৭ চনৰ পৰা (যি সময়ৰ পৰা বাঘবৰ সমষ্টিত STW স্থাপন বন্ধ কৰা হৈছে) এতিয়ালৈকে বিত্তীয় বৰ্ষ অনুযায়ী বৰপেটাজিলাত আৱণ্টন দিয়া STW সংখ্যা তলত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

বিত্তীয় বৰ্ষ ঃ ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০, ২০১০-১১, ২০১১ - ১২.

আৱণ্টিত

STW সংখ্যা ৯০০ টা, ১২০৩ টা, ২৩২২ টা, ১৪৪৩ টা, ৫৭৭২ টা

(ঘ) মনদিয়া উন্নয়ন খণ্ডৰ ভূ-গৰ্ভৰ পানীৰ বিভিন্ন স্তৰত কৰা পৰীক্ষাৰ অন্তত অতি সম্প্রতি আৰ্চেনিক মুক্ত বুলি প্রমাণিত হোৱা নাই।

(ঙ) বৰ্ত্তমানলৈকে সম্পাদন কৰা পৰীক্ষাৰ ভিত্তিত বাঘবৰ সমষ্টিৰ পানী আৰ্চেনিক মুক্ত নহয়। ভৱিষ্যত পৰীক্ষাৰ ফলাফল যদি আৰ্চেনিক মুক্ত বুলি প্রমাণিত হ'লে বাঘবৰ সমষ্টিৰ বাবে অধিক STW আৱণ্টন দিয়া হব।

VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 2011-2012

মাননীয় অধ্যক্ষঃ-

এতিয়া ২ নং কার্য্যসূচী হাতত লৈছো। যোৱা ১৯ ডিচেম্বৰ, ২০১১ তাৰিখত বহা কার্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা অন্যান্য সদস্য সকলৰ লগতে বিৰোধী দলৰ সদস্য সকলৰ লগত আলোচনা কৰি নিম্নোক্ত মঞ্জুৰী সমূহ অগ্রাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰে আৰু বাকী মঞ্জুৰী সমূহ ক্রমে অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লয়।

মঞ্জুৰী সমূহ হ'লঃ-

১। নগৰ উন্নয়ন (পৌৰ প্রশাসন)।

২। খাদ্য সংগ্রহ, পণ্যাগাৰ আৰু অসামৰিক যোগান।

৩। কৃষি।

৪। পানী যোগান আৰু অণাময়।

মঞ্জুৰী নং ৩৪ মাননীয়া নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়াই প্রস্তাৱ কৰিব।

Smti Ajanta Neog, (Minister, Urban Development): Hon'ble Speaker Sir, I would like to move that an additional amount of Rs. 160.11 Lakh be granted to the Minister-in-charge to defray certain charges which

will come in the course of payment during the year ending 31st March, 2012 in connection with urban Development.

মাননীয় অধ্যক্ষ ঃ-

তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ নামত এই মঞ্জুৰীটোৰ ওপৰত সৰ্বমুঠ তিনিটা কৰ্ত্তন প্ৰস্তাৱ আছেঃ

১। মঃ চিৰাজউদ্দিন আজমল

শ্ৰী ময়নুদ্দিন আহমেদ

শ্ৰী স্বপন কৰ

শ্ৰী গোপী নাথ দাস

শ্ৰী চেৰমান আলী আহমেদ

শ্ৰী জাহান উদ্দিন

শ্ৰী ৰফিকুল ইছলাম

শ্ৰী হাফিজ ৰছিৰ আহমেদ

শ্ৰী মনোৰাৰ হুচেইন

শ্ৰী মজিবুৰ ৰহমান

শ্ৰী আমিনুল ইছলাম

শ্ৰী আলী হুছেইন

শ্রীমতী গুল আখতাৰা বেগম

শ্রী আব্দুৰ ৰহমান আজমল্ল

মৌলানা আটাউৰ ৰহমান মাঝৰভুঞা

২। শ্রী ফণী ভূষণ চৌধুৰী

শ্রী প্রফুল্ল কুমাৰ মহন্ত

শ্রী কেশৰ মহন্ত

শ্রী পদ্ম হাজৰিকা

শ্রী ভূপেন ৰয়

শ্রী প্রবীন হাজৰিকা

শ্রী উৎপল দত্ত

শ্রী মুকুন্দ ৰাম চৌধুৰী

শ্রী নৰ কুমাৰ দলে

*শ্রী হাফিজৰছিৰ আহমেদঃ-

মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৰ কৰোযে ২০১১-১২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ নগৰ উন্নয়ন পৌৰ প্রশাসন বিভাগৰ শিতানত ৩৪ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধার্য্য কৰা সমগ্র ১৬,০১১ লাখ টকাৰ পৰা ১০০ টকা হ্রাস কৰা হওঁক। অর্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ১৬,০১১ লাখ টকা ১০০ টকাৰে হ্রাস কৰা হওঁক।

---

* Speech not corrected

Shri Phani Bhusan Choudhury:-

The amount of Rs. 160.11 lakh under supplementary demand for Grant No. 34 in respect of Urban Development at pages 76-77 of the list of supplementary demand be reduced by Rs. 100.00 i.e. the amount of Rs. 160.11 lakh do stand reduced by Rs. 100.00 only

* শ্রী প্রশান্ত ফুকন ঃ-

নগৰ উন্নয়ন আৰু পৌৰ প্ৰশাসন শিতানৰ ৩৪ নং পৰিপূৰক দাৰী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৬,০১১ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় দাৰী মঞ্জুৰীৰ ১৬,০১১ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

মাননীয় অধ্যক্ষ ঃ- মাননীয় সদস্য সকলে এতিয়া কৰ্টন প্ৰস্তাৱ উত্থাপন কৰি বক্তব্য ৰাখিব।

* শ্রী মনোৱাৰ হুছেইন ঃ-

মাননীয় অধ্যক্ষ মহোদয়, দাবী মঞ্জুৰীৰ ৩৪ নং শিতানত নগৰ উন্নয়ন আৰু পৌৰ প্ৰশাসনৰ সম্পৰ্কত কৰ্টন প্ৰস্তাৱ উত্থাপন কৰি মই

* Speech not corrected

দুষাৰমান কৰ বিচাৰিছো। নগৰ উন্নয়নৰ এই বিষয়টো বিশেষকৈ খোৱাপানীৰ যোগান মানুহৰ জীৱনৰ লগত ওতঃপ্রোতভাৱে সম্পর্ক। এখন দেশৰ এটা জাতিৰ সভ্যতা আৰু সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্রত নগৰ উন্নয়নৰ ভূমিকা লেখত লবলগীয়া। এইটো কথা ঠিক যে নগৰ উন্নয়নৰ ক্ষেত্রত চিভিল চচাইটিৰ বিশেষ কৰণীয় আছে। নগৰ উন্নয়নৰ জৰিয়তে নগৰিকৰ জীৱন উন্নত কৰি তোলাৰ এটা প্রধান আহিলা। কিয়নো আমি যদি পূৰণা ইতিহাসলৈ চাও একালত হৰপ্পা আৰু মহেঞ্জদাৰো নগৰ উন্নয়নৰ দ্বাৰাই এক সভ্যতাৰ সূচনা হৈছিল। ঠিক সেইদৰে হস্তীনাপুৰ তো হৈছিল। আমাৰ অসমৰো শোনিতপুৰ, প্রাগজ্যোতিষপুৰ ইত্যাদি চহৰ নগৰ উন্নয়নৰ দ্বাৰাই পৰিকল্পিত হৈছিল। এতিয়া বর্ত্তমান অবস্থাত গুৱাহাটী মহানগৰীৰ পৰিকল্পনা আৰু উন্নয়ন সমূহৰ ক্ষেত্রত দেখা যায়, গুৱাহাটী মহানগৰ খন অ-পৰিকল্পিতভাৱে গঢ়ি উঠিছে, যত খোৱাপানীৰ কাৰণে হাহাকাৰ অৱস্থা, ৰাস্তা-পদুলি, নলা-নর্দমাৰ কোনো পৰিকল্পিত ব্যৱস্থা নাই। তাৰোপৰি যানবাহন চলাচলৰ সু-ব্যৱস্থা নথকাত আৰু ৰাস্তা-পদুলি নোহোৱাত প্রতি দিনে চহৰ খনত ভয়ংকৰ যান যতৰ সৃষ্টিট হয়। তাৰোপৰি অসমৰ বিভিন্ন ঠাইৰ পৰা আৰু দেশৰ বিভিন্ন অঞ্চলৰ পৰা লাখ লাখ মানুহে চাকৰী সংস্থাপন আৰু বেপাৰ বানিজ্যৰ কাৰণে গুৱাহাটী চহৰলৈ নিতৌ আহি আছে। যাৰ ফলত অতি সোনকালে - ই গুৱাহাটী চহৰত জনবিস্ফোৰন ঘটিব। অহা ১০/২০ বছৰৰ ভিতৰত গুৱাহাটী চহৰ খন নাগৰিকৰ

বসবাস কৰাৰ কাৰণে অনুপযোগী হৈ পৰিব। গুৱাহাটীৰ ৰাস্তা পদুলিৰ এনে অৱস্থা হৈছে যে আৰু এনে যান ষট সৃষ্টি হৈছে যাৰ কাৰণে নেকি যিটো ৰাস্তাত গলে ১৫ মিনিটতে পোৱা যায়। এতিয়া সেই ৰাস্তাৰে গলে যান যটৰ কাৰণে ৩/৪ ঘণ্টা সময়ৰ প্ৰয়োজন হয়। গতিকে নিয়ন্ত্ৰণ হেৰাই যোৱাৰ উপক্ৰম হৈছে। কলিকতা, দিল্লী ইত্যাদিত যান বাহনৰ বিকল্প ব্যৱস্থা আছে। মেট্ৰ ৰেলওৱে ইত্যাদিৰ সুবিধা আছে। কিন্তু আমাৰ গুৱাহাটীতে মাত্ৰ এটাই মেইন ৰোড, যিটোৰে নেকি সমগ্ৰ যানবাহন চলাচল কৰিবলগীয়া হৈছে। আৰু সেই কাৰণেই ভয়ংকৰ যান জটৰে উশৃংখল হৈছে। গতিকে গুৱাহাটী মহানগৰ খনৰত এটা ৰাস্তাৰ ওপৰত নিৰ্ভৰ নকৰি বিকল্প পথৰ ব্যৱস্থা কৰিব লাগে। সম্ভৱ স্থলত পাতাল ৰেলওৱেৰ পৰিকল্পনা কৰিব লাগে। বিকল্প যাতাতৰ আৰু ৰাস্তা পদুলি পৰিকল্পিতভাৱে প্ৰস্তুত নকৰিলে অদূৰ ভৱিষ্যতে গুৱাহাটী মহানগৰৰ অৱস্থা কি হব সেইটো অকল্পনীয়। তাৰোপ-ৰি নলা-নৰ্দমা কোনো ঠাইতে সঠিকভাৱে নৰনোৱাৰ কাৰণে সমস্যাৰ সৃষ্টি হৈছে। যি সকল দায়িত্বশীল বিষয়া আৰু কৰ্মচাৰী আছে যাৰ ওপৰত এই নগৰ উন্নয়ন বিভাগৰ কাম-কাজ নিয়োজিত কৰা হৈছে সেই সকলৰ মানসিকতাও থাকিব লাগিব, যাতে নাগৰিকৰ প্ৰতি তেওঁলোকৰ সু-মনোভাৱ আৰু দায়িত্ব থাকে। তেতিয়াহে তেওঁলোকে নাগৰিকৰ সুবিধা হোৱাকৈ কামবিলাক ঠিকমতে কৰিব পাৰিব। এতিয়া কামবিলাক ঠিকমতে হোৱা নাই অপচয় হৈ আছে। তাৰোপৰি, নগৰ খনৰ বিভিন্ন এলেকাত যধে-

মধে ঘৰ সাজি আছে, ৰাস্তা ৰনাই আছে। ফলত এখন গাড়ী গলে আনখন গাড়ী সোমাব নোৱাৰে। ঘৰ সজাৰ দৰ্শাস্ত বিলাক দিওতে ভালদৰে পৰীক্ষা নিৰীক্ষা নকৰাকৈ পাৰমিচন দিয়ার কাৰণে অচলা অৱস্থাৰ সৃষ্টি হৈছে। গতিকে শদিয়াৰ পৰা গুৱাহাটী উন্নয়নৰ সকলো কাম প্লেনিং লৈ কৰিব লাগে। আমি আশা কৰি পাৰো গুৱাহাটী চহৰত যদি মেট্ৰ ৰেলওৱেৰ ব্যৱস্থা কৰা হয়, তেতিয়াহলে বহুখিনি সমস্যাৰ সমাধান হব। মাননীয় অধ্যক্ষ মহোদয়, অহা ১০/২০ বছৰত গুৱাহাটীত যাতে এটা ভয়ংকৰ অৱস্থাৰ সৃষ্টি নহয, যান-যটন সমস্যা নহয, ইত্যাদি কথাবিলাক লক্ষ্য ৰাখি পৰিকল্পিত ভাবে উন্নয়নৰ কাম বিলাক দ্রুত গতিত আগৱঢ়াই লৈ যাব লাগে। প্রয়োজন হলে আমাৰ ইয়াৰ বিষয়া আৰু দায়িত্বশীল লোকক দেশৰ অন্যান্য ঠাইলৈ পঠিয়াই সেই ঠাইৰ নগৰ উন্নয়নৰ কাম-কাজৰ অভিজ্ঞতা লৈ আমাৰ ইয়াতো যাতে সুন্দৰ আৰু সুচল যাতায়ত ব্যৱস্থা গ্রহণ কৰিব পাৰে আৰু দৰকাৰ হলে গুৱাহাটী মহানগৰীত আন্দাৰ গ্রাউন্ড ৰেলওৱেৰ ব্যৱস্থা হাতত লব পাৰে। ইমানকে কৈ যিটো কৰ্টন প্রস্তাৱ আহিছে সেইটো সমর্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো

* শ্রী ফণীভূষন চৌধুৰী :-

মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৰ্টন প্রস্তাৱটো উত্থাপন কৰি কেইটামান কথা কব বিচাৰিছো। প্রথম কথা হ'ল এই যিটো গ্রাণ্টৰ জৰিয়তে চাপ্লিমেণ্টৰী ডিমাণ্ড বিচাৰিছে এই টকাতো কেনেভাৱে বা কত খৰচ কৰিব বা কোনে কবি তাৰ এটা স্পষ্ট আভাস নাই।

বিজনেচ এডভাইচাৰী কমিটিত এইবিষয়ে আলোচনা হৈছিল। আমি কব বিচাৰছো গুৱাহাটী মিউনিচিপালিটি কৰপোৰেচনৰ যিখন আইন সেই খন ১৯৭৩ চনত হৈছিল আৰু এই আইনৰ অধীনতে পানী যোগানকে ধৰি বিশেষকৈ পানবজাৰৰ পানী যোগান আচনি গুৱাহাটী মিউনিচিপালিতিৰ অন্তর্ভূক্ত কৰ হৈছিল। এই আইন খন ৭৪ নং সংশোধনীৰ জৰিয়তে সংশোধন কৰা হৈছিল। আৰু সেই অনুযায়ী মিউনিচিপালিটিক দায়িত্ব প্রদান কৰা হৈছিল। কিন্তু এতিয়া পানী যোগান আচনি নগৰ উন্নয়নৰ কাম কোনটো বিভাগে দয়িদ্ব পৈল আছে তাৰ স্পষ্ট চবিতো আমি দেখিবলৈ নাপাও।

* শ্রী অজন্তা নেওঁগ ঃ-

(গড়কাপ্তানি মন্ত্রী) ঃ এতিয়া এই দায়িত্ব জি, ডি, ডিয়ে কৰি আছে।

* শ্রী ফণীভূষন চৌধূৰী ঃ-

এতিয়া যিহেতু পানী যোগানৰ কাৰণে বা ওৱাটাৰ চাপ্লাইৰ কাৰণে টকা বিচাৰিছে কিন্তু এই পানী যোগান আঁচনিৰ কাম বিলাক ওৱাটাৰ ৰিচোর্চ, চুহৰেচ বোর্ড, পি, এইচ,চি আৰু অন্যান্য এজেঞ্চিয়ে কৰি আছে। পানবজাৰৰ পানী যোগান , সাতগাওঁ পানীযোগান, কামাখ্যা পানী যোগান, জি, এম, চি, দিশপুৰ পানী যোগান, হেঙ্গৰাবাৰী ইত্যাদি বিভিন্ন ঠাইত পানী যোগানৰ আচনিৰ কাম বিভিন্ন এজেঞ্চিয়ে চলাই আছে। এতিয়া প্রধান কথা হ'ল এই কাম বিলাক আচলতে

* Speech not corrected

কোনে কৰিব লাগে বা কাৰ ওপৰত দায়িত্ব আছে। কাৰণ বিভিন্ন এজেঞ্চি বিলাকে যিয়ে যেনেকৈ পায় তেনেকৈ কাম কৰি থকা কাৰণে অ-পৰিকল্পিতভাৱে কাম কৰা কাৰণে কুকুৰা যুজ কৰাৰ নিচিনা হৈছে। ফলত কোনোটো কামেই ৰাইজৰ উপকাৰ সধা নাই। গতিকে গোটেই বিষয়টো চাইচিতি কোনে কাম কৰিব বা কোনটো বিভাগক দায়িত্ব দিয়া হব সেই বিষয়ে নিস্পত্তি কৰা প্ৰয়োজন। এই কাম বিলাক জি, এম, চিয়ে কৰক বা আৰবান বিভাগে কৰক, বা পি, এইচ, চিয়ে কৰক মুঠতে যিকোনো এটা বিভাগক ইয়াৰ দায়িত্ব অৰ্পন কৰিলে আচনিৰ কাম বিলাক ফলদায়ক হব। মই বিভাগীয় মন্ত্রী মহোদয়ক এই বিষয়টো চালিজাৰি চাই নিস্পত্তি কৰিবলৈ অনুৰোধ জনালো।

মাননীয় উপাধ্যক্ষ মহোদয়, ৭৪ নং দফাৰ জৰিয়তে বিভিন্ন পৌৰ সভা, পৌৰ নিগম সংশোধন কৰা হৈছে। বিভিন্ন আঁচনিৰ কৰা হৈছে। কিন্তু ফলৱৰ্তী হোৱা নাই। আমাৰ ৰাজ্যখনতো ২০১১ চনত দি আসাম মিউনিচিপালিটি ১৯৫৬ খন সংশোধনী ঘটোৱা হয়। আৰু এই খন ২০১১ চনত সংবিধানৰ ৭৪ নং সংশোধনীত সন্নিবিষ্ট বিষয় সমূহ সভাসমূহক হস্তান্তৰ কৰাৰ বাবে সন্নিবিষ্ট কৰা হয়। এই বিভাগ সমূহৰ কামকাজ মিউনিচিপিলাটিক হস্তান্তৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু তাৰ পিছতো এখন চিঠি আহিছে ইয়াত দিছে। Vide Urban Development Department's letter No. UDD (M) 2/2010/101 dated 2nd July, 2011. However, a decision has been taken by the

Govt. to maintain statusquo for the time being, so far as the collection of fees of the building permission is concerned. The fees for this purpose will be collected by the Development Authorities as before, till an alternative arrangement for payment of salaries to the employees of Development Authorities of the State is made or the relevant provision of the Assam Town & Country Planning act, 1959 and the concerned Rules framed thereunder, are amended, which ever is earlier.

ইয়াত দিছে। ২০১১ চনত সংশোধনীত এক্টখনত কলে সংশোধনীৰ জৰিয়তে মিউনিচিপাটিক কৰাৰ কাৰণে দিয়া হৈছিল সেই মতে মিউনিচিপালিটিক প্রদান কৰা হৈছে। আৰ ১৯৯২ চনত কনষ্ট্রাকচন এমেণ্ডমেন্দ কৰিছে। সেইমতে ১৮ টা বিষয় মিউনিচিপালিটিক হস্তান্তৰ কৰা হৈছে। পৰৱৰ্ত্তী-পর্যায়ত একে ৱ্যৱস্থাই বাহাল আছে। ৰৱবাৰীত কনষ্ট্রাচনৰ এটা ব্যৱস্থা হৈছে। ২০১১ চনত যিটো সংশোধনী হৈছিল তাত ইয়াৰ জৰিয়তে এটা প্রভিজন আছে। পৌৰ সভাৰ চেয়াৰমেন, ভাইচ চেয়াৰ মেন, ওৱার্ড কমিচনাৰ সকলক অনাৰেৰিয়াম দিব লাগে। বিভাগীয় মন্ত্রীমহোদয়ক এই অনাৰেৰিয়াম দিয়াৰ ব্যৱস্থা গ্রহন কৰিবৰ কাৰেণ অনুৰোধ জনালো।

কিন্তু ইয়াত দেখা গল যে চেয়াৰ মেন ভাইচ চেয়াৰমেন, ওৱার্ড কমিচানাৰক যিমানখিনি দৰ্মহা দিবৰ কাৰণে টকাৰ প্ৰয়োজন সিমান টকা আয় নহয়। ফলত চেয়াৰমেন, ভাইচ চেয়াৰমেন সকলক দিবলগীয়া মাননী দিব নোৱাৰে। এই ব্যৱস্থা কৰাৰ ক্ষেত্ৰত মিউনিচিপালিটি, টাউন কমিটি বিলাকৰ অসুবিধা হব। সেয়েহে মই এই বিষয়টো নিষ্পত্তি কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। দ্বিতীয় কথা হল, এক্ট খন এটা প্ৰভিজন মতে বিভিন্ন বিষয় মিউনিচিপালিটিক, টাউন কমিটিক প্ৰদান কৰা আছে। ইয়াত ব্যৱস্থা আছে। The sevices of an official of the Directorate of Town & country Planning. Assam Samallhal be placed partially at the disposal of the concerned Municipality of a continuous group of Municipalities for this purpose. আনকি বিভাগীয় ভাবে বেচিকৈ, ওৱার্ক ব্ৰিজ আদিৰ কাম মিউনিচিপাটিক, টাউন কমিটিক দিবৰ কাৰণে দিয়া আছে। অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাও যে মিউনিচিপালিটি বিলাকত টেকনিকেল মানুহৰ অভাৱ। উদাহৰণস্বৰূপে, মোৰ বঙ্গাই গাওঁ মিউনিচিপালিটিত মাত্ৰ এজন জুনিয়ৰ ইঞ্জিনিয়াৰ আছে। তাত যিবিলাক আঁচনি হৈ আছে এজন ইঞ্জিনিয়াৰে কৰিবলৈ ভীষণ অসুবিধা হৈছে। তাৰ কাৰণে মিউনিচিপালিটিয়ে যি গতিত কামবিলাক, আগৰঢ়াই নিব লাগিছিল নিব পৰা নাই। এই কাম বিলাক এক্টত সন্নিবিষ্ট আছে। এই কামবিলাক গড়কাপ্তানি বিভাগ, জন স্বাস্থ্য কাৰিকৰী, আৰবান ভেলপমেণ্ট বিভাগ আদিক ভাগ ভাগ কৈ

কৰিবলৈ দিয়া আছে। ফলত ই এটা কুকুৰা যুঁজৰ দৰে হৈছে। নির্দ্দিষ্টকে কোনা এটা বিভাগক কৰিবলৈ নতুৱা গোটেই কামখিনি অকলে মিউনিচিপালিটিক চাবলৈ দিলে খৰতকীয়াকৈ আগবাঢ়ি যাব। নতুনকৈ এই সংশোধনীৰ জৰিয়তে হলদিং কলাচিফিকেচনৰ প্রভিজন ৰাখিছে। এখন কমিটি গঠন কৰি দিছে। এই কমিটিত জিলা উপায়ুক্ত পি, ডব্লউদিৰ কার্য্যবাহী অভিযন্তা, ভাইচ চেয়াৰমেনক লৈ গঠিত হৈছে। কাম বিলাক আগবঢ়াই নিব লাগে। কিন্তু নিব পৰা নাই। এই গোটেই বিলাক বিষয় চোৱা চিতা কৰি সকলো ব্যৱস্থা গ্রহণ কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনালো।

মাননীয় উপাধ্যক্ষ মহোদয়, এই সকলক লৈ চহৰত এখন কমিটি আছে। মন্ত্রী মহোদয়াক অনুৰোধ জনাব খুজিছো মিউনিচিপাটি বিলাকৰ লগত যোগাযোগ কৰি কামবিলাক যাতে খৰতকীয়া হয়, তাৰ কাৰণে প্রচেষ্টা হাতত ললে ভাল হব। মিউনিচিপালিটি সমিতি সমূহে যিবিলাক গ্রান্ত পায় সেই বিলাক যাৰতে কামত খটুৱাব পাৰে সেইটো মন্ত্রী মহোদয়াই চাব লাগে। মই মন্ত্রী মহোদয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষই আসন এৰে আৰু মাননীয় সভাপতিয়ে আসন গ্রহণ কৰে।

* শ্রী দিলীপ মৰাণ ঃ-

মাননীয় চেয়াৰমেন চাৰ, আজি এই কৰ্ত্তন প্রস্তাৱটো সমর্থন কৰি আমাৰ নগৰ উন্নয়নৰ কাৰণে যিবিলাক সা-সুবিধা ৰাখিছে সেই সম্পর্কে মই দুআষামান কব বিচৰিছো। এই নগৰ সমিতিৰ কাৰণে মোৰ সমষ্টিত ১০ টা ৰার্ড আছে তাৰ ভিতৰত ৮ নং ৰার্ডটো কাকজান ৰার্ডটোহে সকলো উন্নয়নৰ সুবিধাখিনি পাই আছে। ঠিক তেনেকৈ তিনিচুকীয়াত ১৫ টা ৰার্ড আছে তাৰ এটাও উন্নয়নৰ সুবিধা পোৱা নাই। একেখন নগৰে দুৱাৰ ভোটদান কৰে। যিসকলে ভোটদান কৰে সেইসকল এচাম নগৰত পৰে আৰু এচাম পঞ্চায়তত পৰে। সেইটো ঠিক কৰিব লাগে। ডুমডুমাত যিসকলে বাস কৰে সেই সকলৰ মাটি নগৰত আছে। সেইকাৰণে মন্ত্রী মহোদয়াক অনুৰোধ জনাইছো যাতে এই লোক সকলে সুবিধা খিনি পায়। ডুমডুমা নগৰ সমিতিৰ ভিতৰত এখন হায়াৰ চেকেণ্ডাৰী স্কুল আছে, যিখিন পানীতোলা আঁচনিত আছে। তাত দুটামান টেপ আছে, কেতিয়াবা পানী ওলায় কেতিয়াবা নোলায়। নগৰ খনৰ উন্নয়নৰ কাৰণে যি আঁচনি আছে সেই আঁচনিত যাতে তাত থকা লোকসকলে সা-সুবিধা বিলাক পায় সেইটো মন্ত্রী মহোদয়াই চাব লাগে।

মাননীয় চেয়াৰমেন চাৰ, নগৰখনৰ চহৰ অঞ্চলত বহুতো দুখীয়া মানুহ আছে সেইসকলৰ কিছুমান গাওঁ পঞ্চায়তত পৰে, কিছুমান নগৰ অঞ্চলত পৰে। নগৰ অঞ্চলত পৰা সকলে একো সা-সুবিধা নাপায়। ডুমডুমা নগৰ অঞ্চলত এখন স্কুল আছে তাত এখন খেল পথাৰ আছে আৰু সেই খেল পথাৰখন পকীবেৰ দিয়া আছে তাত কোনোৱেই

খেলিবলৈ যাব নোৱাৰে, কাৰণ সেইখন নগৰ সমিতিয়ে বন্ধ কৰি ৰাখিছে। নগৰ উন্নয়নৰ ভিতৰত নলা নৰ্দ্দমা আছে, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আছে, সেইবিলাকে একো সা-সুবিধা পোৱা নাই। মই ভাৱো অসমৰ ১২৬ টা সমষ্টিৰ ভিতৰত এই নগৰ সমিতি সমূহৰ সুবিধাৰ্থে একো ব্যৱস্থা গ্ৰহণ কৰা নাই। গতিকে মন্ত্ৰী মহোদয়াক এই কামখিনি কৰাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় সভাপতি ঃ মাননীয় সদস্য সকলৰ ভিতৰত কোনোবাই কব বিচাৰে নেকি?

* শ্ৰী প্ৰশান্ত ফুকন ঃ-

মাননীয় সভাপতি মহোদয়, আপোনালোকৰ এই প্ৰস্তাৱটো সমৰ্থন জনাই মই দুআষাৰ কব বিচাৰিছো। আমাৰ অসমখন উন্নয়নৰ ক্ষেত্ৰত দুটা দিশ আছে তাৰে এটা গ্ৰামোঞ্চল আৰু আনটো হৈছে চহৰ অঞ্চল। গ্ৰাম্যাঞ্চত পি,এম,জি, ওৱাই আৰু এন, আৰু এন, আৰ , ই, জি, এৰ কাৰণে চৰকাৰৰ পৰা ধন আহে। নগৰ অঞ্চলৰ কাৰণে পৰিসীমাৰ এটা অংশহে আহে। আজি কিছু দিনৰ আগতে পইচাৰ কাৰণে এটা ডাঙৰ পৰিবেশ সৃষ্টি হৈছে। ইয়াৰ জৰিয়তে বাইদেৰে উন্নয়ন কৰিব বিচাৰি ছে। এই গড়কাপ্তানি বিভাগটোত যিখিনি আসোৱাহ আছে, বাইদেৰে চাৰ্জলৈ সেই আসোঁৱাহখিনি দূৰ কৰিব বুলি আশা কৰিলো। মাননীয় সভাপতি মহোদয়, গুৱাহাটীত মিউনিচিপালিটি বোৰ্ড আৰু মেট্ৰোপলিটান বোৰ্ড বুলি দুখন বোৰ্ড আছে। তাৰ কাৰণে পইচা আৱণ্টন হৈছে। টাউন কমিটী বোৰ্ডত

* Speech not corrected

এজন চেয়াৰমেন আৰু মিউনিচিপালিটি বোৰ্ডৰ কাৰণে এজন চেয়াৰমেন আৰু সদস্য ও থাকে। জেগা অনুযায়ী বেলেগ বেলেগ মেম্বাৰ থাকে। বিভাগটোত ইঞ্জিনিয়াৰসকল থাকে। টেকনিকেল ষ্টাফ থাকে কোৱালিটি কোৱালটিটি আদি বিভিন্ন ধৰণৰ থাকে। বহুত কোটি কোটি ধন আহে ইনষ্ট্রাকচাৰৰ কাৰণে। এইবিলাকত মাননীয়া মন্ত্রী মহোদয়াই গুৰুত্ব দিব।

মাননীয় সভাপতি মহোদয়, ডিব্রুগড় ডেভেলপমেণ্ট অথৰিটিত তিনিশ কর্মচাৰী আছে তেওঁলোকে দৰ্ম্মহা পোৱা নাই। আজি কিছু দিনৰ আগতে বিধান সভাত এখন আইন পাছ কৰিছিল। এই তিনিশ কর্ম্মচাৰীৰ কাৰণে লেন্ডচিলিং পেমেণ্টৰ পৰা দৰ্ম্মহা দিয়া হৈছিল। এই আইনখন গঠন কৰিছিল ১৯৫৯ চনতে। মাননীয়া মন্ত্রী মহোদয়াই যদি এই কর্ম্মচাৰী সকলক দৰ্ম্মহা দিয়া ব্যৱস্থা নকৰে তেতিয়াহলে ভৱিষ্যতে এটা ডাঙৰ সমস্যা আহি পৰিব। গতিকে চৰকাৰৰ ফালৰ পৰা তেওঁ লোকক দৰ্ম্মহা দিয়া ব্যৱস্থা কৰে যেন। আমাৰ মিউনিচিপালিটি আৰু গুৱাহাটী টাউন কমিটী কর্পোৰেচনত কিছুমান আসোঁৱাহ দেখা পাইছো সেই বিষয়ে মই সদনত কব বিচাৰিছো, আঠ গাওঁ লাইনৰ কাৰণে ১৯ লাখ টকা আৰু পিডব্লিউডি ইষ্টেটৰ কাৰণে১৯ লাখ ৩৪ হেজাৰ টকা দিছে। এই টকাটো উন্নয়নৰ নামত খৰছ কৰা নাই আৰু গড়কাপ্তানি বিভাগক ঘুৰাই দিয়া নাই। ৬ লাখ ৯৬ হেজাৰ টকা ফিক্স ডিপজিট কৰিছে। এইবোৰ মাননীয়া মন্ত্রী মহোদয়াই গুৰুত্ব সহকাৰে লব বুলি আশা কৰিছো। গুৱাহাটী মিউনিচিপালিটি কর্পোৰেচনে ৬ লাখ ৯০ কোটি টকা ওৱাটাৰ ৰিচোর্চ আৰু এৰিএক কাম কৰিবৰ

কাৰণে অগ্রিম ধন দিয়া হল। কিন্তু ১০ মার্চৰ ভিতৰত কাম হব লাগিছল কিন্তু নহল। পলাশবাৰীত ৪ কোটি ৬৫ লাখ টকা দিয়া হৈছিল মাটি অধিগ্রহন নোহোৱা কাৰণে আজিলৈকে কাম কৰিব পৰা নাই। ২০০৯ চনৰ নবেম্বৰ মাহত ২ কোটি ৪১ লাখ টকা পেমেণ্ট কৰা হ'ল। কিন্তু আজিলৈকে কাম নহল। এনেকুৱা বহুত উদাহৰণ আছে।

মাননীয় সভাপতি মহোদয়, আমাৰ শিৱসাগৰ মিউনিচিপালিটিয়ে নগৰৰ ধূলি আতঁৰাবৰ কাণে এটা মেচিন কিনিছিল। কিন্তু আজিলৈকে কাম হেৱা নাই। আজি আমি ডিব্রুগড়ৰ পদেন সদস্য হব লাগে। তাত আমাক নলয়। আমাক মিটিংত নামাতে। লাইট লগাবৰ কাৰণে অৱশ্যে চৰকাৰে পইচা নিদিয়া নহয়। সাংঘাটিকভাবে পইচা দিয়ে। কিন্তু লাইট লগোৱা আৰু বজাৰ এলটমেণ্ট কৰিছে যদিও একো খৰছ হোৱা নাই। বজাৰ কৰিবলৈ গলে ৩ ঠাইত গাড়ী ৰখালে সেই তিনি ঠাইতে পাকিং পইচা দিব লাগে। দেখা যায় গাড়ী পার্কিংৰ নাম মাহেকত দহেজাৰ মান টকা দিব লাগে। মিউনিচিপালিটি বিভাগত কেচবুক ব্যৱহাৰ নকৰিলে এই বিভাগটো ভাল কৰিব নোৱাৰে। মেটেলিং লেন কৰিব পৰা নাই। সেয়েহে আজি আমি সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বাইদেৱে এইবোৰ গুৰুত্ব সহকাৰে চিজিল কৰিব বুলি আশা কৰিলো।

মাননীয় সভাপতি মহোদয়, গুৱাহাটি টাউনত হলডিং টেক্স আদায় নকৰাকৈ থাকে। ২০১০ চনত ৭ টাত এতিয়ালৈকে ৬ কোটি ৬ লাখ টকা আদায় নকৰাকৈ আছে। ৰেণ্ট হিচাবে ৬৬.৪ লাখ

টকাৰ প্ৰায় ৫৫ লাখ টকা গন্দগোল হৈ আছে। ৩০ কোটি টকা আছে, আজি লৈকে ডিপোজিট হোৱা নাই। আজি জিএমচি ডিপার্টমেণ্ট হওক ব অন্য ডিপার্টমেণ্ট হওক এই কথাবিলাক যদি আমি গুৰুত্ব সহকাৰে নলওঁ মৃত্যুৰ্ব পিচত মৃতকৰ ওপৰত ফুল দিয়াৰ দৰে হব। সমস্যাবিলাক দিনক দিনে বাঢ়িহে যাব।

মাননীয় সভাপতি মহোদয়, ছাগলী যে কাটে শ্লটাৰত মহৰ মাৰি দিব পাৰে, মহৰ মাৰি নিদিয়াকৈ বিক্ৰী কৰাৰ ক্ষেত্ৰত মিউনিচিপালিটিৰ দায়িত্ব নাই। ছাগলীৰ মাংসত পানী মাৰি পাচ কেজি হলে চয় কেজি কৰি বিক্ৰী কৰিব। এই কথা বিলাক দেখা পাইহে আজি সদনত কবলগীয়া হৈছে। মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে এই কথাবিলাক যাতে তেখেতে গুৰু-ত্ব সহকাৰে লৈ ব্যৱস্থা গ্ৰহণ কৰে। বহুত মিউনিচিপালিটৰ ইনফ্ৰাক্ষ্ট্ৰাচাৰ নাই, কেচ নাই। মিনিচিপালিটিলৈ পইচা আহে, কিন্তু সদব্যৱহাৰ নহয়। সেই কাৰণে মই কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন জনাইছো, আৰবান বিভাগৰ যিখিনি কথা উৎথাপন কৰা হৈছে, সেই কথা বিলাক গুৰুত্ব সহকাৰে লব বুলি আশা ৰাখি মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰী জাহান উদ্দিন ঃ-

মাননীয় সভাপতি মহোদয়, নগৰ উন্নয়নত আনুসঙ্গিক ভাবে বহুত কথাই জাড়িত হৈ থাকে। ৰাস্তাঘাটকে আদি কৰি অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, মানুহৰ জীৱনৰ মানদণ্ড আমি সুদৃঢ় ভাবে গঢ়ি

* Speech not corrected

তুলিব লাগিব। মই এই ক্ষেত্রত কব খোজো যে অসমৰ যি কেইটা নগৰ আছে কিছুমান নগৰৰ উন্নতি হৈছে। কিন্তু এনকুৱা নগৰ আছে যে স্বাধীনতাৰ আগৰ পৰাই আজিলৈকে কোনো উন্নতি দেখানাই। উদাহৰণস্বৰূপে, মই ধুবুৰী চহৰৰ কথা কব খুজিছো। ধুবুৰী চহৰখন এনেকুৱা চহৰ যে যত জাতিৰ পিতা মহাত্মা গান্ধী, টেগ বাহাদুৰ, স্বামী বিবেকানন্দ, শঙ্কৰদেৱ, পাচ পীৰৰ দৰগাহ, ডি,চি, অফিচৰ লগত নেতাই পুখুৰী ধুবুনী ঘাট আদি আছে। ধুবুৰী চহৰত অৱস্থিত এল, পি, স্কুলত যেতিয়া আমি পঢ়িছিলো, তেতিয়া আমি পাইছিলো, কি কত কিয় বিখ্যাত। ধুবুৰী কিয় বিখ্যাত ইয়াত জাহাজঘাট আছে, এয়াৰপোর্ট আছে, লোৰ কাৰখানা আছে ইত্যাদি। কিন্তু আজি সেইবিলাক নাই, ধুবুৰীৰ উন্নতি হৈছে নে পিচু�ৱাই গৈছে। এইটো চৰকাৰৰ পক্ষে দুভাগ্যজনক কথা। স্বাধীনতাৰ আগত সেইবিলাক স্থাপন কৰা হৈছিল। ৰাস্তা-ঘাটৰ এনেকুৱা জৰাজীর্ণ অৱস্থা হৈছে যে অহাযোৱা কৰাৰ অসুবিধা হৈছে। ৰেল লাইনৰ কাষেৰে যি ৰাস্তা গৈছে তাৰ অৱস্থা নাই। এনেকুৱা সমস্যা হৈছে যে বৰষুণ দিলে ধুবুৰী চহৰ পানীত ডুবি থাকে। আজিৰ পৰা ২৭ বছৰ আগত ৰাস্তা-ঘাট সুন্দৰকৈ গঢ়ি তোলা হৈছিল। কিন্তু আজি সেইটো দেখা নাই। আগৰ যি ৰাস্তা আছে সেই বিলাকক মেৰামতি কৰি অহা যোৱাৰ সুবিধা কৰি দিছে। নতুনকৈ ডেভলাপ কৰাৰ কোনো আঁচনি নাই। ধুবুৰীত শঙ্কৰদেৱৰ নাম ঘৰ আছে। চৰকাৰে কোনো গুৰুত্ব দিয়া নাই। অকল ধুবুৰীৰ কথাই নহয় এনেকুৱা বহুত চহৰ আছে, আজিলৈকে কোনো উন্নয়ন হোৱা নাই। ধুবুৰীলৈ প্রাক্তন প্রধান মন্ত্রী

জৱহৰলাল নেহৰু আহিছিল, কিন্তু আজি দিনত ধুবুৰীৰ কথা চৰকাৰে পাহৰি হৈছে। ধুবুৰীৰ বি, এন, কলেজৰ যি ঠাই আছে সেইটো সামান্য বৰষুণৰ পানীত বুৰ গৈ থাকে। মিউনিচিপালিটিৰ পইচা নাই যদিও বিভিন্ন হেডৰ পৰা পইচা সংগ্রহ কৰে। ধুবুৰী টাউন অথৰিটিৰ পৰাও পইচা সংগ্রহ কৰে। আজি ধুবুৰীতে নহয় বৰপেটাকে ধৰি বহুত চহৰৰ উন্নতি হোৱা নাই। সেয়েহে মই বিভাগীয় মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে উন্নয়নৰ ক্ষেত্রত মনোযোগ দিয়ে। যিবিলাক অনুন্নতত চহৰ আছে সেইবিলাক অনতি পলমে উন্নতি কৰাৰ ব্যৱস্থা হাতত লবলৈ অনুৰোধ কৰিছো। প্রত্যেক বছৰে মিউনিচিপালিটি বিভিন্ন হেডৰ পৰা পইচা পায়, সেই পইচা বিলাক কলৈ যায় নাজানো। আজি মিউনিচিপালিটিৰ ওপৰত যিখিনি কর্ত্তন প্রস্তাৱ আনি আলোচনা কৰা হৈছে সেইবিলাক কথা চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি বিহিত ব্যৱস্থা লব বুলি অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রী আলী হুছেইন ঃ-

মাননীয় অধ্যক্ষ মহোদয়, যিটো কর্ত্তন প্রস্তাৱ অনা হৈছে, সেই কর্ত্তন প্রস্তাৱৰ সমর্থনত মই দুটামান কথা কৱ বিছাৰিছো। বৰপেটাজিলাত কেইৱাখনোনগৰ সমিতি আছে।সেই নগৰ সমিতি সমূহৰ ভিতৰত বিশেষকৈ সর্থেবাৰী নগৰ সমিতিত ২০০৯/২০১০ চনত ৩কোটি ২৭লাখ টকা আৱণ্টন দিছিল। এই টকা খিনিৰ ওপৰত সভা নেত্রী,

* Speech not corrected

উপসভাপতি ক'ত খৰছ কৰিলে কেনেকৈ খৰছ কৰিছে তাৰ হিচাব আজিও নাপালো। এই নগৰ সমিতিত চাৰ জন সদস্য মোক লৈ, দুজন পদেন আৰ দুজন নির্বাচিত। আমাৰলগত আলোচনা বিলোচনা নকৰাকৈ কোনো প্রচিডিং নোহোৱা কৈ লাখ লাখ টকা খৰছ কৰিছে। বাকী নগৰ সমিতি সমূহতো একেই অৱস্থা কোন ক'ত কেনেকৈ পইচা খৰছ কৰিছে তাৰ হিচাব, আভাষ কোনেও নাজানে। নগৰ সমিতিৰ এলেকাৰ সহজ সৰল মানুহে মনৰ জ্বালাত আমি বিধায়ক সকলক মাতি নিকয়। তেওঁলোকে আৰু আলোচনা কৰে বিধায়ক সকল পদেন সদস্য হয় নে নহয়। গোটেই অসমৰ নগৰ সমিতি সমূহে যধে মধে কাম কাজ চলাই আছে। যাৰ কাৰণে সর্বসাধাৰণ ৰাইজৰ তেওলোকৰ ওপৰত আস্থা নোহোৱা হৈছে। ৰাস্তা ঘাট ব্যৱসায় বানিজ্য আদিৰ কাৰণে লাখ লাখ টকা পাইছে। কিন্তু তেওঁলোকে আন্তঃগাঠনিৰ নামত যধে মধে খৰছ কৰে। ইয়াৰ উত্তৰ কোনে দিব তেওঁলোকে মানুহ বিছাৰিছে আমাক। সেই কাৰণে মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো গোটেই অসমৰ নগৰ সমিতি সমূহৰ ওপৰত বিধি গত ব্যৱস্থা লব লাগে। ১৯৬৯ চনতে সর্থেবাৰী নগৰ সমিতি প্রতিস্থা হৈছিল। কিন্তু আজিলৈ ইয়াৰ কোনো ড্রেইনেজ, ব্যৱসায় বানিজ্য কৰা সা-সুবিধা বা অন্য ক্ষেত্রতেই সা-সুবিধা নাই। অথচ লাখ লাখ কোটি কোটি টকা নগৰ সমিতি সমূহলৈ মুকলি কৰি দিয়া হৈছে। কোনো কার্য্যবিৱৰনী নাই, বহি নাই, মিটিং নাপাতে। সৌ সিদিনা ২৭ লাখ টকা খৰছ কৰিছে। চেয়াৰমেন জনীৰ বিৰুদ্ধে টকা অপব্যয় কৰা বুলি ইতিমধ্যে অনাস্থা প্রস্তাবো আহিছে। গতিকে

অতি সোনকালে এই গৰাকী সভানেত্ৰীৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা লব বুলি আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰী কেশৱ মহন্ত ঃ-

অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি, মই দুআষাৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িছো। নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়, নতুনকৈ জইন কৰিছে। তেখেতৰ বিষয়ে কৱলগীয়া হোৱা নাই। ভৱিষ্যতেও নহব বুলি আশা কৰিলো। নগৰ উন্নয়ন সমিতি সমূহৰ কাম কাজৰ ক্ষেত্ৰত বিশেষকৈ গুৱাহাটীৰ ক্ষেত্ৰত ইতিমধ্যে মাননীয় সদস্য ফনীভূষণ চৌধুৰী ডাঙৰীয়াই কৈ গৈছে। গুৱাহাটী মহানগৰ উন্নয়নৰ কাৰণে গুৱাহাটী মিনিউচিপাল, জিএমডিএ, আৰবান ডেভেলাপমেণ্ট, জনস্বাস্থ্য কাৰিকৰী বিভাগে কাম কৰে। গুৱাহাটীত বিশেষকৈ পানী যোগান, ছাফ-চিকুন, জাবৰ নিস্কাষণ, ড্ৰেইনেজ আদিৰ কাৰণে জলসম্পদ বিভাগ আদি বিভাগে কাম কৰে। কিন্তু সকলোৰে মাজত সমন্নয়ৰ অভাৱ। প্ৰতিটো বিভাগে বেলেগ বেলেগ ধৰণে কাম কৰি গৈ আছে। কাৰো লগত কাৰো সম্পৰ্ক নাই। আমাৰ এই বিধান সভা চৌহদত যি পানী দিয়ে সেইটো পি, এইচ, চি ৰ পানী। নগৰ উন্নয়ন বিভাগে পানী যোগান দিয়ে তেওঁলোকৰ চোৰ্চ টো হৈছে ব্ৰহ্মপুত্ৰ। ৰাইজে সদায় আপত্তি কৰি আহিছে যে এই পানীটো পিউৰিফাই হোৱা নাই। আৰু পৰ্য্যপ্ত পৰিমানে নাপায়। ইয়াৰ কাৰণে আৰু দুই এটা আচনি কাৰ্য্যক্ষম হব বুলি শুনি আছো। কিন্তু মন্ত্ৰী

* Speech not corrected

মহোদয়াৰ মুখত শুনিলে ভাল পাম। ৰাস্তা ঘাটৰ উন্নয়ন, জাৱৰ নিস্কাষণ, ড্রেইনেজ, পানী যোগান এই গোটেই কথা বিলাকৰ কাৰণে এটা সমন্নয়ৰ বেচি প্রয়োজন। এই সমন্নয়ৰ নেতৃত্ব নগৰ উন্নয়ন বিভাগকে দিয়ক। কিন্তু জিএমচি, নগৰ উন্নয়ন, পৌৰ প্রশাসন এই গোটেই খিনি নগৰ উন্নয়ন বিভাগৰ অধীনতে হওক। তেতিয়া সমন্নয়ৰ সৃষ্টি হব।

এতিয়া জিএমডিএ, জিএমচি বা অন্যান্য বিভাগে কাম কৰি আছে যদিও কাৰো লগত সম্বন্ধ নাই। গুৱাহাটী নগৰ উন্নয়নৰ কাৰণে কেন্দ্রীয় চৰকাৰে বহুতো ধন দিছে। জৱহাৰলাল আৰবান মিচনৰ অধীনত কেটি কোটি আহিছে। সেই বিলাক এতিয়া সু-পৰিলিপ্ত ভাৱে খৰছ কৰিব লাগে। সেই ক্ষেত্রত মই কব বিছাৰিছো যিবিলাক পুৰণা চহৰ সেই বিলাকৰ কাৰণে নতুনকৈ পলিকল্পনা কৰাটো কঠিন। কিন্তু নতুন চহৰ এখনৰ কাৰণে মাষ্টাৰ প্লেন তৈয়াৰ কৰা সহজ। মাষ্টাৰপ্লেন খন থাকিলে যি নির্ব্বাচিত প্রতিনিধিয়ে নাহক কিয়, ৫ বছৰৰ মুৰে মুৰে তেওঁলোকে এই মাষ্টাৰ প্লেন মতে কাম কৰি যাব পাৰিলে। এতিয়া মাষ্টাৰপ্লেন নোহোৱা কাৰণে বোর্ড বা কমিটি বিলাকে নিজ ইচ্ছাৰে কাম আৰম্ভ কৰে। যিটো সময়ত ৰাইজৰ অপ্রয়োজনীয়তা হয়। প্রয়োজনীয় ব্যৱস্থা মতে কাম কৰিলে কৰিবলৈ হলে মাষ্টাপ্লেন খনৰ প্রয়োজন। আমাৰ যিটো নগৰ উন্নয়ন বিভাগ আছে তেওঁলোকে বিশেষজ্ঞ লৈ এখন কমিটি গঠন কৰক। সেই কমিটিয়ে কৱ, ক'ত সাজিব, ক'ত ৰেচিডেনচিয়েল এৰিয়া হব, ক'ত পাৰকিং হব, জাৱৰ জোঠৰ ক'ত পেলাব? কোন ফালেৰে ড্রেইনেজ কৰিব। ৫ বছৰৰ

মূৰত টকা পইচা আহিলেও সেই মাষ্টাৰপ্লেন মতে কাম কৰি থাকিব। আৰু নিৰ্ব্বাচিত প্ৰতিনিধি সকলৰ কাৰণে এইটো এটা সুবিধাজনক হব। এতিয়া এই মন্ত্ৰী মহোদয়াৰ দিনত বিভিন্ন চহৰ নগৰলৈ এনটিটেস্ক শিতানত বহুত টকা আহিছে। এইটো তেখেতে পদক্ষেপ লৈছে। তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। এই টকাৰে পৰিকল্পিত ভাৱে কাম কৰিলে ইকোলোজিকেল বেলেন্স টো ৰক্ষা পৰিব। চহৰ খন পৰিকল্পিত ভাৱে কৰিবলৈ হলে সকলো কথা সামৰি লব লাগিব। চহৰৰ মাজত লৰা ছোৱালী ক'ত খেলিব ক'ত গছ গছনি ৰুব, মোৰ বোধেৰে টাউন এৰিয়াত মুকলি গ্ৰীন বেল্ট অতি প্ৰয়োজন। এই সকলো বিলাক আচনিৰ অৰ্ন্তভূক্ত হব লাগে। সেই খিনি কৰিবলৈ যাওতে এটা কথা চাব লাগিব। এই নিকাই সমূহত কৰ্ম্মচাৰীৰ বৰ অভাৱ কিছুমান ঠাইত কাৰিকৰী কৰি বিষয়া নায়েই আৰু বহুত ঠাইত কাৰ্য্যবাহী বিষয়াক দায়িত্ব দিয়া নাই। যদি বিষয়া নিদিয়ে টকা পইচাৰ একাউণ্টিবিলিটি কোনে লব? বাবলিক বডিয়ে সেই দায়িত্ব নলয়। সেই কাৰণে ঠিকা ভিত্তিত হলেও কাৰিকৰী বিষয়া লোৱাৰ ব্যৱস্থা লওক। তেওঁলোকে যাতে নিজাববীয়াকৈ কাম কৰি যাব পাৰে। গুৱাহাটীত জিএমডিএ, জিএমচি আছে। জিলা বিলাকত জিলা উন্নয়ন প্ৰাধিকৰন আছে। তেওঁলোকক দায়িত্ব অৰ্পন কৰক। পৰিকল্পিত ভাৱে যদি নগৰ সমূহক প্ৰত্যেকজন নিদিলে চহৰ খনৰ সৌন্দৰ্য্য আশা কৰিব নোৱাৰি। তাৰ কাৰণে মন্ত্ৰী মহোদয়াক দৃঢ় পদক্ষেপ লবলৈ

অনুৰোধ জনালো। মাননীয় সদস্য ফনীভূষণ চৌধুৰী ডাঙৰীয়াই কৈ গৈছে যে নিকাই সমূহলৈ এতিয়া নিজে নিজে ধন গৈ আছে। কোনেও দিশপুৰলৈ আহিব লগা হোৱা নাই তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এতিয়া এই ধনেৰে যাতে পৰিকল্পিত ভাৱে খা খৰছ কৰিব পাৰে তাৰ কাৰণে মন্ত্ৰীমহোদয়াক অনুৰোধ কৰিলো। আনহাতে, আৰু এটা কথআ চাব লাগে চহৰ খনলৈ সোমাওতে মানুহ এজনে চহৰ খনৰ ভিতৰত ক'ত কি আছে ৰাস্তাৰ মুখতে আৰি খোৱা ফলক খনতে যাতে গম পায়। তাৰ বাবে চহৰৰ ৰাস্তা ঘাট কে আদি কৰি এটা প্ৰতিচ্ছৱি থকাৰ থকাৰ ব্যৱস্থা কৰিবলাগে। তাৰো পৰি চহৰ খনত বৈশিষ্ঠ বা ঐতিহ্য চহৰ খনলৈ সোমাওতে মানুহ জনে গম পাব লাগে। যেনে, ধুবুৰী, নগাও চহৰত সোমালে সন্মূখতেই প্ৰয়োজনীয় প্ৰতিমুৰ্ত্তি ৰখাৰ ব্যৱস্থা কৰিলে চহৰ খনৰ ঐতিহ্য বুজি পোৱা যাব। এই খিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী কমল সিং নাৰ্জাৰী ঃ-

মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি দুআষাৰ কব বিছাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটী মহানগৰী খন বিজ্ঞানসন্মত প্ৰযুক্তিৰে সজাবৰ বাবে চিন্তা-চৰ্চা কৰা দৰকাৰ। এতিয়া আমাৰ বাইদেউৰে নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰীৰ দায়িত্ব লৈছে। আজি ভাৰতবৰ্ষৰ স্বাধীন হোৱা ৬৬ বছৰপাৰ হৈ গ'ল। অসমৰ ৰজধানী শিলঙৰ পৰা গুৱাহাটী অনা হ'ল। গুৱাহাটী মহানগৰীৰ মাষ্টাৰ প্লেন

এখন নহ'ল, মাষ্টাৰ প্লেন কাগজে কলমে চলি আছে, হাতেকামে কৰি পৰা নাই। আমাৰ বিধান সভাত ১২৬ জন সদস্য আছে, আমাৰ সকলো সদস্যৰে দায়িত্ব আছে। আমি গুৱাহাটী মহানগৰীখন সজাবৰ বাবে অধিক মঞ্জুৰী দিবৰ বাবে অনুৰোধ কৰিব লাগে। আজি আমাক এই সুযোগ দিয়া হৈছে। আমাৰ গুৱাহাটী মহানগৰী খনৰ নল-নৰ্দ্দমাৰ ব্যৱস্থাটো অতি বেয়া। পানী ওলাই যাবৰ কাৰণে ৰাষ্টা নাই। আমাৰ গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰ নদীখনৰ যি গভীৰতা, সেই গভীৰতা কমি আহিছে। ফলত এজাক বৰষুণ হলেই ব্ৰহ্মপুত্ৰ নদী ও ফণ্ডি উঠে আৰু গুৱাহাটী মহানগৰীৰ পানী ওলাই যাব নোৱাৰি ৰাষ্টা-ঘাট, ঘৰ-বাৰী বুৰাই পেলাই। গতিকে আধুনিক বিজ্ঞান সন্মত যন্ত্ৰ-পাতি ব্যৱহাৰ কৰি ব্ৰহ্মপুত্ৰ যি বিলাক বালিৰ চৰ পৰিছে। সেই বিলাকৰ খনন কার্য্যৰ ব্যৱস্থা কৰিব পাৰিলে ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ সোঁত বাঢ়িব আৰু মহানগৰীৰ পানী ওলাই গৈ মহানগৰীৰ বানপানীৰ সমস্যা নির্ম্মুল কৰিব পৰা যাব। অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লবৰ বাবে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী তথা বিভাগীয় বিষয়া সকলক টানি অনুৰোধ জনাইছোঁ। বৰ্ত্তমান গুৱাহাটী মহানগৰীত যি যান জটৰ সমস্যা অতি ভয়াবহ হৈছে। এজন ছাত্ৰ দিচপুৰৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাবলৈ হ'লে, ৰাতিপুৱা ৬ বজাতে ওলাব লাগে। দুঘণ্টা সময় হাতত লৈ ওলাব লাগে। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই যান-জটৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিবলৈ মই

অনুৰোধ জনাইছো। এই যান-জটৰ সমস্যা নিৰ্ম্মুল কৰিবলৈ হলে ৰাষ্টা-ঘাট ভাল কৰিব লাগিব। অৱশ্যে গুৱাহাটীত ৰাষ্টা-ঘাট বহল কৰিবলৈ ঠাইৰ অভাৱ। কিয়নো গুৱাহাটী চিটি খন মাষ্টাৰ প্লেনৰ ভিত্তিত বনোৱা হোৱা নাই। গতিকে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি 'মেট্ৰৰেলৰ' ব্যৱস্থা কৰিব লাগিব। আজি দিল্লী মহানগৰীত যান-জটৰ নিয়ন্ত্ৰণৰ বাবে আধুনিক পযুক্তি ব্যৱহাৰ কৰি 'মেট্ৰৰেলৰ' ব্যৱস্থা কৰিছে। আমাৰ গুৱাহাটী মহানগৰীটো মেট্ৰৰেল স্থাপনৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে। ২০০৭ নে ২০০৮ চনৰ মোৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত সেই সময়ত গুৱাহাটী উন্নয়ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া গুৱাহাটীত মেট্ৰৰেলৰ ব্যৱস্থা কৰা হ'ব বুলি উত্তৰ দিছিল। কিন্তু আজিলৈকে মেট্ৰৰেলৰ বাবে পদক্ষেপ লোৱা দেখা পোৱা নাই। বিভিন্ন ঠাই সামৰি লৈ গুৱহাটীত মেট্ৰৰেলৰ ব্যৱস্থা কৰিব পাৰিলে কোনো ঠাইলৈ যাবলৈ যদি এঘণ্টা সময় লাগে। সেই দূৰত্ব আমি ১৫ বা ২০ মিনিটত পাবলৈ সক্ষম হ'ম। গতিকে এই বিষয়ত ব্যৰৱস্থা গ্ৰহণৰ বাবে বিভাগীয় মন্ত্ৰী আৰু বিভাগীয় বিষয়া সকল দায়িত্ব সহকাৰে আগবাঢ়ি আহিবলৈ অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিছো। আমাৰ নগৰ উন্নয়ন মন্ত্ৰী বাইদেৰে গুৱাহাটী উন্নয়নৰ বাবে ১৬০.১১ কোটি টকা বিছাৰিছে। মই ভাৱো ইয়াতকৈও বেচি টকাৰ দৰ্কাৰ। গুৱাহাটীৰ কথা কৱলৈ গলে পুতৌলগা অন্যান্য চহৰ বিলাক ফুৰি আহি গুৱাহাটীত সোমালে আমাৰ দুখ লাগে বেদনা ফুটি উঠে। গুৱাহাটীক স্বৰ্গভূমি কৰিবলৈ আমি চেষ্টা কৰা উচিত। তাৰ বাবে উন্নত ধৰণৰ বৈজ্ঞানিক পদ্ধতিৰে গুৱাহাটী খন সজাবৰ বাবে সুস্থ চিন্তা ধাৰা

আনিব লাগিব। অলপ বৰষুন অহাৰ লগে লগে গুৱাহাটীৰ কৃত্রিম বানপানীয়ে মানুহৰ এনে অৱস্থা কৰে যে তাক কৱলৈ ভাষা নাথাকে। ৰাস্তা বদুলি নলী নাদ একেকাৰ হৈ যায়। গুৱাহাটীত থকা মানুহ খিনিৰ অৱস্থা চাব নোৱাৰো হয়। যন্ত্রনাৰ সীমা সংখ্যা নোহোৱা হয়। তেনে ক্ষেত্রত গুৱাহাটী চহৰ খন কেনেকৈ উন্নত কৰিব পাৰি তাৰ এটা সুস্থিৰ আৰু ভাল চিন্তা কৰিব লাগিব। আমাৰ বৰ্ত্তমান মন্ত্রী মহোদয়া নতুন কৈ ভাৰ লৈছে। গতিকে তেওঁক দোষ দি মই একো কথাই কৱ বিছৰা নাই। এতিয়া আমাৰ বিভাগীয় মন্ত্রী বাইদেৱে দায়িত্ব লোৱাৰ পিচত নগৰ উন্নয়ণ বিভাগত বহুত সংশোধনী প্রস্তাৱ আনিছে আৰু কার্য্যকৰী কৰিবৰ বাবে আগবাঢ়ি আহিছে। আমাৰ মাননীয় মুখ্যমন্ত্রী, শ্রীযুত তৰুণ কগৈ ডাঙৰীয়াই স্বর্ণ জয়ন্তী আচনিৰ অধীনত নগৰ উন্নয়ণৰ বিভিন্ন আচঁনিত ব্যয় কৰিবৰ বাবে যি পইচা দিছিল জিলা উপায়ুক্ত সকলৰ অধীনত, জিলা উপায়ুক্ত সকলে নানা কামৰ অজু হাতত টকা পইচা খিনি সময়মতে খৰচ কৰিবৰ বাবে ব্যৱস্থা নোলোৱা বাবে আমাৰ টাউন কমিটিৰ যিসকল চেয়াৰমেন আছে তেওঁলোকেও এই টকাখিনি খৰছ কৰিব নোৱাৰে। জমা কৰি ৰাখিব লগা হৈথে। অৱশ্যে এতিয়া ৰাজ্যচৰকাৰে নগৰ উন্নয়ণৰ বাবে D.U.D.A কমিটিৰ সৱলীকৰণ কৰি বিভিন্ন পদক্ষেপ লৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। আজি নগৰ বিলাকত ৰাষ্টা-ঘাটৰ অ-ৱস্থা অতি পুতৌলগা। টাউন কমিটি বিলাকে যি ৰাজহ সংগ্রহ কৰে, তাৰে তেওঁলোকৰ কর্ম্মচাৰী সকলক দর্ম্মহা দিবলৈ নোযোৱে।যি সকল

ইউ, এল, বি ষ্টাফ আছে তেওঁলোকক দৰমহা দিওতেই ৰেভিনিউ কালেকচনৰ জমা টকা মৌহোৱা হৈযায়। এইবাৰ আমাৰ মুখ্যমন্ত্রী, শ্রী তৰুণ গগৈ ডাঙৰীয়াই ২০১১-১২ বিত্তীয় বৰ্ষত ইউ,এল, বি ষ্টাফক দৰমহা দিয়াৰ বাবে ব্যৱস্থা গ্রহণ কৰিছে, তাৰ বাবে মই মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই এই খিনিতে আৰু এটা কথা কবলৈ বিচাৰিছোঁ যে বিটিএডি কাৰ্বি আংলং, ডিমাহাচাও এই তিনি ষষ্ঠ অনুসূচীভূক্ত কৰ্মচাৰ সকলৰ দৰমহা চৰকাৰীভাবে এলেকা সমূহৰ ব্যৱস্থা কৰিব লাগে। এই খিনিতে উল্লেখযোগ্য যে ৭৪ নং সংবিধান সংশোধনী ষষ্ঠ অনুসূচী-ভূক্ত এলেকাসমূহত কার্য্যকৰী কৰিব নোৱাৰিলেও ২০০৭ চনৰ আগৰ কলেজ সমূহৰ শিক্ষক সকলক যেনেকৈ Grants in-aid দিয়াৰ মাধ্যমেদি দৰমহা দিয়াৰ ব্যৱস্থা কৰিছিল। ঠিক তেনেকৈ 6th Schedule Annexure ৰ - ULB ৰ কৰ্মচাৰী বিলাকৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মুখ্যমন্ত্রী শ্রীযুত তৰুণ গগৈ ডাঙৰীয়াও এই ক্ষেত্রত সঁহাৰি দিছিল। গতিকে কাৰ্যকৰী কৰিলে ভাল হয়। আমাৰ চহৰ এলেকা বিলাক যি ধৰণে কাম কৰিছে তাৰ বাবে আমি বাইদেউক ধন্যবাদ দিব লাগিব। আমি চহৰবিলাকৰ বাহ্যা বিলাক আৰু উন্নতি কৰিব লাগিব। মাননীয় তৰুণ গগৈৰ চৰকাৰে উল্লেখনীয় ব্যৱস্থা হাতত লৈছে। গুৱাহাটী চিটিবন আমি সুন্দৰ কৰিম। দিল্লী চিটিখন আগতকৈ বৰ্হি ভাল হৈছে আৰু দিল্লী বিমান বন্দৰো সুন্দৰ হৈছে। এচিয়াদ গেমচ্ পতা কাৰণে এই

বিলাক কাম কৰিবলৈ সুবিধ হৈছিল। সেইদৰে আমাৰ ৰাজ্য খনৰ নগৰ উন্নয়নৰ ক্ষেত্ৰত অতিৰিক্ত বিচৰা ধন খিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু উক্ত কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰী দুৰ্লভ চমুৱা ঃ-

মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো কৰ্তন অস্তাৱ আনিছে, সেই কৰ্ত্তন প্ৰস্তাৱটোৰ মই বিৰোধীতা কৰিছো। আজি যি সকলে কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত তেওঁলোকৰ বক্তব্য আগবঢ়াইছে, মই এই সকলো বিলাক শুনিছো। কি কাৰনে তেখেত সকলে এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছে, সেইটোহে বুজিব পৰা নাই। নগৰ উন্নয়নৰ বাবে অতিৰিক্ত ১৬০.১১ লাখ টকা মঞ্জুৰ কৰিব লাগে। এই মঞ্জুৰীক আমি সমৰ্থন কৰিছো। আজি আমি দেখিছো মাননীয়া মন্ত্ৰী বাইদেৱে এক পৰিবৰ্তন আনিছে, বিৰোধী পক্ষৰ বিধায়ক সকল, অসম গণ পৰিষদৰেই হওক বা ইউ, ডি, এফ বিধায়ক সকলে এফালে যেনেকৈ বাইদেউৰ কামত সন্তুষ্টি প্ৰকাশ কৰি সমৰ্থন জনোৱাৰ বিপৰীতে আকৌ কৰ্তন প্ৰস্তাৱটো সমৰ্থন জনাইছে। এই পবিত্ৰ সদনৰ মজিয়াত বিৰোধী পক্ষৰ সদস্য সকলে কৰ্তন প্ৰস্তাৱত সমৰ্থন জনাব লাগে কাৰনেই সমৰ্থন জনাইছে নেকি? নগৰ উন্নয়ন বিভাগে মাত্ৰ ১৬১.১১ লাখ টকাহে অতিৰিক্ত মঞ্জুৰী কৰিছে। আজি আমি দেখিবলৈ পাইছো গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত গুৱাহাটী ডেভেলাপমেণ্ট অথৰিটীয়ে কিমান কাম কৰিব লগা হৈছে, যাৰ বাবে গুৱাহাটী উন্নয়নৰ বাবে এটা সুকীয়া

বিভাগ খুলিব লগা হৈছে। এই বিভাগ টোৱে যিখিনি কাম কৰিছে। তাক বিৰোধীয়ে সমর্থন জনাইছে।

মাননীয় বাইদেৱে যি খিনি কৰিছে সেইখিনিৰে আমাৰ নগৰ সমূহত এক পবিৰ্ত্তন আনিবলৈ সক্ষম হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, নগৰ উন্নয়নৰ বাবে যিখিনি অতিৰিক্ত মঞ্জুৰী বিচাৰিছে সেইটোত আমি সকলোৱে সমর্থন জগাব লাগে, কাৰণ আমাৰ মন্ত্রী বাইদেৱে এই বিভাগটোত নতুন নতুন পদক্ষেপেৰে এক পৰিবর্ত্তন আনিব বিচৰিছে। এতিয়া সঞ্চালকৰ পৰা মিউনিচিপেলিটিলৈ পোনেপোনে টকা যায়। আগৰ দৰে মিউনিচিপেলিটিৰ পৰা মানুহ আহি সঞ্চালকালয়ত টকাৰ বাবে খাতিৰ কৰিব নালাগে। আজি ইয়াত লাইটৰ কথা কোৱা হৈছে। আজি আমাৰ নগাও চহৰ লাইটেৰে পোহৰ হৈ পৰিছে। আজি আমাৰ এন্ট্রি টেক্সৰ সমূহ ধন সৎ কামত লাগিছে। আজি নগৰ অঞ্চলত যি সকল দৰিদ্র সীমা ৰেখাৰ ওলত বসবাস কৰি আছে সেই সকলক উন্নতিৰ পথলৈ আনিবলৈ PMGSY আদি গ্রাম্য অঞ্চলৰ উন্নতিৰ বাবে চলি থকা আচনি সমূহ নগৰ অঞ্চলটো প্রয়াস কৰিছে। আজি আপোনালোকে দেখিছে যে কংগ্রেছ চৰকাৰে গ্রামাঞ্চলৰ লগতে নগৰাঞ্চলৰ উন্নয়নৰ কৰাৰ ব্যৱস্থা কৰিছে, আজি আমি দেখিবলৈ পাইছো যে নগৰ উন্নয়নবিভাগে বহুতে উন্নয়ন মূলক আচনি হাতত লৈছে। চেল্‌ফ হেল্প গ্রুপ সমূহক ধন আৱণ্টন দিয়া হৈছে। বস্তী অঞ্চলৰ উন্নয়নৰ বাবে আকস্মিক এলেকা স্থাপন কৰা হৈছে। জাবৰ জোথৰ নিস্কাষনৰ বাবে ব্যৱস্থা গ্রহন কৰা হৈছে। বিশুদ্ধ খোৱাপানী

যোগান আচনিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। আমাৰ নগাওঁ চহৰলৈ মহোদয়া যেতিয়া গৈছিল তেতিয়া আমি তেখেতক খোৱাপানী যোগান আচনি এখন নগাওঁ চহৰত দিয়াৰ অনুৰোধ জনোৱাৰ লগে লগে তেখেতে এই বিষয়ত সন্মতি প্রকাশ কৰিছিল আৰু Concept Paper DONER Ministry লৈ পঠাই accept কৰোৱাৰ ব্যৱস্থা কৰিলে। এই বিষয়ে ডি, পি, আৰু সোনকালে বনাবৰ বাবে মই অনুৰোধ জনালো। সেই কাৰনে মই মন্ত্রী মহোদয়াক মই ধন্যবাদ জনাম। চহৰলৈ দৰিদ্রতম লোকৰ পৰা আদ্যবস্ত লোকৰ আগমন হয়। তামোল, পান, পাচলি আদি ক্ষুদ্র ব্যৱসায়ী, ঠেলাৱালা, ৰিক্সাৱালা, হাৰভঙা শ্রম কৰা শ্রমিকৰ পৰা লাখপতি, কোটিপতি লোকে ইয়াত বসবাস কৰে। গাঁওৰ পৰা চহৰলৈ ধন উপার্জন, ব্যৱসায়, পঢ়াশুনা আদি কাৰনও চহৰলৈ মানুহৰ আগমন ঘটিছে। গতিকে চহৰ উন্নয়ন অপৰিহার্য।

অধ্যক্ষ মহোদয়, আমি যদি নগৰচহৰ উন্নয়ন কৰিব লাগে তেন্তে আমাক ধন লাগিবই। তেন্তে বিৰোধী পক্ষই কি কাৰনে কর্তন প্রস্তাৱ আনিছে? মাননীয় সদস্য, শ্রী ফনীভুষণ চৌধূৰীয়ে বঙাইগাওঁ চহৰত এইটো লাগে, সেইটো লাগে বুলি কৈছে। যদি লাগেই তেতিয়াহলে কি কাৰনে অতিৰিক্ত মঞ্জুৰী নালাগে বুলি কয়। আজি আমাৰ মাননীয় বিধায়ক, শ্রী প্রশান্ত ফুকন ডাঙৰীয়াই এই বিভাগটোত উন্নতি হোৱা বুলি কৈছে, অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কবা বিচাৰিছো যে অকল নগৰ উন্নয়নতেই নহয় মাননীয় মুখ্যমন্ত্রী,

শ্রী তৰুন গগৈ নেতৃত্বাধীন কংগ্রেছ চৰকাৰ খনে অসমৰ সকলো দিশতে এক নতুন জোৱাৰ আনিবলৈ সক্ষম হৈছে। সকলো দিশতে আজি এক অমুল পৰিবৰ্ত্তন হৈছে। আজি গুৱাহাটী উন্নয়নৰ বাবে এটা সুকীয়া বিভাগ খুলিব লগীয়া হৈছে। আজি নগৰ উন্নয়ন বিভাগে নাইট চেল্টাৰ আচনি লৈছে। নগৰ অঞ্চলৰ মহিলা সকলৰ উন্নতিৰ বাবে সৰু সৰু ফুড্ প্রচেছিং ইউনিট ব্যৱস্থা কৰা হৈছে, মাননীয় এ, আই, ইউ, ডি, এফ; বি, জেপিৰ বিধায়ক সকলে খোৱা পানী আচনি, ড্রেইনেজ, ৰাস্তা-ঘাট, মেট্রে ৰেল আদিৰ কথা কৈছে। আনফালে, অতিৰিক্ত মঞ্জুৰী দিব নালাগে বুলি কৈছে। অধ্যক্ষ মহোদয়, মই তেওলোকক এই আটাইবোৰ কথা চালি জাৰি চাই এই কৰ্তন প্রস্তাৱ উঠাই লোৱাৰ বাবে অনুৰোধ জনাইছো আৰু নগৰ উন্নয়ন বিভাগে যি দাবী মঞ্জুৰী আনিছে তাক সমর্থন জনোৱাৰ আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্রী মাজেন্দ্র নার্জাৰী।

* শ্রী মার্জেন্দ্র নার্জাৰী ঃ

মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই অসম বিধানসভাত যিটো কর্তন প্রস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই কেইটামান কথা কবলৈ বিছাৰছো। অধ্যক্ষ মহোদয়, মোৰ মতেৰে নগৰ উন্নয়ন বিভাগ আৰু পইচা দিব লাগে। সকলো জনসাধাৰণৰ কেন্দ্রবিন্দু আমাৰ নগৰ চহৰ বিলাক। ৰাতিপুৱা হোৱা লগে লগে এখন চহৰলৈ বিভিন্ন ব্যৱসায়, চাকৰি আদিৰ খাতিৰত মানুহ আহে।

* Speech not corrected

ইয়াত উপার্জন কৰি নিজৰ পৰিয়াল পোহপাল দিয়ে। যিহেতু নগৰাঞ্চলত সংখ্যা যথেষ্ট বেছি, সেই কাৰণে ইয়াত সমস্যাও আছে। ৰাষ্টা ঘাটৰ সমস্যা, ডেভেলপমেণ্টৰ সমস্যা, খোৱাপানীৰ সমস্যা, শৌচাগাৰৰ সমস্যা, ড্রেইনৰ সমস্যা আদি। যদিও আমাৰ কেছুমান নগৰৰ উন্নয়ন হৈছে, সকলোবিলাক হোৱা নাই। মাননীয় নগৰ উন্নয়ন মন্ত্রীয়ে এই বিষয়ত চকু দিব বুলি আশা কৰিলো। মই বিশেষকৈ আমাৰ গোসাইগাও চহৰৰ কথা কবলৈ ওলাইছো। ইয়াৰ কিছুমান স্থানত নলা নাই। বাৰিষা এজাক বৰষুণতে পানীৰে উপচি পৰে। ইয়াৰ কাৰণে ৰাইজৰ বহুত অসুবিধা হয়। ইয়াৰ পিছত ৰাষ্টা ঘাটৰ সমস্যা আছেই। কিছুমান টাউনত দেখা যায় ৰাষ্টাবোৰ সৰু সৰু। বিভিন্ন সময়ত কিবা অঘটন ঘটিলে পুলিচ বা গাড়ী আহিব নোৱাৰে। আজি বসবাস কৰিবলৈ লৈছে। মোৰ চহৰত ৪ টা ৱার্ড আছে। যিহেতু চহৰখন এক্সপান হৈছে, সেয়ে আমি ৱার্ড ৮ টালৈ বৃদ্ধি কৰিবলৈ প্রপজেল দিছিলো। মই আশা কৰো মন্ত্রী মহোদয়াই এই বিষয়ে বিহিত ব্যৱস্থা লব। তাৰোপৰি ইয়াত খোৱাপানীৰ সমস্যা আছে। এই সমস্যা সমূহ দূৰীকৰনৰ ক্ষেত্রত বিভাগীয় বিষয়া সকলৰ লগতে মন্ত্রী মহোদয়াই ব্যৱস্থা কৰিব বুলি মই আশা কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, ইয়াকে কৈ আজি কর্তন প্রস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰৰিন মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্রী জয়ন্ত মল্ল বৰুৱা।

* শ্রী জয়ন্ত মল্ল বুজৰ বৰুৱা ঃ

মাননীয় অধ্যক্ষ মহোদয়, আজি এ, ইউ, ডি, এফৰ ১৫ জন, এ, জি, পিৰ ৯ জন আৰু বি, জে, পিৰ ৫ জন মাননীয় সদস্যই আমাৰ নগৰ উন্নয়ন বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বিৰোধীতা কৰি কর্তন প্রস্তাৱ আনিছে। আজি তেওঁলোকৰ বক্তব্যৰ মাজেদিয়েই গোটেই কথা ওলাই পৰিছে। আজি জুৰোড পানী যোগান আঁচনিৰ কাৰণে ১ কোটি ৫০ লাখ টকা দিছে। ইয়াৰ উপৰিও অন্যান্য বহুতো নগৰত পানী যোগান আঁচনিৰ ব্যৱস্থা কৰা হৈছে। গতিকে তেওঁলোকে কর্তন প্রস্তাৱৰ বিৰোধীতা কৰাটো ধূসৰ হৈ পৰিছে। আজি বাইদেৱে দায়িত্ব লোৱাৰ পিচত পইচা বিচাৰি সচিবালয়লৈ আহিব নালাগে। এতিয়া টকা পইচা পোনে পোনে সঞ্চালকৰ তালৈ যোৱাৰ ব্যৱস্থা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই নগৰ সমূহ কাৰণে মাননীয় সদস্য সকলে পইচা পোৱাটো নিবিছাৰে নেকি? আজি মই এটা সমষ্টিৰ প্রতিনিধিত্ব কৰিছো তাত নগৰ আছে, গাওঁ আছে। নলবাৰী জিলাৰ কাৰণে টকা পাম বুলি আশা ৰাখিছো। স্বর্ণ ৰোজগাৰ যোজনা আদিৰ অধীনত বহুতো কাম কৰা হৈছে। তাৰ ভিতৰত স্মশান বা কবৰ স্থান আদিও আছে। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রপাতি কিনি নগৰ পৰিস্কাৰ কৰণ আঁচনি সফলভাৱে ৰূপায়ণ কৰিবৰ কাৰণে যথেষ্ঠ টকাৰ প্রয়োজন আছে। এই ক্ষেত্রত ১০০ কোটি টকা দিলেও যথেষ্ঠ নহয়। ইয়াৰেও কম হয় এনে ক্ষেত্রত ১ কোটি ৬০ লাখ টকা কেনেকৈ বেছি হ'ল। এইবাৰ আমাৰ মাননীয় মন্ত্রী, অজিৎ সিং ডাঙৰীয়া নলবাৰীলৈ গৈছিল ৰাস চাবলৈ। তেখেতে তাত গৈ দেখিলে

তাত খোৱা পানী নাই। পি, এইচ, ই, তাত এবাৰ পানীৰ ব্যৱস্থা কৰিব বিছাৰিছিল। অর্ডাৰো হৈছিল। কিন্তু তাত মিনিছিপালিটিৰ ফালৰ পৰায় বাধা থকা হেতুকে কৰিব নোৱাৰিলে। নলবাৰীত মিনিছিপালিটিৰ এটা হৰিজন কলনি আছে। তাত ৪৬ ঘৰ মানুহ আছে তেওঁলোকৰ পৰিয়াল আছে, তাত শোচাগাৰ নাই ওচৰৰ হস্পিতালত গৈ তেওঁলোক শৌচ কৰিব লাগে। লৰা-ছোৱালী বোৰ স্কুল ঘৰলৈ গৈ আৰু ৰাষ্টাই ঘাটে শৌচ কৰি লেতেৰা কৰি পেলায়। যদি টকা পইচা দিয়া নহয়, তেন্তে এইকামবোৰ কেনেকৈ হব। মাননীয় অধ্যক্ষ মহোদয়, মূল কথাটো হ'ল ট-কা পইচাৰ যথেষ্ঠ প্রয়োজন আছে। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ পূজিয়ে যথেষ্ঠ নহয়। পি, এম, জি, এচ, ওৱাই ৰ অধীনত গ্রাম্য অঞ্চলত ৰাষ্টা-ঘাট কৰি আছে, কিন্তু চহৰ অঞ্চলত হোৱা নাই। আৰ্বান ডেভেলাপমেণ্ট ডিপার্টমেণ্টে মিনিচিপালিটিৰ গাইড লাইন থকা কাৰণে তাত ৰাষ্টা-ঘাট বনাব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাত নলা-নর্দমা বনোৱাৰ কাৰণে মাষ্টাৰ প্লেন কৰি সমীক্ষা চলোৱা হৈছিল। এই সমীক্ষা মতে প্রায় ৬০ কৌটি টকাৰ প্রয়োজন হয় নলবাৰী জিলাত। যদি এই প্লেন মতে পইচা দিয়া নহয় তেন্তে কেনেকৈ কাম হব। প্রতিখন চহৰতে যদি প্লেন মতে কাম কৰিব নগা হয় যথেষ্ট পইচাৰ দৰকাৰ। আমাৰ প্রতি খন চহৰতে সমস্যা আছে। এক কৌটি ৬০ লাখ টকাৰ কথা কৈছে ১০০ কৌটি দিলেও সমস্যা সমাধান নহয়। ২৪ খন ২৮ খন ডেভেলামেণ্ট অথৰিটি আছে। অডিত হৈছে ৰেভিনিউ কালেচন হৈছে, সেই কালেচন হোৱা

ৰেভিনিউৰে দৰমহা আদি দি আছে। অন্যান্য বহুত বিভাগ আছে যিখিনি ৰেভিনিউ কালেচন হয় সেইখিনি দৰমহা দিওতে যায়। মিনিচিপাল বোর্ড সমূহক টকা দিব লাগে। সমষ্টি সমূহত চহৰ আৰু গাওঁ দুটা ভাগ আছে। গতিকে এই গাওঁ আৰু চহ সমূহক লৈ কৰিব লাগে। আজি ৮৮ খন চহৰ ইতিমধ্যে মাষ্টাৰ প্লেন কৰা হ'ল। ফাইনেল মাষ্টাৰ প্লেন হৈ গৈছে। গতিকে এই সমূহৰ কাম কৰিবৰ কাৰণে পুজি দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। নলবাৰী মিনিচিপালিটি আমাৰ দখলত নাই । যাৰ দখলত নাথাকক মই ৰাজনীতিৰ উৰ্দ্ধত ৰাখি কব বিছৰা নাই। তেওঁলোকে কর্ত্তণ প্রস্তাৱ আনিছে সচাঁ বেছিকৈ যদি টকা পইচা পায় তেন্তে তেওঁলোকোৰে সকাঁহ হব। মই বেছি দীঘলীয়া নকৰো, মই স্পষ্ট ভাবে কওঁযে এইকর্ত্তণ প্রস্তাৱ উঠাই লব লাগে। নগৰ বিলাক চফা কৰি ৰাখিবৰ কাৰণে যন্ত্রপাতি কিনিব লাগে। মিনিচিপাল বোর্ড নতুন চার্ভে কৰি যিখিনি টকা পায় সেইখিনিয়ে যথেষ্ট সহায় কৰিব। আমি নবলাৰী চহৰখন পৰিস্কাৰ কৰি ৰাখিব পৰা নাই। আধুনিক যন্ত্রপাতি হলে আমি চাৰিওফালে পৰিস্কাৰ কৰি ৰাখিব পাৰিম। মাননীয়ামন্ত্রী মহোদয়াই টকা পইচা পালে উন্নয়ণৰ কামত ভালধৰণে আগবাঢ়িব পাৰিব। গতিকে মই পুণৰবাৰ কর্ত্তণ প্রস্তাৱ উঠাই লবৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

কেপ্তেইন ৰবিন বৰদলৈ ঃ-

মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ, আজি এই যিটো কর্তন প্রস্তাৱ সদনত আহিছে তাৰ বিৰোধীতা কৰি মই বিৰোধী পক্ষৰ

সন্মানীয় সদস্য সকলক সুধিব বিচৰিছো, তেওঁলোকে আচলতে কি বিচাৰিছে? তেওঁলোকে উন্নয়ন হোৱাতো নিবিচাৰে নেকি? নে আগৰ নিচিনাকৈ যেনে আছে তেনে থকাটো বিচাৰিছে। (যেই চে মই) - (ভইচ)

(আপুনি কওঁক তাৰ পিচত আমি কম)

আপোনালোকে এফালে কৈছে গুৱাহাটী মহানগৰীতে মেট্ৰ ৰেল হব লাগে। কিয়নো গুৱাহাটীত যান বাহনৰ সংখ্যা বৃদ্ধি হৈছে আৰু যান যট বেছি হৈছে। গতিকে ৰাস্তা পদুলি বহল হব লাগে। কিন্তু আনফালে আপোনালোকে কৰ্টন প্ৰস্তাৱ দিছে। এইটো কেনে ধৰণৰ কথা।

মাননীয় অধ্যক্ষ ঃ- এইটো সাংবিধানিক পৰম্পৰা।

কেপ্তেইন ৰবীন বৰদলৈ ঃ-

সেই কাৰণে মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কব বিচাৰিছো উন্নয়ন বিচাৰিলে অধিক টকা লাগিব। গতিকে টকা কৰ্ত্তন কৰা কথা নাহে। এৰ্ত্তিয়া আমাৰ যিবিলাক মফচল নগৰ আছে - নগাওঁ, যোৰহাট , শিৱসাগৰ, ডিব্ৰুগড় এই নগৰ উন্নয়নৰ কাৰণে তেওঁলোকে টকা বিচাৰিছে। আমিও বিচাৰি অকল গুৱাহাটী চহৰ খনেই নহয়, আমাৰ ৰাজ্যৰ মফচল টাউন বিলাকৰো উন্নতি হব লাগে। আপোনালোকেই দেখিছেই, প্ৰতি দিনে জনসংখ্যাৰ হাৰ বৃদ্ধি হৈ আহিছে। গুৱাহাটী মহানগৰীত থাকিবলৈ ঠাই নাই। প্ৰতি দিনে কোনোবাই চাকৰিৰ সংস্থান বিচাৰি, কোনোবাই বেপাৰ বাণিজ্য বিচাৰি হাজাৰ হাজাৰ মানুহ

গুৱাহাটীলৈ অহাযোৱা কৰি আছে। ফলত গুৱাহাটীৰ অৱস্থাতো কেনেকুৱা হৈছে আপোনালোকে হয়তো অনুমান কৰিব পাৰিছে। স্কুল কলেজত পঢ়া ছাত্ৰ-ছাত্ৰী, চৰকাৰ বে-চৰকাৰী চাকৰিয়াল সকল গুৱাহাটীৰ ওচৰ-পাজৰ ঠাইৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰি আছে। তেওঁলোকৰ যাতায়তৰ কাৰণে যিমানখিনি সুবিধা হব লাগছিল সিমানখিনি হোৱা নাই। Guwahati is the gate way or Assam, not Assam, the North East. উন্নয়ন হবলৈ হলে ইয়াৰ লগত যিবিলাক আনুসংগিক ইনফ্ৰাষ্ট্ৰাকচাৰৰ কথা আছে, সেইবিলাকো ডেভেলপ কৰিব লাগিব। সেইবিলাক কৰিবলৈ যাওতে টকা পইচাৰ প্ৰয়োজনে বেছি। আজি গুৱাহাটীত যিটো ভিৰ হৈছে তালৈ লক্ষ্য কৰি আমাৰ ওচৰৰ মফচল এৰিয়া বিলাক ডেভেলপ কৰাৰ প্ৰয়োজন হৈছে। সেইবিলাক ঠাইত টাউনচিপ গঢ়ি উঠাৰ স্কোপ আছে। আজি দেখা হৈছে গুৱাহাটীৰ হাইউৰুমিৰ মাজত বহুতে থাকি ভাল নাপাই ওচৰ-পাজৰ অঞ্চললৈ গৈছে। গতিকে বিৰোধী পক্ষই যি কৰ্ত্তন কৰাৰ কথা কৈছে, আচলতে কৰ্ত্তন কৰাৰ প্ৰশ্ন নাহে। প্ৰয়োজন সাপেক্ষে ১০০০ কোটি টকা হলেও নাগে। কিয়নো এতিয়া মন্ত্ৰী মহোদয়ে ভাল পদক্ষেপ লৈছে বা লবলৈ বিচাৰিছে। আমাক অসমৰ উন্নতি হব লাগে আৰু তাৰ কাৰণে যথেষ্ঠ পুঁজিৰ দৰকাৰ। গুৱাহাটী চহৰত এতিয়া পানী যোগান সমস্যাটো এটা ভয়াবহ সমস্যা ৰূপেপৰিগনিত হৈছে। চহৰৰ বিভিন্ন এলেকাত য'তে ততে ডাঙৰ ডাঙৰ অট্টালিকা গঢ়ি উঠিছে আৰু লগে লগে ডিপ-টিউব ওৱেল বহুৱাৰ কাৰণে ভুগর্ভৰপানী টানি

নিছে, ফলত গুৱাহাটী মহানগৰীত কৃত্রিম খোৱাপানীৰ সৃষ্টি হৈছে। তিনিটা এজেঞ্চিয়ে এই আচনিৰ কামত লাগি আছে। জি, এম, চি, পি, এইচ, ই আৰু চুৱেজ বোর্ডো ইত্যাদি এজেঞ্চিয়ে ভাগে ভাগে কাম কৰি আছে। আজি ব্রহ্মপুত্রৰ নিচিনা এখন নদী থাকেতেও আমাৰ খোৱাপানীৰ সমস্যাতো লাঘৱ কৰিব পৰা হোৱা নাই। ইয়াৰোপিও জে এন ইউ আৰ, এমৰ পৰাও টকা পইচা আহিছে। কিন্তু যিমান প্রয়োজনৰ টকা লাগে সেইখিনি আমি পোৱা নাই। মাননীয় মুখ্য মন্ত্রী মহোদয়ে খোৱা পানী যোগানৰ এটা সুন্দৰ কৰাৰ কাৰণে কিছুমান ফাণ্ডিং এজেঞ্চিৰ লগত কথা বতৰা পাতিছে। গুৱাহাটী মহানগৰ বাসীৰ কথাই নহয়, গুৱাহাটীলৈ দৈনিক হাজাৰ হাজাৰ মানুহ আহি আছে। তেওঁলোককো পানী যোগান দিব লাগিব। There are three drinking water supply agencies like, G.M.C, Swarage Board and PHE গতিকে এই উন্নয়নৰ কাম বিলাক ফলপ্রসূভাৱে আগবঢ়াবলৈ হলে পুঁজি লাগিবই। গতিকে আমাক অধিক টকা লাগে। মন্ত্রী মহোদয়ে এই দায়িত্ব লৈ আগবাঢ়িছে। নলবাৰীৰ মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰিছে, তাত প্রায় ৫০ জন হৰিজন আছে, তেওঁলোকৰ অৱস্থা অতি দুখ লগা। How they living in Nalbari like cate and dogs. এই মানুখিনিয়েও সুবিধা পাব লাগে। ভাৰত চৰকাৰৰ ফালৰ পৰা এনে ধৰণৰ কিছুমান আচনি আছে, অসমৰ বিভিন্ন ঠাইত এই আচনিৰ

জৰিয়তে কামখিনি সমাধা কৰিব পৰা যায়। আমি এই দুখীয়া মানুহখিনিৰ উন্নয়নৰ কাৰণে চিন্তা কৰিব লাগে। আমাৰ গুৱাহাটীৰ 'ইলেকট্ৰিকেল ক্ৰিমেটৰিয়াম' বৰ্তমান নাই। কাৰণ ইতিমধ্যে গছ, কাঠৰ অভাৱ হৈছে। গতিকে ইলেকট্ৰিকেল ব্যৱস্থাতে আমাৰ প্ৰয়োজন হৈছে। অসমত এই ব্যৱস্থা নাই। কিন্তু মেঘালয়ত এই ব্যৱস্থা আছে। গতিকে এনে ধৰণে গুৱাহাটী মহানগৰীৰ উন্নয়নকল্পে বহুতো কাম কৰিবলগীয়া আছে। যাৰ কাৰণে আমাৰ পৰ্য্যাপ্ত ধনৰ প্ৰয়োজন। দৰকাৰ হলে ভাৰত চৰকাৰৰ পৰাও এই ধন আনিব লাগিব। বিৰোধী পক্ষই কৰ্ত্তন কৰিব বিচাৰিলে উন্নয়ন কাম কেনেকৈ হব। We have to develop ourselves. সেয়েহে, মই ভাবো বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লব আৰু অসম খনক উন্নয়নৰ পথত আগবঢ়াই লৈ যোৱাত চৰকাৰক সহায় কৰিব। ইমানকে কৈ মই সামৰণি মাৰিলো।

Hon'ble Speaker :- Sushmita Dev.

*** Smti Sushmita Dev. :-**

Hon'ble Speaker Sir, I oppose the cut motion brought against the demand for grants by the Hon'ble Minister. Urban Development.

We have seen some dynamic changes in the last 8 (eight) month in the UDD. The

* Speech not corrected

landmark change is being the result of the amendment of the Assam Municipal Act. 1956, which enable to implement the last phase of the amendment. The XII schedule has been incorporated and now urban local bodies have under them all matters of XII Schedule. Two minor suggestions that although the public health has been given to ULB's, the officers of that department has not been given at the partial disposal of ULB's. Further, as per the new Section of valuation of taxes on holdings, requires clarifications like residential and commercial properties and it should be specifically mentioned that all ULB's and the Committee must adhere to the Master Plan.

The 74th amendment was the vision of our Late Prime Minister, Rajiv Gandhjiee. He wanted to empower the ULB's to take political and economic autonomy to ULB's.

Make them a Government within a Government, what we call local self government. His vision was right because 27.8% of the Indian population lives in urban areas and 26.7% of the poor pupulation of India also lives in urban areas.

Today the rocedure of transfer of funds, functions and funtioneries have been completed in Assam due to vision of the present Minister, UDD. I am opposing the cut-motion because we have seen many steps for empowerment of ULB's.

Today, staffing pattern of ULB's is almost complete, model building bye-laws area almost ready, salaries are being paid from Govt. funds.

Silchar Municipality was suffering from fiscal deficit as revenues were 20 lakhs a month and salaries were also about 20 lakhs and no money was left for development. This was the situation before April. 2008 when barely 50.00 lakhs per

annum was received as grants-in-aid, but since 2009 we hve got 7.35 crores as salary and 8.65 crores as funds for local development. Once we give the revised pay scales, the amount will go up to Rs. 36.00 lakhs, but still development works will continue.

Hon'ble speaker Sir, our Hon'ble Chief Minister has accepted the recommendations of the 3rd State Finance Commission and now ULB's are getting devolution funds for developmental works. Further, ULB's have the benefit of SJSRY. 13th Finance commission, 4th State Finance commission. Entry Tax, Urban Infrastructures Development Scheme, NLCPR for developmental works. Since the Hon'ble Minister has taken over charge, funds are being released systematically without any delay.

Therefore, the stage is set, but to

ensure visible development we need to focus on capacity building. We need private consultant to help prepare DPR's to properly tap the funds. The engineering section of municipalities are not trained in areas like Solid Master Management, building of bridges etc. Since the role of ULB's have grown, we must focus on setting the right expertise. Recently UDD has floated an advertisement to invite private consultant for solid waste management. Similarily, to introduce the double entry system in accounting a Common software is required. Also our Hon'ble Minister is thinking about a Resource centre for training of officers and elected representatives. Staffing pattern must allow for labour on no work, no pay basis for solid waste Management.

Hon'ble Speaker Sir, Hon'ble Minister has emphasised on improving revenue

collections by ULB's. It is unfortunate that the biggest defaulters are Government offices like office of the Deputy Commissioner, Office of the Superintendent of Police, Office of PWD, ASEB etc. I request the Hon'ble Minister to pursue this matter with the concerned Ministers. Also municipalities must not be subject to the Rent Control Act. Sir, Apart from funding, there has to be a way to plan the development of urban areas. ULB's must follow the Infrastructure Index of every forum. ULB's follow popular pressure rather than idenfifying lacunae in infrastructure.

Hon'ble Speaker Sir, the vision of the Minister is development, but stability must be ensured. In many municipalities, Chairman is elected directly by the people. Where, a Chairman and Vice-Chairman can be removed by a single majority, they are bound to surrender to the pressure of

popular demands. But, if election is direct, a Chairman can function more effectively and pursue the vision the Government even if there is problems of political consensus.

I hope, that the Hon'bleMinister will bring further/amendments in the Act, in the coming years, since certain sections of the present Act allow for fines of Rs. 25/- or Rs. 5/-, which cannot be justified in recent times. We can see that the Hon'ble Minister's vision is there and I request the opposition to withdraw the cut motions in the light of the above. Thank you.

Hon'ble Speaker :- Now, Shri Kamalakhya Dey Purkayastha.

* শ্রী কমলাক্ষ্ দে পুরকায়স্থ ঃ

মাননীয় অধ্যক্ষ মহোদয়, বিরোধী দলের মাননীয় সদস্যগণ কর্ত্তন প্রস্তাব এনে আজ সদনে যে ব্যক্তব্য রেখেছেন তার বিপক্ষে আমি আমার যুক্তি দিয়ে কয়েকটা বক্তব্য সদনে তুলে ধরতে চাই।

প্রথমতঃ বলতে চাই যে বিরাধীৰা নগর উন্নয়ণ বিভাগর

* Speech not corrected

সমালোচনা করতে গিয়ে কার্য্যত্ত এই বিভাগের মন্ত্রী মহোদয়াকে প্রশংসা করেছেন। এতে শাসক দলেরে একজন বিধয়াক হিসাবে আমি স্বাভাবিক ভাবে গর্ববোধ করছি।

আমার আগে মাননীয় সদস্যগণ সবকিছুই বলে গেছেন, আমার আর বিশেষ কিছু বলার নাই, তাই কেবল ২/১ টা কথা বলে শেষ করব।

মহোদয়, বিগত দিন গুলোর তুলনায় বর্তমান বিভিন্ন যোজনার মাধ্যমে অসংখ্য কাজ হচ্ছে, প্রচুর টাকা খরচ হচ্ছে এবং মানুষের অসংখ্য প্রশংসাও সরকার পাচ্ছে। বিগত দিনে একটা সাধারণ কাজে টাকার জন্য দৌড়ঝাপ করতে হতো। আজ সেটা অতীত। আজ প্রকৃতপক্ষে নগর উন্নয়নের কাজ এক প্রশংসনীয় গতি এসেছে।

মহোদয়, অসমে বর্তমান ৩২ টা মিউনিসিপ্যালিটি, ২২ টা ডেভেলপমেণ্ট অথরিটি এবং ৫৭ টা টাউন কমিটী আছে। অত্যন্ত আনন্দ ও গর্বের ব্যাপার যে এই প্রত্যেকটি অনুষ্ঠানে সমান ভাবে বিভাগ থেকে টাকা যাচ্ছে, উন্নয়নের জন্য, কোথাও কোনো তদ্বির করতে হয়না।

সংবিধানের ৭৪ তম সংশোধনীর ফলে অত্যন্ত প্রশংসনীয়ভাবে সরকার ১৮ টা বিভাগে ক্ষমতা হস্তান্তর করে উন্নয়নে এক জোয়ার আনতে সক্ষম হয়েছে। এক্ষেত্রে, পৌরসভাগুলির আন্তর্গাথনির কিছু সমস্যার সমাধান করার প্রয়োজন ৰয়েছে।

মহোদয়, করিমগঞ্জ শহরের Master Drainage এর কাজ শতকরা ৬০ ভাগ সম্পন্ন হয়েছে। কিন্তু Scientific ভাবে কাজের অভাবে অনেক যায়গায় জল জমে থাকে। একটা বিশেষজ্ঞ কমিটী করে এগুলো সংশোধন করতে হবে এবং জল নিষ্কাশনের ব্যবস্থা করতে হবে।

মহোদয়, হরিজন কলোনীর উন্নতির ব্যাপারে সদনে বলা হয়েছে। এ ব্যাপারে আমি সম্পূর্ণ এখমত যে আমাদের হরিজন ভাইৰা ঠিকমত কাজ করলেই শহরটা ঝকঝকে থাকে। আর তারা যখন ঠিকঠাক ও সুন্দর পরিবেশে থাকে তথনি কেবল ভাল পরিষেবা দিতে বারবে। আমার আগে একজন বক্তা যথার্থই বলেছেন যে মাননীয়া মন্ত্রী অজন্তা নেওগ PWD. তে অনেক ভাল কাজ করেছেন, তাই আমাদের বিশ্বাস এবং দেখতেও পাচ্ছি যে তিনি Urban Dev. Department এও এই কর্মচঞ্চল মন্ত্রী প্রশংসনীয় কাজ করছেন। শহরের Drain, Light, Drinking Water ইত্যাদির উন্নয়নের জন্য যে ১৬০ কোটী টাকা মঞ্জুৰি দাবী কৰা হয়েছে, আমার মনে হয় আরো বেশী টাকা আমাদের দরকার। তাই আমি এই দাবী করা হয়েছে, আমার মনে হয় আরো বেশী টাকা আমাদের দৰকার। তাই আমি এই দাবী মঞ্জুৰি সমর্থণ করে এবং বিরোধীদের কর্তন প্রস্তাবের বিরোধীতা করে আমার বক্তব্য শেষ করছি।

মাননীয় অধ্যক্ষ ঃ- এতিয়া আৰু কোনোবাই কিবা কব নেকি?

* শ্রী কেশৱ মহন্ত ঃ -

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়ৰ আগতে বক্তব্য ৰাখি গৈছো যদিও মাননীয় সদস্য কেপ্টেইন ৰবিন বৰদলৈ দেবে বিৰোধিতা কৰি যিধৰণে মন্তব্য কৰিছে তাৰ ওপৰত এষাৰ কৈ নথলে ভুল হব। আজি তেখেতৰ নিজৰ সমষ্টিৰ কথাকে কব বিচাৰিছো। আৰু এটা প্রক্রিয়াৰ কথা কব। এই প্রক্রিয়া বিধান সভা পৰিচালনাৰ প্রক্রিয়া। কংগ্রেছ দলেও বিৰোধী দলত থাকোতে কর্ত্তন প্রস্তাৱ আনিছিল। যিবিলাক পূর্বৰ প্রচিদিউৰত আছে। তাক মই পঢ়ি চাইছো। আমি কর্ত্তন প্রস্তাৱ অনাটো এটা দোষনীয় কাম কৰিছে। সেই ধৰণৰ ধাৰণা দিব বিচৰা হৈছে। এইটো এটা আলোচনা কৰাৰ মাধ্যম। এই মাধ্যমৰ জৰিয়তে বিৰোধী দলে আলোচনাত ভাগ লব পাৰে। বিৰোধী সকলক এনেকুৱা এটা ধাৰণা দিয়া হৈ ছেযে এইটো আমি অপধাৰ কৰিছো। মই দুটা কথাত বিৰোধীতা কৰি কও যে কেপ্টেইন ৰবিন বৰদলৈ তেখেত এজন নিজেই মেট্রোপলিটান চিটি জি এম ডি এ ৰ চেয়াৰমেন। গুৱাহাটী উন্নয়ন কৰাৰ দায়িত্ব তেখেতৰ হাতত চৰকাৰে অর্পণ কৰিছে। যোৱা ২১ অক্টোবৰ তাৰিখে এটা দুর্ঘটনা সংঘ টিত হয়। দুর্ঘটনাটো সংঘটিত হোৱাৰ সময়ত গুৱাহাটীৰ ফুটপাথৰ নলা বিলক্ত পানী নাছিল। গুৱাহাটীত মাত্র আধা ঘণ্টা সময় বৰষুণ আহিছিল। সেই বৰষুণত গুৱাহাটীৰ নলা নর্দমা, বাট পথ পানীৰে উপচি পৰিছিল। সেই সময়তে গুৱাহাটী কোষাগাৰৰ অধীক্ষক, শ্রী বিনয় মোহন দাস কার্য্যালয় ছুটিৰ পিছত ঘৰলৈ উভতি আহোতে ফুটপাথৰ মেনহলত

* Speech not corrected

পৰি তিনি দিনৰ কাৰণে নাইকীয়া হয়। তিনি দিন ধৰি চৰকাৰে বিচাৰি উলিয়াব নোৱাৰিলে। তিনিদিনৰ মূৰত মৃতদেহটো ফুলি ভৰলুত ওপঙি আছে। তেখেৰত সমষ্টিত সেই ঘটনা হৈছে। বিৰোধী দলৰ ফালৰ পৰা সেইখিনিকে মন্তব্য আগবঢ়াইছিলো।

(মাননীয় অধ্যক্ষ মহোদয়ে আসন এৰে আৰু মাননীয় উপাধ্যক্ষা ডাঙৰীয়াই আসন গ্রহন কৰে।)

শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ-

মাননীয় উপাধ্যক্ষা মহোদয়া, আজি নগৰ উন্নয়ন বিভাগৰ ওপৰত উৎথাপিত বর্ত্তন প্রস্তাৱৰ ওপৰত আলোচনা হৈছে। মাননীয় সদস্যসকলে সপক্ষে বিপক্ষে আলোচনাত ভাগ লৈ মন্তব্য আগবঢ়াইছে। বিৰোধী দলৰ শ্রী ফনিভূষণ চৌধুৰী, শ্রী কেশৱ মহন্তকে আদি কৰি কেবাগৰাকী সদস্যই ভাগ লৈছে আৰু চৰকাৰী পক্ষৰ শ্রী জয়ন্ত মল্ল বুজৰ বৰুৱা, ৰবিন বৰদলৈ, শ্রীমতী সুস্মিতা দেৱ আৰু কমলাক্ষ দে পুৰকায়স্থ আদিয়ে আলোচনাত ভাগ লয়। মই অতি আনন্দিত হৈছো আৰু সকলোকে ধন্যবাদ জনাইছো। আজি মই বিধান সভাত দশ বছৰ আছো। গড়কাপ্তানি বিভাগৰ ওপৰত বিভিন্ন কর্ত্তন প্রস্তাৱ আহিছে। আৰবান ডেভেলপমেণ্টৰ ওপৰতো দুই এটা সৰু সুৰাৰ ৰাহিছে কর্ত্তন প্রস্তাৱ অহা নাই। শ্রী মহন্ত ডাঙৰীয়াই কর্ত্তন প্রস্তাৱ অনাটো স্বাভাৱিক ধৰণৰ কথা। কর্ত্তন প্রস্তাৱ আচলতে কৰিব লাগে। হাউচত এটা কনভেনচন আছে। সদস্যসকলৰ সদস্যসকলৰ মনোভাৱ কি সেই কথাবিলাক বুজিব

পৰা যায়। এই আলোচনাত অংশলোৱা সকলো সদস্যকে ধনবাদ জনাইছো। মই এইটো ভবা নাই যে তেখেতসকলে সমালোচনা কৰিছে। এই আলোচনাৰ মাধ্যমেৰে ধনাত্মক কথা কৈছে সেইখিনি গ্ৰহণ কৰিছো। তেওলোকে নিজ সমষ্টিৰ টাউন কমিটিবিলাকৰ কথা কৈছে। সেই বিভাগৰ ওপৰত এটি চমু আভাষ দিবলৈ বিচাৰিম। ১৯২৩ চনত ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী জৱহাৰলাল নেহৰু ২৩ পৰা ২৫ চনলৈযে তিনিবছৰ কাল এলাহবাদ মিউনিচিপালিটিৰ চেয়াৰমেন হিচাপে কার্য্যভাৰ গ্ৰহণ কৰিছিল। তেখেতে অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছিল এনেধৰণে I quote from An Autobiography of Jawaharlal Nehru "little attention is paid to the frame work within which they have to function. This frame work, is neither democratic nor autocratic, it is a cross between the two, and has the disadvantage of both" (at page no. 152)

মাননীয় উপাধ্যক্ষা মহোদযা তেতিয়া বৃটিছ সকলে আমাৰ দেশ শাসন কৰিছিল। সেই বৃটিছৰ পৰাও কোনো সহায় সহযোগ পোৱা নাছিল, আনকি নিজৰ দেশৰ মানুহৰ পৰাও কোনো সহায় সহযোগ পোৱা নাছিল। এইখিনিতে প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ কথাটো উনুকিয়ালে ভাল হব। ৰাজীৱ গান্ধীয়ে এটা সপোন দেখিছিল। এই সপোনটো ৩ খলপীয়া আছিল। তেখেতে এই সপোনটো দেখিছিল।

১০০ কোটি ভাৰতবৰ্ষৰ জনসাধাৰণ। ইমান বহুত দেশ এখনত তিনি খলপীয়া মিউনিচিপালিটি হব লাগে। ১৯৫৬ চনৰ মিউনিচিপেলিটি ৩২ খন আৰু গোটেই ৰাজ্যখনত ১'১৭৭/২০০১ চনৰ আৰবান পপুলেশ্যন ১২'৯ শতাংশ আৰু আমাৰ গোটেই ভৰতবৰ্ষত আমি দেখিবলৈ পাইছো। আজি বিধান সভাৰ পৰবৰ্ত্তী আধিবেশনত আইনখন সংশোধনীৰ কাৰণে এখন বিল উৎত্থাপন কৰা হব। আমাৰ নগৰ সমিতি আৰু মিউনিচিপালিটিৰ কামকাজত কিছু আসোঁৱাহ নথকা নহয়। সেইবোৰ দূৰ কৰিব লাগিব। এতিয়াৰ পৰা পুঁজিৰ ক্ষেত্রত নগৰ সমিতি আৰু মিউনিটিপালিটিৰ কাৰণে গ্রেডিংৰ ব্যৱস্থা কৰা হব। যিবিলাক নগৰ সমিতি আৰু মিউনিচিপালিটিয়ে গ্রেডি,ৰ বেচি পাব সেই বোৰে বর্ধিত হাৰত পুঁজি লাভ কৰিব। আজি নগৰ সমিতি আৰু মিউনিচিপালিটিয়ে বিভিন্ন সমস্যাৰ সম্মুখীন হব লগীয়া হৈছে। আজি আমাৰ টেক্স কলেকচন হৈ আছে licence fee, market fee, parking fee etc.

মাননীয় উপাধ্যক্ষা মহোয়দা, গ্রাম্যঞ্চলৰ লোক ব্যৱসায় বাণিজ্যৰ কাৰণ চহৰলৈ আহে। চহৰত ব্যৱসায় কৰি পুনৰ গাৱঁলৈ ঘূৰি যায়, তেতিয়া চহৰখন নিজম পৰে। চহৰখন সকলোৰে দুৱাৰ মুখ স্বৰূপ। উন্নয়নে হওক বা বিভিন্ন ধৰণৰ কাম কাজতে হওঁক, ৰীতি-নীতিৰ প্রভাৱ প্রথমতে চহৰতে পৰে। উন্নয়নৰ কাৰণে প্রথমতে চহৰখনতে হাত দিব লাগিব। চহৰখন সুন্দৰ কৰি নির্ম্মাণ কৰিব লাগিব। চহৰ এলেকাত জনসাধাৰণৰ সংখ্যা বেছি আৰু সেই চহৰৰ

পৰাই গাৱঁলৈ মেচেজ যায়। সেইমতে চহৰলৈ আহি নিজৰ যাৱতীয় কাম-কাজ কৰি পুনৰ গাৱঁলৈ ঘূৰি যায়। টাউনত থকা ঘৰবিলাকৰ পৰা হলডিং ট্ৰেক্স লোৱা হয় আৰু কাৰ পাকিং, সৰু-সুৰা মাৰ্কেট আদিৰ পৰা যিবোৰ টেক্স লোৱা হয় সেইবোৰক নন-টেক্স বুলি কোৱা হয়। সেইমতে মিউনিচিপালিটিয়ে টেক্স আদায় কৰে। নলা নৰ্দ্দমা আদি চাফা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক সাহায্য পোৱা হয়। বিভিন্ন ধৰে টেক্স কালেক্ট কৰি কৰ্ম্মচাৰী সকলক দৰ্ম্মহা দিয়া হয়। যিবোৰ আয়ৰ উৎস আছে তাৰ পৰা টেক্স কালেক্ট কৰি প্ৰশাসনৰ কাম-কাজ কৰিব লাগে। জনসাধাৰণে টেক্স দিয়া বিনিময়ত ৰুলচমতে পাবলগীয়া সুবিধাখিনি পাব লাগে।

মাননীয় উপাধ্যক্ষা মহোদয়া, ৰেভিনিউ যিটো গেপ সেইটো পূৰণ কবি লাগে। সেইটোৱে আছিল ভাৰতবৰ্ষত-সংবিধান সংশোধনৰ মূল উদ্দেশ্য। ৰাজহ ঘাটি কাৰণ হৈছে কৰ ফাকি। এই মাটিটো আমি পূৰাব লাগে। এই ফাকিটোৱে হৈছে আমাৰ প্ৰধান সমস্যা। অসমত যিমান মিউনিচিপালিটি আছে প্ৰায়বিলাকতে মই গৈছো। মই তিনিচুকীয়া, শোণিতপুৰ, নলবাৰী আদিলৈও গৈছো। আসাম মিউনিচিপালিটি অক্ট ১৯৫৬ ত যিটো ধাৰা আছে তাত লিখা আছে কেনেকৈ এচেচমেণ্ট কৰিব লাগে। প্ৰাইমাৰ মিউনিচিপালিটি এক্ট হোৱা নাই। টেক্স এচেচ হোৱা নাই। এই দুটাৰ মাজত বিসঙ্গতি দেখা গৈছে। তেওঁলোকে চিলেকচন কৰিব লাগে। এই বিষয়ত এটটা গাইড লাইন আছে। আমি এটা চেল গঠন কৰিম আসাম মিউনিচিপালিটি এক্ট ১৯৫৬ মতে আমি

কাম কৰিবলৈ চেষ্টা কৰিম। তেতিয়া আমি মাননীয় সদস্য সকলৰ পৰা সহযোগিতা বিচাৰিম। টেক্স কালেকচনৰ ক্ষেত্ৰত মিউনিচিপালিটিক সম্পূৰ্ণ ক্ষমতা দিয়া হৈছে। আইনখন অধ্যয়ণ নকৰা কাৰণে অসুবিধা হৈছে। মাননীয় সদস্য সকলে উল্লেখ কৰা ডিফেক্টবোৰ নাইকিয়া কৰিবৰ কাৰণে ৰিফৰ্মচৰ ব্যৱস্থা কৰা হব। ডেইনিং চিচটেমবোৰ ঠিক কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। টকাবিলাক ঠিকমতে খৰছ কৰি উন্নয়নত আগ বাঢ়িব পাৰিম বুলি আশা ৰাখিছো। মনিটৰিং ব্যৱস্থা থকা কাৰণে ভৱিষ্যতে চিচটেমবোৰ ঠিক কৰিব পৰা যাব। তেওঁলোকৰ কামকাজবিলাক মনিটৰ কৰিব লাগিব। কামৰ সুবিধার্থে ফাইনেঞ্চ কমিশ্যন গঠন কৰা হৈছে। মিউনিচিপালিটিৰ ভাইচ চেয়াৰ মেন সকলক আৰু একাউনটেন্ট সকলক ট্ৰেনিং দিয়া ব্যৱস্থা কৰা হৈছে। এইদেৰে ডাবোল চিচটেম কৰা হয় তাৰ পিচৰ পর্য্যায়ৰ চেয়াৰমেন সকলক বাহিৰলৈ লৈ যোৱা হব। কেৰেলা, অন্ধ্রপ্রদেশ আদি ষ্টেটৰ কাম-কাজবিলাক চাবৰ বাবে। গতিকে মিউনিচিপালিটিৰ উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ প্রচেষ্টা চলোৱা হৈছে। আৰু কেনেকৈ শক্তিশালী কৰিব পাৰি তাৰ কাৰণে চেষ্টা চলোৱা হৈছে।

মাননীয় উপাধ্যক্ষা মহোদয়া, চেয়াৰমেন সকলক বাহিৰলৈ পঠোৱা হব। অন্ধ্রপ্রদেশ, কেৰেলাত কেনেকৈ কাম বিলাক চলিছে চাব। তাত বিভিন্ন ধৰণৰ প্রচেষ্টা চলিছে। সেই সকলোবিলাক চাবলৈ তেওঁলোকক বাহিৰলৈ যাব পাৰিব। কেনেকৈ মিউনিচিপালিটিক অধিক

শক্তিশালী কৰিব পাৰি সেইটো চাব পাৰিব। আজি সদনত যি সকল মাননীয় সদস্যই অংশ গ্ৰহণ কৰি এই ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগ বঢ়াইছে তাৰ কাৰণে মই সচাকৈ ভাল পাইছো। সকলো সদস্যই ডেভলাপমেণ্ট, ইনফ্ৰাকষ্ট্ৰাৰৰ কথা কৈছে। বিভিন্ন স্কীমৰ পৰা পুঁজি পোৱা হয়। আমাৰ লগত ডেভেলাপমেণ্ট অথৰিটি আছে। তেওঁলোকৰ ২১৫ জন কৰ্ম্মচাৰী আছে, তেওঁলোকৰ যিখিনি কালেক্চন হয়, তাৰ পৰা কৰ্ম্মচাৰীৰ দৰমহা দিব পাৰে। গ্ৰামাঞ্চলৰ মানুহক কেনেকৈ সহায় কৰিব পাৰি চাব লাগে। তেওঁলোকৰ লগত বুজা বুজি কৰি কাম কাজখিনি কৰিছিল। আমাৰ এই ব্যৱস্থাখিনিত আপোনালোকৰ এটা ডাঙৰ ভুমিকা আছে। এইখনিৰ কাৰণে মই আপোনালোকক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত আমাৰ বিভাগৰো দায়িত্ব আছে। বিধায়ক সকল পদেন সদস্য। মই গোলাঘাটৰ মিউনিচিপালিটিৰ পদেন সদস্য আছিলো। মিউনিচিপালিটিৰ সকলো কামত মই জৰিত আছিলো। তাত এমাহ মুৰে মুৰে সভা বহিব লাগে। চেকচন ৪৩ মতে সভা পতা হয়। মই যেতিয়া উপস্থিত আছিলো দিশপুৰলৈ ৰিপোৰ্ট পঠোৱা হৈছিল। ২০ টা কালেকটন হৈছে। মোৰ মনটো ভাল লাগিছিল। চেয়াৰম্যান আৰু আমাৰ মাজত সম্পৰ্ক আছে। তেওঁলোক পাচ বছৰৰ কাৰণে আহিছে, আমিও আহিছো। যিহেতু বিধায়ক সকল পদেন সদস্য, তেওঁলোকে নিজৰ দায়িত্ব পালন কৰিব লাগে। আমাৰ সংবিধানে বিচাৰিছে সকলো বিলাক একলগ হৈ থাকিব লাগে। জণসাধাৰণক যিখিনি সুবিধা দিব লাগে সেইখিনি সুবিধা দিব লাগিব। এই ক্ষেত্ৰত সকলোৱে ইন্ভলব হব লাগিব। এক্তত লিখা আছে, এমাহত মিটিং

হব লাগে। তাত সকলো বিলাক কথা আলোচনা কৰিব লাগে। বিভিন্ন সময়ত ৰেভিনিউ গেপ থাকিব পাৰে, তাক পুৰণ কৰিবলৈ আমি চেষ্টা কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়া, মাননীয় নবীন সদস্য, জয়ন্ত মল্ল বুজৰ বৰুৱা, কমলাক্ষ দে পুৰকায়স্থ, সুস্মিতা দেৱ, দুর্ল্লভ চমুৱা, কমল সিং নার্জাৰী , তেজপুৰৰ ৰাজেন বৰঠাকুৰ সকলোৱে কৈছে। মিউনিচিপালিটিত এতিয়া এটা নতুন পৰিবৰ্ত্তণ আহিছে। নগাওঁ, তিনিচুকীয়া, ডিব্রুগৰতে হওঁক পৰিবৰ্ত্তণৰ কাৰণে চেষ্টা কৰিছে। যত ৰেভিনিউ গেপ আছে কেনেকৈ মিট আপ কৰিব পাৰি চাব লাগিব। ৰাজহ ঘাটি আমি সকলোৱে মিলি পুৰাব লাগিব।গুৱাহটীত ২৫ লাখ, তিনিচুকীয়াত এক লাখ এনেধৰণে জনসাধাৰণৰ হোল্ডিং টেক্স আছে।টেক্স ঘাটি আছে, এইটো আপগ্রেড কৰিবলৈ মই সকলোকে বিনম্র অনুৰোধ জনাইছো। আইন আছে, প্রত্যেক হাউচ এচেচ কৰিছে। যি অসুবিধা আছে তাক পুৰণ কৰিব লাগে। আইন মতে হোল্ডিং টেক্স চিহ্নিত হোৱা নাই। তাক নতুনকৈ চিহ্নিত কৰিব লাগিব। চেল্ফ এচেচমেণ্ট বডি হব লাগে। বাহিৰৰ ৰাজ্য বিলাকে কি কৰি আছে, এনুৱেল এচেচ বেলেগ ৰাজ্যৰ চোৱা নাই। মিউনিচিপালিটত কিমান পাৰটেণ্ট পৰিব, তেওঁলোকে এই সকলো বিলাক কৰিব। মই আশা কৰিছো যে এই আইনখন প্রবর্ত্তন হোৱাৰ লগে লগে টেক্সৰ যি সমস্যা আছে সেই সমস্যা সমাধান হব। টেক্স বৃদ্ধি কৰিবৰ কাৰণে সুবিধা পাব।

মাননীয় উপাধ্যক্ষা মহোদযা, মই তেজপুৰলৈ গৈছিলো। মোক তেজপুৰৰ বিধায়কে কৈছে তাত যি বিবাহ ভৱন বনাইছে ২৫ লাখ টকা ৰেভিনিউ পাব বুলি স্থিৰ কৰিছে। মই সকলো মাননীয় সদস্যকৈ অনুৰোধ জনাইছো যে সংবিধানে যিখিনি মর্য্যাদ দিছে সেইখিনি আমি পালন কৰিব লাগিব। আমি যথেষ্ট কৰিবলগীয়া আছে। প্রয়াত প্রধান মন্ত্রী ৰাজীৱ গান্ধীয়ে জণসাধাৰণৰ মনত আশা আকাংশা পুৰণ কৰিব কৈছিল। আপোনালোকে যিমানখিনি পৰামর্শ দিছে সেই সকলো বিলাক বিভাগে বিবেচনা কৰিব। এমণ্ডমেণ্ট, প্লেচমেণ্ট বিভাগ বিলাকৰ আছে। পি, ডবলিউ, ডি, ছোচিয়েল ফৰেষ্ট্রিক মই কথাখিনি জনাম।

মাননীয় সদস্য সকলে যিবিলাক পৰামর্শ দিছে আমি যেতিয়া সংশোধনী আনিম তেতিয়া এইবিলাক কথা নিশ্চয় চিন্তা কৰি চাম। আমাৰ বিষয়াৰ বৰ অভাব , কাৰিকৰী বিষয়া নায়েই। কাৰিকৰী বিষয়াৰ কাৰণে মই গড়কাপ্তানি বিভাগক কম যাতে আচনি বিলাক প্রস্তুত কৰাত সুবিধা হয়। কার্য্যবাহী বিষয়া নিযুক্তি দিয়াৰ কাৰণে আমাৰ বিত্তীয় অসুবিধা আছে তথাপি এটা স্পেচিয়েল কেডাৰ কৰি বিষয়া দিবলৈ মই মুখ্য মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰিম। আমাৰ মাননীয় সদস্য, শ্রী কমলসিং নার্জাৰী দেৱে কথাখিনি মনত ৰাখিছে, তেখেত মোতকৈও অভিজ্ঞ। এই কর্ম্মচাৰী সকল চৰকাৰী চাকৰিয়ালৰ দৰে নহয় গ্রাণ্ট ইন এইদত চলে, তথাপি ৬ষষ্ঠ দর্ম্মহা আয়োগৰ অধীনত আনিবলৈ চেষ্টা কৰিম। কিন্তু কর্ম্মচাৰী সকলেও নিষ্ঠাৰে কাম কৰিব লাগিব কৰৰ পোৱা পইছাখিনি দর্মাহাত খৰছ কৰিলে নহব, কৰ

